www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিবা। — চক্ৰেটিচ

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❒ সপ্তম বছৰ ❒ সংখ্যা - ১৩ ❒ শনিবাৰ ❒ ১৭ জানুৱাৰী, ২০২৬ চন ❒ ৩ মাঘ, ১৯৪৭ শক ❒ VOL - 7 ❒ NO.- 13 ❒ Saturday ❒ 17th January, 2026 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

■ ১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব প্ৰধানমন্ত্ৰীয়ে ■

# দুদিনীয়া কাৰ্যসূচীৰে আজি অসমলৈ প্ৰধানমন্ত্ৰী মোদী

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** দুদিনীয়া অসম ভ্ৰমণৰ কাৰ্যসূচীৰে আজি বিয়লি গুৱাহাটীত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। কেইবাটাও কাৰ্যসূচী লৈ অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী মোদীয়ে শনিবাৰে কলকাতাৰ মালদহ টাউন ৰে'লৱে ষ্টেচনৰ পৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব কলকাতা-কামাখ্যা বন্দে ভাৰত শ্লীপাৰ এ'প্ৰেছ ৰে'ল। কলকাতা আৰু গুৱাহাটীৰ মাজত চলিবলগীয়া এই ৰে'লখন প্ৰধানমন্ত্ৰীয়ে কলকাতাৰ পৰা ফ্লেগ অ'ফ কৰিব আৰু গুৱাহাটীৰ কামাখ্যা ষ্টেচনত উপস্থিত থাকিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। উল্লেখ্য যে শনিবাৰে বিয়লি ৫.২০ বজাত গুৱাহাটীৰ বিমানবন্দৰত উপস্থিত হ'ব প্ৰধানমন্ত্ৰী মোদী। বিমানবন্দৰত বিশাল ৰেলীৰে প্ৰধানমন্ত্ৰী মোদীক আদৰণি জনোৱা হ'ব। ইয়াৰ পিছত প্ৰধানমন্ত্ৰী মোদী » ৭ পৃষ্ঠাত



## জানুৱাৰী মাহৰ শেষৰ ভাগত প্ৰকাশ হ'ব গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্য

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভযোগে ৰাজ্যবাসীৰ আগত বহু গুৰুত্বপূৰ্ণ » ৬ পৃষ্ঠাত

প্ৰশাসনিক মুৰব্বী হওক সংখ্যালঘু ল'ৰা-ছোৱালী

## কিডনী বেছি হ'লেও সন্তানক পঢ়ুৱাবলৈ আহ্বান ৰেজাউল কৰিম সৰকাৰৰ

**অসম বাৰ্তা, কোকিলা, ১৬ জানুৱাৰী ঃ** সমাগত বিধানসভা নিৰ্বাচন। নিৰ্বাচনৰ বাবে সাজু হৈছে প্ৰতিটো ৰাজনৈতিক দল তথা দলীয় নেতা » ৬ পৃষ্ঠাত

২৩খন জিলাৰ শিল্পীয়ে চলাইছে চূড়ান্ত অনুশীলন

## আজি প্ৰধানমন্ত্ৰীৰ সন্মুখত প্ৰদৰ্শন কৰা হ'ব বাগুৰুম্বা



**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** কাইলৈ (১৭ জানুৱাৰী) গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰাংগণত দেশৰ প্ৰধানমন্ত্ৰীৰ উপস্থিতিত দহ » ৬ পৃষ্ঠাত

চূড়ান্ত অনুশীলন প্ৰত্যক্ষ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

অনলাইন গেমিং এক্টৰ অধীনত মুঠ ৭, ৮০০ৰো অধিক ছাইট বন্ধ; যুৱ প্ৰজন্মক সুৰক্ষা দিয়াৰ লক্ষ্যৰে তীব্ৰতৰ কাৰ্যব্যৱস্থা

## অবৈধ বেটিং আৰু জুৱাৰ বিৰুদ্ধে কঠোৰ কেন্দ্ৰ; ২৪২টা ৱেবছাইট ব্লক




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** অনলাইন জুৱা আৰু অবৈধ বেটিংৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি অহা নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে এইবাৰ নতুনকৈ » ৭ পৃষ্ঠাত

মন্দিৰ পুনৰ নিৰ্মাণৰ বাবে দৰ্শনাৰ্থীৰ বাবে থাকিব বন্ধ

## ৩১ জানুৱাৰীলৈ বন্ধ থাকিব নগাঁৱৰ মহামৃত্যুঞ্জয় মন্দিৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পুৰণিগুদাম গোঁসাই গাঁৱত অৱস্থিত বিশ্বৰ সৰ্ববৃহৎ উচ্চতাৰ লিংগাকৃতিৰ » ৬ পৃষ্ঠাত

আজিৰ কলম

## অসমৰ সাংস্কৃতিক বৰঘৰত জ্যোতিপ্ৰসাদৰ বৰ্ণময় জেউতি



শৰৎ চন্দ্ৰ চিৰিংফুকন

অসম আকাশৰ সাহিত্য-সংস্কৃতিৰ অন্যতম লাইখুঁটা হৈছে জ্যোতিপ্ৰসাদ, বিষ্ণুপ্ৰসাদ আৰু পাৰ্বতীপ্ৰসাদ।

থাকৰে পৰিয়ালৰ ২৮ বছৰীয়া আধিপত্যৰ যৱনিকা

## বিএমচিত বিজেপি-মহাযুতিৰ ঐতিহাসিক জয়

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** মহাৰাষ্ট্ৰৰ ৰাজনীতিত এক » ৭ পৃষ্ঠাত

ভোট ভাইবৰ জনমত সমীক্ষাত অভিযোগ

## কংগ্ৰেছৰ বিৰুদ্ধে ভুৱা বা আংশিক প্ৰচাৰৰ অভিযোগ



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৬ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসমত ৰাজনৈতিক তাপমান ক্ৰমান্বয়ে বাঢ়ি আহিছে। এই পৰিস্থিতিত ভোট ভাইব নামৰ এটা জনমত সমীক্ষা সংস্থাই প্ৰকাশ কৰা তথ্যক লৈ কংগ্ৰেছৰ বিৰুদ্ধে পুনৰ ভুৱা বা আংশিক প্ৰচাৰৰ অভিযোগ উত্থাপন হৈছে। অভিযোগকাৰীসকলে » ৬ পৃষ্ঠাত

সপোন পূৰণ হ'ল আমেৰিকান ৰাষ্ট্ৰপতি ড'নাল্ড টাম্পৰ

## মাৰিয়া কোৰিনা মাচাডোৰৰ শান্তিৰ নোবেল বঁটাৰ পদক ড'নাল্ড ট্ৰাম্পক উপহাৰ




**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** ভেনিজুৱেলাৰ বিশিষ্ট বিৰোধী নেত্ৰী আৰু ২০২৫ চনৰ নোবেল শান্তি বঁটাৰ বিজয়ী মাৰিয়া কোৰিনা মাচাডোৱে যোৱা বৃহস্পতিবাৰে (১৫ জানুৱাৰী) » ৭ পৃষ্ঠাত

জিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক বাণী হাজৰিকাক 'বিজেপিৰ এজেণ্ট' আখ্যা

## গৌৰৱ গগৈৰ নিজা সমষ্টিতেই কংগ্ৰেছত বিদ্ৰোহ

কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ড° ইন্দ্ৰনীল পেগুক সমৰ্থন দিয়াৰ বাবেই অপসাৰণ দুই ব্লক কংগ্ৰেছৰ সভাপতিক!

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জানুৱাৰী ঃ** ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে এই বাৰ গৌৰৱ গগৈৰ নেতৃত্বত ৰাজ্যত চৰকাৰ গঠন কৰিবলৈ নানা কৌশল অৱলম্বন » ৬ পৃষ্ঠাত

❒ কংগ্ৰেছৰ দলীয় টিকট বিচাৰি ভিৰ বাঢ়িছে আবেদনকাৰীৰ ❒

## টঙালী বান্ধিছে কংগ্ৰেছে! ৰাজীৱ ভৱনত আৰম্ভ হৈছে কুচকাৱাজ

এদিনতে ১০০ গৰাকী প্ৰাৰ্থীৰ আবেদন




**ষ্টাফ ৰিপ'টাৰ, আমবাৰী, ১৬ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ বাবে দলীয় টিকেটৰ আবেদন প্ৰক্ৰিয়াই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ৰাজীৱ ভৱনক উদুলি-মুদুলি কৰি তুলিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ অফিচিয়েল ৱেবছাইট apcc.assam.orgৰ জৰিয়তে প্ৰায় ১৫০০টা » ৭ পৃষ্ঠাত

❒ নিৰ্বাচনৰ প্ৰস্তুতি তীব্ৰতৰ; ৰাহুল গান্ধী, মল্লিকাৰ্জুন খাৰ্গে, গৌৰৱ গগৈৰ ৰণনীতি নিৰ্ধাৰণ ❒

## নতুন দিল্লীত জাতীয় কংগ্ৰেছৰ শীৰ্ষ পৰ্যায়ৰ নেতাৰে প্ৰদেশ কংগ্ৰেছৰ নেতৃবৃন্দৰ হাইভল্টেজ বৈঠক

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জানুৱাৰী ঃ** আগন্তুক অসম বিধানসভা নিৰ্বাচনক লৈ ৰাজ্যৰ ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি ক্ৰমান্বয়ে তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে। শাসক বিজেপিয়ে বিভিন্ন আঁচনিৰ চেক বিতৰণ আৰু জনকল্যাণমূলক কাৰ্যসূচীৰ জৰিয়তে » ৬ পৃষ্ঠাত



■ সদ্যপ্ৰয়াত সংগীত শিল্পী সমৰ হাজৰিকালৈ ২০২৬ বৰ্ষৰ শিল্পী বঁটা ■ ধনদা পাঠকলৈও ৰাজ্য চৰকাৰৰ শিল্পী বঁটা

## ৰাজ্য চৰকাৰৰ ২০২৬ বৰ্ষৰ শিল্পী বঁটা ঘোষণা

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ১৬ জানুৱাৰী ঃ** অসম চৰকাৰে ২০২৬ বৰ্ষৰ বাবে বিভিন্ন শিল্পী বঁটা আৰু সন্মান ঘোষণা কৰিছে। সদ্যপ্ৰয়াত প্ৰখ্যাত সংগীতশিল্পী সমৰ হাজৰিকাক (ভূপেন হাজৰিকাৰ কনিষ্ঠ ভাই) » ৬ পৃষ্ঠাত

শিৱসাগৰ সমষ্টিত টিকট প্ৰত্যাশীৰ দীঘলীয়া শাৰী



## সমাগত '২৬ৰ নিৰ্বাচন; শিৱসাগৰত বিজেপিৰ প্ৰাৰ্থীত্বক লৈ অন্ত নাই জল্পনা-কল্পনাৰ

**ষ্টাফ ৰিপ'টাৰ, শিৱসাগৰ, ১৬ জানুৱাৰী ঃ** আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰিবলৈ মাজত মাত্ৰ আছে এটা মাহ। ইতিমধ্যে ৰাজনৈতিক মহলত আৰম্ভ হৈছে ব্যাপক তৎপৰতা। দেৱাল লিখনে বিজেপিয়ে বজাইছে নিৰ্বাচনী ৰণডংকা ২০২৬। বিশেষকৈ উজনি » ৬ পৃষ্ঠাত



# খানামুখত পৰম্পৰাগতভাৱে ভোগালী বিহু উদ্‌যাপন

**অসম বাৰ্তা, আজাৰা, ১৫ জানুৱাৰী ঃ** গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ খানামুখ ৰাজহুৱা নামঘৰ পৰিচালনা (ফুকনৰ পাৰ) কমিটিৰ উদ্যোগত বিগত বছৰৰ দৰে এইবেলিও ১৩ আৰু ১৪ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পৰম্পৰাগতভাৱে ভোগালী বিহু উদ্‌যাপন কৰা হয়। ১৩ জানুৱাৰীত ভোগালী বিহুৰ লগত সংগতি ৰাখি নামঘৰ চৌহদৰ বাকৰিত নামঘৰৰ অন্তৰ্গত খেলবাসীৰ পুৰুষ-মহিলা, শিশুকে ধৰি তিনি শতাধিকৰো অধিক লোকে নিশা উৰুকাৰ সমূহীয়া ভোজত ভাগ লয়। ১৪ জানুৱাৰীত পুৱা খানামুখ ৰাজহুৱা খেলপথাৰত নিৰ্মাণ কৰা ভেলাঘৰ তথা মেজিত পৰম্পৰাগতভাৱে অগ্নি দেৱতাক সমূহীয়াকৈ বছৰটোৰ মংগল কামনা কৰি প্ৰজ্বলন কৰাৰ পাছত ভোগালী বিহুৰ ঐতিহাসিক বাৰ্ষিক ৰাজহুৱা সভা অনুষ্ঠিত হয়। খানামুখ ৰাজহুৱা নামঘৰ পৰিচালনা কমিটিৰ সভাপতি যাদৱ চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য সম্পাদক হেমেন কলিতাই বছৰটোৰ জমা-খৰচৰ খতিয়ান দাঙি ধৰে। তেনেদৰে হিচাপ পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে হিচাপ পৰীক্ষক বিপুল কলিতাই। সভাত গোপাল কলিতা, কমলা কলিতা, লোহিত কলিতা, মাণিক কলিতা, ৰঞ্জিত কলিতা, উৎপল বৰ্মন, প্ৰদীপ কলিতা (নামান), জয়দেৱ কলিতা, শৰৎ কলিতা (পুতুকণ), হৰিচৰণ কলিতা (মাজু), ধীৰাজ কলিতা, জয়ন্ত কলিতা, চন্দন কলিতা, সনাতন বৰুৱা, ৰতন কলিতা, নিৰদা কলিতা, পংকজ কলিতাকে ধৰি উপস্থিত কেবাজনেও ভাষণত নগৰৰ যান্ত্ৰিকতাৰ মাজত থাকিলেও যুগ যুগ ধৰি বৃহত্তৰ খানামুখত আটাইকেইখন খেলবাসীয়ে পৰম্পৰাগতভাৱে ভোগালী বিহু পালন কৰি অহা বিষয়টোৰ আলোকপাত কৰে। সভাত বিগত এটা বছৰত যিসকল লোকৰ মৃত্যু হল তেওঁলোকৰ বিদেহ আত্মাৰ সদগতি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱাৰ লগতে যিসকল লোক অসুস্থ হৈ চিকিৎসালয় তথা ঘৰত চিকিৎসাধীন হৈ আছে তেওঁলোকৰ আশু আৰোগ্য কামনা কৰে। সভাত খানামুখ ৰাজহুৱা নামঘৰৰ নিৰ্মীয়মান অৱস্থাত মণিকুটসহ নতুন আৰ চি চি গৃহকে ধৰি নামঘৰৰ উন্নয়ন, আগন্তুক বাৰ্ষিক হোমাহুতি উৎসৱ অনুষ্ঠিত কৰাকে ধৰি কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। আনহাতে ভোগালী বিহুৰ লগত সংগতি ৰাখি শিশুৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয়।

# বালিশিয়া ভালুকধৰা গাঁৱত পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত দ্বাদশ বাৰ্ষিক ভোগালী বিহুৰ সফল সামৰণি

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৫ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ বালিশিয়া ভালুকধৰা গাঁৱত উদ্‌যাপন কৰা দ্বাদশ বাৰ্ষিক ভোগালী বিহুৰ সমূহ অনুষ্ঠান আজি উৎসৱমুখৰ পৰিৱেশৰ মাজতে সফলভাৱে সামৰণি পৰে। বিগত বৰ্ষসমূহৰ দৰে এই বৰ্ষতো গাঁওবাসীৰ সহযোগিতা আৰু বালিশিয়া ভালুকধৰা ভোগালী বিহু সন্মিলনৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে প্ৰাক ভোগালী বিহু আয়োজন কৰা হৈছিল। এই বৰ্ষৰ প্ৰাক ভোগালী অনুষ্ঠান অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী প্ৰয়াত জুবিন গাৰ্গৰ স্মৃতিত উৎসৰ্গিত কৰা হয়। গাঁওবাসী আৰু সাংস্কৃতিকপ্ৰেমী ৰাইজে একেলগে মিলিত হৈ এই মহান শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনাই বিভিন্ন অনুষ্ঠানৰ জৰিয়তে তেওঁৰ স্মৃতি সজীৱ কৰি তোলে। পাঁচদিন ধৰি অনুষ্ঠিত হোৱা এই উৎসৱত লোকসংগীত, বিহুনৃত্য, কণ্ঠসংগীত, শিশু আৰু যুৱক-যুৱতী সকলৰ মাজত খেল-ধেমালিৰ লগতে বিভিন্ন প্ৰতিযোগিতা, সাংস্কৃতিক সন্ধ্যা আৰু বিভিন্ন সামাজিক কাৰ্যসূচীয়ে উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। কাৰ্যসূচীৰ অন্তিম দিনটোত আয়োজন কৰা সামৰণি অনুষ্ঠানত স্থানীয় গণ্যমান্য ব্যক্তি, সমাজকৰ্মী আৰু ৰাইজে অংশগ্ৰহণ কৰে। উদ্যোক্তা সমিতিয়ে আগন্তুক দিনতো অসমীয়া কৃষ্টি-সংস্কৃতি সংৰক্ষণ আৰু বিহুৰ পৰম্পৰা জীয়াই ৰাখিবলৈ এই ধৰণৰ অনুষ্ঠান অব্যাহত ৰখাৰ সংকল্প প্ৰকাশ কৰে। এইদৰে ভাতৃত্ববোধ, ঐক্য আৰু সাংস্কৃতিক চেতনাৰে পৰিপূৰ্ণ হৈ বালিশিয়া ভালুকধৰা গাঁৱত দ্বাদশ বাৰ্ষিক ভোগালী বিহুৰ অনুষ্ঠানসমূহ সাফল্যৰ সৈতে সমাপ্ত হয়। আজি সংবাদ মাধ্যমৰ আগত এই কথা সদৰি কৰিলে স্থানীয় সমাজকৰ্মী ৰোহিনী কেউট দেৱে।

১০ লক্ষাধিক টকাৰো অধিক মূল্যৰ সামগ্ৰী চুৰি

# দেৰগাঁৱত ভয়ংকৰ চুৰিকাণ্ড

**অসম বাৰ্তা, দেৰগাঁও, ১৫ জানুৱাৰী ঃ** ভোগালী বিহুৰ দিনাই দেৰগাঁৱত ভয়ংকৰ চুৰিকাণ্ড। দেৰগাঁও আৰক্ষী থানাৰ পৰা দুই কিলোমিটাৰ ভিতৰতে ৰাজাবাহাৰ গাঁৱত চোৰে চলাইছে ভয়ংকৰ অভিযান। উল্লেখ্য যে, অঞ্চলটোৰ দয়ানন্দ বৰা আৰু দিপালী শইকীয়া বৰা নামৰ ব্যক্তি দুজনৰ পৰিয়ালৰ ঘৰত সংঘটিত হৈছে এই ঘটনাটো। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে লুটিলে ১০ লক্ষাধিকৰো অধিক সম্পত্তি। সোণৰ গহনা, পাটৰ কাপোৰ, কাঁহৰ কাঁহী-বাটি, শৰাই-সঁফুৰাৰ পৰা আৰম্ভ কৰি বাথৰুমৰ অত্যাধুনিক সামগ্ৰীলৈকে সকলো চুৰি কৰিলে চোৰে। বুধবাৰে পুৱা গুৱাহাটীলৈ যোৱা গৃহস্থ নিশা ঘৰলৈ ঘূৰি আহি থকাৰ সময়তে ঘৰটোৰ ওপৰ মহলাত থকা ভাৰাতীয়াই তেওঁলোকক এই চুৰিৰ খবৰ দিয়ে নিশাই দেৰগাঁও আৰক্ষী উপস্থিত হৈ আৰম্ভ কৰিছে তদন্ত। জানিব পৰা মতে, বুধবাৰে দিনৰ ভাগতে ঘটিল চুৰিকাণ্ড আৰু নিশা পোহৰলৈ আহিছে। দেৰগাঁৱত এতিয়া সাধাৰণ লোকৰ সা-সম্পত্তিৰ নাই কোনো নিৰাপত্তা। ঘটনাক লৈ তীব্ৰ চাঞ্চল্য সমগ্ৰ দেৰগাঁৱত।

দুজন গুৰুতৰভাৱে আহত

# পুৰণিগুদামত ভয়ংকৰ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৫ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পুৰণিগুদাম গড়মূৰৰ ১২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, এন-এল- ০১-এ- জি- ৫৯৩১ নম্বৰৰ এখন তীব্ৰবেগী ডাম্পাৰে এ-এছ-০১-দি-এ'- ৫৩৭৩নম্বৰৰ এখন আই টেন বাহনত খুন্দা মৰাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত দীৰ্ঘসময় ধৰি দুৰ্ঘটনাগ্ৰস্ত আই টেন বাহনখনতেই আৱদ্ধ হৈ থাকে বাহনখনৰ গৰাকীসহ আন এজন ব্যক্তি। আনহাতে, ঘটনা সংঘটিত কৰিয়েই ডাম্পাৰখনৰ চালকে পলায়ন কৰে। দুৰ্ঘটনাটোৰ ফলত আই টেন বাহনৰ চালকসহ আন এগৰাকী ব্যক্তি গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত দুৰ্ঘটনাগ্ৰস্ত আই টেন বাহনখনত দীৰ্ঘসময় ধৰি আৱদ্ধ হৈ থকা দুয়োগৰাকী আহত ব্যক্তিক আৰক্ষীয়ে জে চি বিৰ জৰিয়তে গাড়ী ভাঙি বাহিৰলৈ উলিয়াই আনি চিকিৎসালয়লৈ প্ৰেৰণ কৰে। দুৰ্ঘটনাটোৰ ফলত পুৰণিগুদাম গড়মূৰৰ ৰাষ্ট্ৰীয় ঘাইপথত বহুসময় ধৰি তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। উল্লেখযোগ্য যে, পুৰণিগুদামৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটোত থকা ক্ৰছিং লাইন সমূহত ইয়াৰ পূৰ্বেও কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈছে। উক্ত পথ দুৰ্ঘটনা সমূহত কেইবাজনো লোক নিহত হোৱাৰ লগতে আন কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈছিল। চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথটো নিৰ্মাণৰ বিসংগতিৰ বাবে উৰিয়াগাঁৱৰ পৰা কলিয়াবৰ পৰ্যন্ত সমগ্ৰ পথছোৱাত পথ দুৰ্ঘটনা সংঘটিত হৈ আছে বুলি স্থানীয় একাংশ ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে।

বিধানসভাৰ বিৰোধী দলপতি

দেৱব্ৰত শইকীয়া অসমৰ সংখ্যালঘু মুছলমান বিৰোধী ঃ ৰেজাউল কৰিম সৰকাৰ



**অসম বাৰ্তা, লেংটিছিঙা, ১৫ জানুৱাৰী ঃ** দেৱব্ৰত শইকীয়া আৰু প্ৰদ্যুৎ বৰদলৈ বিজেপিৰ এজেণ্ট। এই মন্তব্য আমছুৰ প্ৰাক্তন সভাপতি তথা সদ্য কংগ্ৰেছ ত্যাগী ৰেজাউল কৰিম সৰকাৰৰ। আমছুৰ প্ৰাক্তন সভাপতি ৰেজাউল কৰিম সৰকাৰে যোৱা কেইদিনমান আগতে গুৱাহাটী ৰাজীৱ ভৱনত গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছত আনুষ্ঠানিক ভাৱে যোগদান কৰি প্ৰথমটো ৰাজনৈতিক ভাষণত বৰ অসম, সমন্বয়ৰ অসম আৰু এখন সমৃদ্ধিশালী অসমৰ কথা কৈছিল। অসমৰ এক কৌটি সংখ্যালঘু মুছলমানক যোৱা ২০ বছৰ ধৰি নেতৃত্ব দিয়া সংখ্যালঘু মুছলমানৰ জাতীয় নায়ক হিচাপে পৰিচিত ৰেজাউল কৰিম সৰকাৰৰ বিৰুদ্ধে নিজ দলৰে গৌৰৱ গগৈ, দেৱব্ৰত শইকীয়া আৰু প্ৰদ্যুৎ বৰদলৈয়ে অপমান সূচক মন্তব্য কৰাৰ বাবে আজি কংগ্ৰেছৰ পৰা পদত্যাগ কৰে ৰেজাউল কৰিম সৰকাৰে। ৰেজাউলে আজি কংগ্ৰেছ ত্যাগ কৰাৰ খবৰ বিয়পি পৰাৰ লগে লগে প্ৰীয় নেতা গৰাকীক আদৰিবলৈ সংখ্যালঘু সম্প্ৰদায়ৰ ৰাজনৈতিক ৰাজধানী ৰূপে পৰিচিত লেংটিছিঙা বজাৰত আজি সন্ধিয়াত সমবেত হয় হেজাৰ হেজাৰ ৰাইজ। উক্ত সভাতেই ৰেজাউলে আজীৱন সংখ্যালঘু সম্প্ৰদায়ৰ হকে মাত মাতি যোৱাৰ উপৰিও আগন্তুক নিৰ্বাচনত সংখ্যালঘু সম্প্ৰদায়ৰ হকে মাত মাতিব পৰা দক্ষতা থকা ব্যাক্তিক নিৰ্বাচন কৰাৰ আহ্বান জনায়।

'য়ুটেস্ক'ৰ উদ্যোগত আয়োজিত মহোৎসৱত ৰূপায়িত হ'ব বাৰেৰহনীয়া সাংস্কৃতিক আৰু বৌদ্ধিক কাৰ্যসূচী

# ১৮-২২ জানুৱাৰীলৈ শদিয়াৰ হলৌগাঁৱত (ফ্ৰাচেংমুং শদিয়াখোৱা গোহাঁই ক্ষেত্ৰ) চতুৰ্থ টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৫ জানুৱাৰী ঃ** অসম তথা উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা টাই জনগোষ্ঠীসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু আত্মীয়তা সৰলীকৰণৰ জৰিয়তে টাইসকলৰ মাজত অখণ্ডতা ৰক্ষা কৰাৰ উপৰিও নিজৰ নিজৰ সাংস্কৃতিক ঐতিহ্য তথা সামাজিক পৰম্পৰাৰ পুন: প্ৰচলন আৰু সুৰক্ষা প্ৰদান তথা ভাষা-কৃষ্টিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে টাই জনগোষ্ঠীসমূহৰ সামাজিক মৰ্য্যাদা আৰু ৰাজনৈতিক অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে তথা উত্তৰ-পূৰ্বাঞ্চলৰ টাই জনগোষ্ঠীসমূহৰ সাংস্কৃতিক-সামাজিক প্ৰতিনিধিৰ দ্বাৰা গঠিত 'সংযুক্ত টাই জনগোষ্ঠীয় সামাজিক-সাংস্কৃতিক সংঘ', চমুকৈ 'য়ুটেস্ক' (United Tai Ethnic Socio-Cultural Organisation) ৰ উদ্যোগত শদিয়াবাসীৰ সহযোগত আৰু হলৌগাঁও-তেলিকলাবাসীৰ আতিথ্যত ১৮-২২ জানুৱাৰী, ২০২৬ তাৰিখলৈ পাঁচদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে ঐতিহাসিক শদিয়াৰ হলৌগাঁৱৰ ফ্ৰাচেংমুং শদিয়াখোৱা গোহাঁই ক্ষেত্ৰ (এলেংমৰা পথাৰ)ত টাই জনগোষ্ঠীসমূহৰ উমৈহতীয়া বৃহৎ সমাৰোহ চতুৰ্থ টাই জনগোষ্ঠীয় সাংস্কৃতিক মহোৎসৱ -২০২৬ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। অতি পুৰণি কালৰে পৰা বিশেষকৈ টাই আহোম আৰু টাই

## এলেংমাৰি পথাৰত উখল-মাখল পৰিৱেশ

খামতিসকলে বসবাস কৰি অহা লুইতৰ পাৰৰ ঐতিহাসিক শদিয়াত উদ্‌যাপন কৰিবলৈ লোৱা এই মহোৎসৱখনিৰ জৰিয়তে অন্যতম এক ঐতিহাসিক ক্ষণৰ সাক্ষী হোৱাৰ সুযোগ লাভ কৰাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ টাই জনগোষ্ঠীসমূহ যেনে - টাই আহোম, টাই খামতি, টাই ফাকে, টাই খাময়াং, টাই আইতন, টাই তুৰুং, টাই লাই আৰু বিশ্বৰ বিশেষকৈ দক্ষিণ-পূব এছিয়াত সিচৰতি হৈ থকা টাই জনগোষ্ঠীসমূহৰ স'তে অঞ্চলটোৰ টাই জনগোষ্ঠীসমূহৰ যোগাযোগ আৰু সম্পৰ্ক ৰক্ষাৰ জৰিয়তে সমন্বয় সাধন ঘটিব। জনগোষ্ঠীয় বনভোজ, বাণিজ্য মেলা, খাদ্য মেলা, সাজ-পাৰ মেলা, উদ্ভিদ উদ্যান, সংস্কৃতি প্ৰদৰ্শন, সাংস্কৃতিক শোভাযাত্ৰা, সাংস্কৃতিক সন্ধিয়া আদি তথা বাৰেৰহনীয়া সাংস্কৃতিক আৰু বৌদ্ধিক কাৰ্য্যসূচীৰ লগতে ডেকাশক্তিক উজ্জীৱিত কৰি টাই আহোমৰ জাতীয় সুৰক্ষাৰ প্ৰতীকস্বৰূপ হেংদানৰ জাতীয় স্বীকৃতিৰ বাবেও বিশেষ কাৰ্য্যসূচী ৰূপায়ণ হোৱাৰ লগতে টাই জনগোষ্ঠীসমূহৰ সমস্যা আৰু ঐতিহ্যৰ সম্পৰ্কত আলোচনা কৰিবলৈ এক গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী 'বৰ চ'ৰা' (আলোচনা চক্ৰ) শীৰ্ষক কাৰ্য্যসূচীৰ উপৰিও টাই যুৱ বাহিনীৰ দ্বাৰা অভিবাদন অনুষ্ঠান, মিতিৰ মেল (ঐতিহাসিক মিতিৰ সমাৱেশ) ও অনুষ্ঠিত হব। টাই মহাশক্তিৰ উত্থানৰ পথত এইবাৰৰ এই টাই মহোৎসৱ বিশেষ তাৎপৰ্যপূৰ্ণ হৈ উঠিব বুলি উদযাপন সমিতিয়ে আশা প্ৰকাশ কৰাৰ লগতে মহোৎসৱত সমগ্ৰ শদিয়াবাসীক ধনে-জনে, বলে-বীৰত্বৰে, চিন্তন-কৰ্ষণেৰে সহযোগ কৰিবলৈ বিনম্ৰতাৰে আহবান জনাইছে।

অন্য দলৰ শতাধিকৰ কৰ্মীয়ে যোগ দিব কংগ্ৰেছত

# কাইলৈ মুকালমুৱাত গৌৰৱ গগৈৰ সভা; উৎসাহী কংগ্ৰেছ কৰ্মী

**অসম বাৰ্তা, দৌলাশাল, ১৫ জানুৱাৰী ঃ** পৰহি অৰ্থাৎ ১৭ জানুৱাৰীত নলবাৰীৰ মুকালমুৱালৈ আহিব অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। মূলত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰিয়েই ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিলৈ আহিব অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। বৰক্ষেত্ৰী ব্লক যুৱ কংগ্ৰেছৰ সভাপতি কাৰ্তিক তালুকদাৰে সদৰী কৰা অনুসৰি বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ দুই সহস্ৰাধিক নেতা-কৰ্মীৰে সভাত অংশ ল'ব গৌৰৱ গগৈয়ে। মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত থকা ৰাজহুৱা মঞ্চত ১৭ জানুৱাৰীত দিনৰ ২ বজাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ বৰক্ষেত্ৰীৰ নেতা-কৰ্মীৰে আগন্তুক বিধানসভা নিৰ্বাচন সম্পৰ্কত মিলিত হ'ব গৌৰৱ গগৈ। ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিলৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীৰ আগমনক লৈ উৎফুল্ল হৈ পৰিছে কংগ্ৰেছ কৰ্মীসকল। ইতিমধ্যেই কৰ্মীসভা সফল কৰাৰ উদ্দেশ্যৰে বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ সভাপতি পৰীক্ষিত দাসে সঘনাই অনুষ্ঠিত কৰি আহিছে ইখনৰ পিছত সিখন বৈঠক। ব্লক কংগ্ৰেছৰ নেতৃত্বই মুকালমুৱাস্থিত ৰাজীৱ ভৱন, কাপলাবড়িস্থিত বিধায়ক দিগন্ত বৰ্মনৰ বাসগৃহত পৃথকে পৃথকে অনুষ্ঠিত কৰিছে বৈঠক। ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনৰ স'তেও বৰক্ষেত্ৰী ব্লক কংগ্ৰেছৰ নেতৃত্বই বৈঠক অনুষ্ঠিত কৰি বেনাৰ, পোষ্টাৰ, হৰ্ডিং আদি সাজু কৰি ৰাখিছে। জানিব পৰা অনুসৰি সভাত গৌৰৱ গগৈৰ উপস্থিতিত বিভিন্ন ৰাজনৈতিক আৰু অৰাজনৈতিক দলৰ দুই শতাধিক কৰ্মীয়ে কংগ্ৰেছত যোগদান কৰিব। এই কৰ্মীসভাতেই অসম প্ৰদেশ কংগ্ৰেছৰ কেইবাজনো শীৰ্ষ পৰ্যায়ৰ নেতৃত্ব উপস্থিত থাকিব। ভোটাৰ তালিকা বিশেষ সংশোধনীৰ চলেৰে ৩৮নং বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰক্ষেত্ৰীৰ চৰাঞ্চলৰ ১৭ হাজাৰতকৈও অধিক সংখ্যালঘু লোকলৈ নিৰ্বাচন আয়োগে জাননী জাৰি কৰা বিষয়টো সন্দৰ্ভতো বৰক্ষেত্ৰীৰ নেতৃত্বৰে আলোচনাত মিলিত গৌৰৱ গগৈয়ে।

সন্দেহজনক ড্ৰাগছসহ ১৫টা এটিএম কাৰ্ড উদ্ধাৰ আৰক্ষীৰ; মোবাৰক জেল হাজোতলৈ প্ৰেৰণ

# মাণিকপুৰ আৰু বিজনী আৰক্ষীৰ অভিযানত মোবাৰক হুছেইনক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, কোকিলা, ১৫ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ভাণ্ডাৰাৰ পৰা মোবাৰক হুছেইন নামৰ এগৰাকী যুৱকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। জানিব পৰা মতে যোৱা ৫ জানুৱাৰী তাৰিখে নিশা প্ৰায় ১১-৩০ বজাত বিজনী আৰু মাণিকপুৰ আৰক্ষীয়ে যৌথভাৱে অভিযান চলাই বঙাইগাঁও জিলাৰ মাণিকপুৰ আৰক্ষী থানাৰ অন্তৰ্গত ২ নং ভাণ্ডাৰাৰ পৰা মোবাৰক হুছেইনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মোবাৰক হুছেইনৰ বিৰুদ্ধে আৰক্ষীৰ হাতত আছিল গুৰুতৰ অভিযোগ। গ্ৰেপ্তাৰ কৰাৰ পিছত মোবাৰক হুছেইনৰ ঘৰত তালাচীৰ সময়ত মোবাৰক ঘৰৰ পৰা সন্দেহযুক্ত ৩টা ড্ৰাগছৰ কণ্টেনাৰৰ লগতে ১৫টা এটিএম কাৰ্ড উদ্ধাৰ কৰে আৰক্ষীয়ে। জানিব পৰা মতে এবছৰ পুৰণি গোচৰত জড়িত হৈ দীৰ্ঘদিন ধৰি পলাতক হৈ আছিল মোবাৰক হুছেইন। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা মোবাৰক হুছেইনক জেল হাজোতলৈ প্ৰেৰণ কৰে।

# শুকুৰবাৰৰ পৰা ছয়গাঁও ক্ৰিকেট ক্লাৱৰ সৌজন্যত তৃতীয় বাৰ্ষিক দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতাৰ বিশাল আয়োজন

## সংবাদমেলৰ আয়োজন

**অসম বাৰ্তা, ছয়গাঁও, ১৫ জানুৱাৰী ঃ** ছয়গাঁও ক্ৰিকেট ক্লাৱৰ সৌজন্যত তৃতীয় বাৰ্ষিক দিবা-নৈশ ক্ৰিকেট প্ৰতিযোগিতা অহা কালি অৰ্থাৎ ১৬ জানুৱাৰীৰ পৰা ১৭, ১৮ আৰু ১৯ জানুৱাৰীলৈ চাৰিদিনীয়া কাৰ্যসূচীৰে ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হব বুলি সংবাদমেলযোগে আজি জানিবলৈ দিয়ে উপদেষ্টা ধীৰাজ মেধি, তপন দাস, সভাপতি ৰতন পাঠক, সম্পাদক চালিম মালিক আলী আৰু সহ সাধাৰণ সম্পাদক সুজিত কলিতাই। কাইলৈ প্ৰথম দিনা পুৱা ৯ বজাত বন্তি প্ৰজ্বলন কৰিব ছয়গাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা কল্যাণী মহন্ত শালৈয়ে। ক্লাৱৰ পতাকা উত্তোলন কৰিব উত্তোলন কৰিব ছয়গাঁও ক্ৰিকেট ক্লাবৰ সভাপতি ৰতন পাঠকে। বৃক্ষ ৰোপণ কৰিব ছয়গাঁও ক্ৰীড়া সন্থাৰ সভাপতি অম্বিকা প্ৰসাদ দেৱ শৰ্মা, ছয়গাঁও প্ৰেছ ক্লাৱৰ সভাপতি সুকুমাৰ মেধি, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰেণু দাসে। সন্ধিয়া জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব ছয়গাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱৰাই। সাংস্কৃতিক মঞ্চৰ বন্তি প্ৰজ্বলন কৰিব চক্ৰ বিষয়া চিৰঞ্জীত দাসে। সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। তাৰ পিছতে সন্ধিয়া ৬বজাত প্ৰথম দিনাৰ খেল উদ্বোধন কৰিব আই পি এল খেলুৱৈ আবু নেচিম আহমেদে। অহা ১৯ জানুৱাৰীলৈ চলিব লগীয়া এই খেলৰ প্ৰথম পুৰস্কাৰ বিজেতাক ১, ২০, ০০০ লাখ, দ্বিতীয় পুৰস্কাৰ বিজেতাক ৭০, ০০০ হাজাৰ টকা আৰু মেন অফ দ্যা ছিৰিজ লাভ কৰোঁতাক খেলৰ চাইকেল এখন প্ৰদান কৰা হ'ব। ইতিমধ্যে প্ৰায় ৪০টা অসমৰ বিভিন্ন প্ৰান্তৰৰ দলে কমিটিৰ লগত যোগাযোগ ৰাখিছে।

# ৫৫ নং ধিং বিধানসভা সমষ্টিৰ ধূপগুৰিত এআইইউডিএফৰ নিৰ্বাচনী মুখ্য প্ৰচাৰ কাৰ্যালয় শুভ উদ্বোধন আৰু অধিকাৰ যাত্ৰা




**অসম বাৰ্তা, টুকটুকী, ১৫ জানুৱাৰী ঃ** নগাঁও জিলাৰ ৫৫নং ধিং বিধানসভা সমষ্টিৰ অন্তৰ্গত ধুপগুৰীত আজি এ আই ইউ ডি এফৰ নিৰ্বাচনী মুখ্য প্ৰচাৰ কাৰ্যালয়ৰ শুভ উদ্বোধন আৰু অধিকাৰ যাত্ৰা অনুষ্ঠিত হয়। নিৰ্বাচনী মুখ্য প্ৰচাৰ কাৰ্যালয়ৰ শুভ উদ্বোধন কৰাৰ পিছতেই ধিং সমষ্টিৰ প্ৰাৰ্থীত্বৰ প্ৰত্যাশী মতিউৰ ৰহমানৰ সভাপতিত্বত এখন সভাও অনুষ্ঠিত হয়। ইয়াৰ পিছতেই ধিং বিধানসভা সমষ্টিৰ উদ্যোগত এক অধিকাৰ যাত্ৰা অনুষ্ঠিত হয়। এই অধিকাৰ যাত্ৰাটো ধূপগুৰিৰ পৰা কদমণিলৈ অনুষ্ঠিত হয়। এই অধিকাৰ যাত্ৰাটোত এ আই ইউ ডি এফৰ একাংশ কৰ্মীয়ে হাতত প্লে' কাৰ্ড লৈ স্বদেশী মুছলমানক বিদেশী সজোৱা ষড়যন্ত্ৰ বন্ধ কৰক, বিদেশীৰ নামত ভাৰতীয় মুছলমানৰ ওপৰত অত্যাচাৰ বন্ধ কৰক, অধিকাৰ আমাৰ, যুঁজ এ আই ইউ ডি এফৰ বৈষম্য নহয়, সমতা লাগে, বিদেশী ন্যায়াধিকৰণৰ হঠকাৰিতা বন্ধ কৰক, উচ্ছেদিত ভূমিহীন ভাৰতীয় নাগৰিক সকলক ক্ষতি পুৰণসহ পুনঃ সংস্থাপন নিশ্চিত কৰক, এ আই ইউ ডি এফ জিন্দাবাদ, বদৰ উদ্দিন আজমল জিন্দাবাদ আদি ধ্বনিৰে ধূপগুৰি-কদমণিৰ আকাশ- বতাহ কঁপাই তোলে। আজিৰ এই অধিকাৰ যাত্ৰাটোত ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম, চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইন, কেন্দ্ৰীয় কমিটিৰ সাধাৰণ সম্পাদক চম্পক কলিতা আৰু লাহৰিঘাট সমষ্টিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ছিদ্দিক আহমেদৰ লগতে এ আই ইউ ডি এফৰ কেন্দ্ৰীয় সমিতি আৰু জিলা সমিতিৰ একাংশ বিষয়-ববীয়া সকল উপস্থিত আছিল।

## এনভিলৰ উদ্যোগত পৰ্বতীয়াত মাঘ বিহুত ক্ৰীড়া প্ৰতিযোগিতা

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৫ জানুৱাৰী ঃ** এনভিল ছ'চিয়েল ৱেলফেয়াৰৰ উদ্যোগত মাঘ বিহুৰ দিনা পৰ্বতীয়া গাঁৱৰ সদাৰ চুকৰ খেতি পথাৰত ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। পৰ্বতীয়া গাঁও যুৱক-যুৱতীসকলৰ সহযোগত অনুষ্ঠিত পৌৰাণিক খেল-ধেমালি প্ৰতিযোগিতাত অঞ্চলটোত বহুসংখ্যক বিভিন্ন বয়সৰ লোকে অংশগ্ৰহণ কৰি পুৰস্কাৰ লাভ কৰে। তদুপৰি দৰ্শকৰূপেও বহুসংখ্যক লোক উপস্থিত হৈ পৌৰাণিক দিনৰ খেল-ধেমালি প্ৰত্যক্ষ কৰি উপকৃত হয়। প্ৰতিবছৰে এই প্ৰতিযোগিতা গাঁওখনত অনুষ্ঠিত কৰি আহিছে। আৰু কৰি থাকিব বুলি যুৱক-যুৱতীসকলক প্ৰতিশ্ৰুতি বদ্ধ। প্ৰতিযোগিতা স্থলীতে ভেলাঘৰ সাজি ভোজ-ভাত খোৱাৰ লগতে মেজি জ্বলায়। ইফালে, সাহপুৰীয়া গাঁৱত ১৯৭০ চনৰপৰা ধাৰাবাহিকভাৱে পালন কৰি অহা ভোগালী বিহুস্থলীত প্ৰতিষ্ঠাপকসকলক এই বছৰ সম্বৰ্ধনা জ্ঞাপন কৰে।

❑ সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সংবাদমেল ❑

# ৰাভা জনগোষ্ঠীৰ অন্যতম লোকনৃত্য ছাথাৰ নৃত্যক বিকৃত কৰাৰ অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬ জানুৱাৰী ঃ** "মন খালোং আপী তোক" শীৰ্ষক এটি দৃশ্যশ্ৰব্য কেছেটত ৰাভা জনগোষ্ঠীৰ প্ৰধান জাতীয় উৎসৱ "বায়খো"ত ব্যৱহৃত "ছাথাৰ" নৃত্যক শিল্পী লিয়ান প্ৰিঞ্চ আৰু বিমল বৰাই বিকৃতকৰণ কৰি সামাজিক মাধ্যম তথা ইউটিউবত উপস্থাপন কৰি প্ৰচাৰ কৰা কাৰ্যত ক্ষোভিত হৈ পৰিছে সদৌ ৰাভা কৃষ্টি সন্মিলন। আজি সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক কুমাৰ পাম আৰু সম্পাদক কামেশ্বৰ ৰাভা দয়নাংএ আয়োজন কৰা এক প্ৰেছ বিবৃতিত কয় যে-নিজা ভাষা কৃষ্টি সংস্কৃতি ঐতিহ্যৰে মহিমা মণ্ডিত ৰাভা জনগোষ্ঠীৰ অন্যতম লোকনৃত্য "ছাথাৰ নৃত্যক" ব্যৱসায়িক স্বাৰ্থত বিকৃত কৰি আধুনিকীকৰণৰ নামত নিজা ৱবীয়াকৈ উপস্থাপন কৰি সামাজিক মাধ্যমত প্ৰচাৰ কৰাত সদৌ ৰাভা কৃষ্টি সন্মিলনে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে অতিশীঘ্ৰে এই নৃত্যক সামাজিক মাধ্যমৰ পৰা আঁতৰাই দিয়াৰ বাবে আহ্বান জনায়। অন্যথা সদৌ ৰাভা কৃষ্টি সন্মিলনে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলি সকিয়াই দিয়ে। প্ৰেছ বিবৃতিৰ জৰিয়তে তেওঁলোকে পুনৰ কয় যে, সংস্কৃতিৰ পৰিবৰ্ধন হওক, পৰিবৰ্তন তথা আধুনিকীকৰণৰ নামত ধ্বংস নহওক। ৰাভা জনগোষ্ঠীৰ কোনো লোকনৃত্যৰ বিষয়বস্তুৰ প্ৰতি গুৰুত্ব আৰোপ নকৰি শিল্পী সকলে কেৱল মাত্ৰ ব্যৱসায়িক চিন্তাৰে বিভিন্ন সাংস্কৃতিক মঞ্চত ৰাভা সাজ-পোচাক পৰিধান কৰি নিজ ভংগিমাৰে ৰাইজক আমোদ দিয়াৰ বাবে যেন চেষ্টা নকৰে। ৰাভা লোক-কৃষ্টিক বিশ্ব দৰবাৰলৈ যোৱাৰ বাবে সকলোৱে আগবাঢ়ি আহিব পাৰে কিন্তু তাক বিকৃত নকৰি মাৰ্জিত ৰূপত উপস্থাপন কৰিব লাগে। অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰ প্ৰাপ্ত উপ-সঞ্চালক তথা সাংস্কৃতিক কৰ্মী মুকুল ৰাভা সংবাদ মেলত উপস্থিত থাকি ছাথাৰ নৃত্যক বিকৃতকৰণৰ বিষয়টোক গৰিহণা দিয়ে। সদৌ ৰাভা কৃষ্টি সন্মিলনে আন ৰাভা জাতীয় সংগঠন সমূহকো এই বিষয়ত পদক্ষেপ লবলৈ আহ্বান জনায়। উল্লেখ্য যে এই প্ৰেছ বিবৃতিৰ পিচতেই দৃশ্যশ্ৰাব্য কেছেটখনত অভিনয় কৰা জনপ্ৰিয় অভিনেতা গায়ক পুলক নিশাচৰে ছাথাৰ নৃত্যত ভুলকৈ অভিনয় কৰাৰ বাবে দুখ প্ৰকাশ কৰি ৰাভা ৰাইজক ক্ষমা বিচাৰে।

## শিৱসাগৰ জিলা ভিত্তিত ষষ্ঠ বাৰ্ষিক নাওখন প্ৰতিযোগিতা

**অসম বাৰ্তা, নামতি, ১৫ জানুৱাৰী ঃ** শিল্পী দিৱসৰ লগত সংগতি ৰাখি শিৱসাগৰ জিলাভিত্তিত ষষ্ঠ বাৰ্ষিক পৰম্পৰাগত নাওখন প্ৰতিযোগিতা আৰু সন্ধিয়ালৈ অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ সোঁৱৰণীত সাংস্কৃতিক অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুসূচিত জাতি যুৱ ছাত্ৰ পৰিষদ অসম, নাজিৰা মহকুমা সমিতিৰ উদ্যোগত আমোলাপট্টি যুৱ সমাজ, ওপৰ নাজিৰা যুৱ সমাজ আৰু নাজিৰাবাসী ৰাইজৰ সহযোগত অহা ইংৰাজী ১৭ জানুৱাৰী ২০২৬ তাৰিখে শনিবাৰে নাজিৰা দিখৌ নদীৰ প্ৰাঙ্গণত আয়োজন কৰিছে। উক্ত দুয়োটা অনুষ্ঠানত সফল ৰূপায়ণৰ ক্ষেত্ৰত সকলো ৰাইজৰ সহায়-সহযোগিতা, দিহা পৰামৰ্শ কামনা কৰাৰ লগতে উপস্থিত থাকি সাফল্যমণ্ডিত কৰাত সহায় কৰিবলৈ আয়োজক সমিতিৰ সভাপতি দিলীপ হাজৰিকা আৰু সম্পাদক দিতুল দাসে অনুৰোধ জনাইছে।

# আকাশবাণী ডিব্ৰুগড়ৰ প্ৰথম প্ৰাশ্চাত্য সঙ্গীতৰ ঘোষিকা ফৌজিয়া ৰহমানৰ মৃত্যু, ডিব্ৰুগড়ত শোকৰ ছাঁ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ জানুৱাৰী ঃ** বিগত সত্তৰৰ দশকৰ পৰা চলিত শতিকাৰ প্ৰথম দশকলৈ আকাশবাণী ডিব্ৰুগডতৰ প্ৰাশ্চাত্য সংগীতৰ ইংৰাজী অনুষ্ঠানৰ ঘোষিকা হিচাপে সেৱা আগবঢ়াই যোৱা ফৌজিয়া ৰহমান (ইফি)ৰ আজি পুৱা গুৱাহাটীত মৃত্যু হয় ডিব্ৰুগড়ৰ আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰত সত্তৰৰ দশকৰ পৰা চলিত শতিকাৰ প্ৰথম দশকলৈ সেৱা আগবঢ়োৱা ফৌজীয়া ৰহমান আকাশবাণী ডিব্ৰুগড়ৰ দ্বাৰা প্ৰচাৰিত প্ৰাশ্চাত্য সংগীত অনুষ্ঠানৰ অন্যতম জনপ্ৰিয় এংকৰ আছিল ফাউজিয়া ৰহমান। শ্বিলঙৰ ছেইণ্ট মেৰী স্কুলত পঢ়া শুনা কৰা ৰহমান ইংৰাজী এংকৰ হিচাপে সমাজৰ সকলো শ্ৰেণীকে সন্মোহিত কৰিব পৰা অসাধাৰণ কণ্ঠ আৰু উপস্থাপনৰ বাবে তেওঁ বহুলভাৱে প্ৰশংসিত হৈছিল। তেওঁৰ সৃজনশীলতা, নিষ্ঠা আৰু আন্তৰিকতাৰ বাবে পৰিচিত ফৌজিয়া ৰহমানে ফিচাৰ লিখন, ৰেডিঅ' নাটক, তথ্যচিত্ৰ আৰু অনুষ্ঠান প্ৰযোজনাতো উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। নতুনকৈ স্থাপিত কেন্দ্ৰটোত সীমিত সা-সুবিধা থকা সত্ত্বেও তেওঁ আৰু তেওঁৰ সহকৰ্মীসকলে অবিৰতভাৱে নৱ নৱ উদ্ভাৱন কৰিছিল-বহু সময়ত হাতেৰে শব্দপ্ৰভাৱ সৃষ্টি কৰি-যাৰ ফলত নতুন দিল্লীৰ সঞ্চালক প্ৰধান কাৰ্যালয়ৰ পৰা আকাশবাণী বাৰ্ষিক বঁটাৰ জৰিয়তে স্বীকৃতি লাভ কৰিছিল। ৰেডিঅ'ৰ বাহিৰেও তেওঁ শিক্ষাক্ষেত্ৰত স্থায়ী অৱদান আগবঢ়াই ডিব্ৰুগড়ৰ প্ৰথমখন প্ৰিপাৰেটৰি বিদ্যালয় "সৃজন প্ৰি-স্কুল" প্ৰতিষ্ঠা কৰে, যিয়ে বহু প্ৰজন্মৰ কণমানি শিক্ষাৰ্থীক লালন-পালন আৰু পথ প্ৰদৰ্শন কৰিছিল। লগতে নব্বৈৰ দশকৰ শেষৰ ফালে প্ৰতিটো বিশেষ উপলক্ষৰ বাবে ঘৰত প্ৰস্তুত কৰা কেকৰ জৰিয়তে তেওঁ কেক প্ৰেমীসকলৰ মাজত এক জনপ্ৰিয় নাম হৈ পৰিছিল। তেওঁৰ মৃত্যুৰ সময়ত তেখেতৰ জীয়েক, বোৱাৰী আৰু পৰিয়ালৰ অন্যান্য সদস্যসকল জীৱিত আছে। শ্ৰোতা, সহকৰ্মী আৰু শুভাকাঙ্ক্ষীসকলৰ মাজৰ পৰা শোকবাৰ্তা আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁক এগৰাকী পথপ্ৰদৰ্শক, অভিভাৱকসদৃশ ব্যক্তিত্ব আৰু আকাশবাণীৰ এক অবিস্মৰণীয় কণ্ঠস্বৰ হিচাপে স্মৰণ কৰে। তেওঁ সৃষ্ট কৰা স্মৃতি, উপস্থাপন কৰা অনুষ্ঠানসমূহ আৰু ৰেডিঅ' আৰু শিক্ষাৰ মাধ্যমেৰে স্পৰ্শ কৰা অসংখ্য জীৱনৰ মাজেৰে তেওঁৰ অৱদান আৰু ঐতিহ্য চিৰদিন জীয়াই থাকিব। ৰাজ্যৰ সংগীতপ্ৰেমী, অনুৰাগীৰ লগতেই শিল্পীসকল তেওঁৰ মৃত্যুত গভীৰভাৱে শোকাহত হৈ পৰিছে। বহু অনুগামীৰ মাজত মৰমেৰে ইফি নামেৰে পৰিচিত ফাউজিয়াই সমগ্ৰ কেৰিয়াৰত অপৰিসীম জনপ্ৰিয়তা লাভ কৰিছিল। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ প্ৰয়াত ডাঃ আলফ্ৰেড ৰহমানৰ পত্নী ফাউজিয়া ৰহমানে ইহসংসাৰত কনিষ্ঠ কন্যা ফৰিয়াল ৰহমান আৰু বোৱাৰী জিনাতৰ লগতে নাতি নাতিনী ইহ সংসাৰত এৰি থৈ যায়। ২০২০ চনৰ আৰম্ভণিতে তেওঁৰ ডাঙৰ পুত্ৰ আৰ্ফিন ৰহমানৰ পৰলোক হয়। উল্লেখযোগ্য যে অভিজ্ঞ ৰেডিঅ' ঘোষক আৰু সাংস্কৃতিক প্ৰতীক ফৌজিয়া (ইফি) ৰহমান, কেবাটাও দশক ধৰি আকাশবাণী ডিব্ৰুগড়ৰ এক পৰিচিত আৰু অতিপ্ৰিয় কণ্ঠ হিচাপে পৰিচিত আছিল, আজি ৮৪ বছৰ বয়সত গুৱাহাটীস্থিত এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ কিছু মাহ ধৰি চিকিৎসাধীন অৱস্থাত আছিল আৰু কন্যাৰ সৈতে বাস কৰি আছিল। তেওঁৰ মৃতদেহ নিজ গৃহচহৰ ডিব্ৰুগড়লৈ অনা হ'ব, য'ত অন্তিম সংস্কাৰ সম্পন্ন কৰা হ'ব। ৰেডিঅ'ৰ প্ৰতি গভীৰ অনুৰাগ লৈ জন্মগ্ৰহণ কৰা ফৌজিয়া ৰহমানৰ সম্প্ৰচাৰ যাত্ৰা শৈশৱৰ পৰাই আৰম্ভ হৈছিল। কিংবদন্তি সংবাদ পাঠক মেলভিল ডি মেলোৰ পৰা অনুপ্ৰাণিত হৈ তেওঁ এই ক্ষেত্ৰত আগবাঢ়িছিল। শ্বিলঙৰ পাইণ মাউণ্ট স্কুলত লাভ কৰা প্ৰাৰম্ভিক শিক্ষাই, য'ত তেওঁ বাকপটুতা আৰু উচ্চাৰণৰ বিশেষ প্ৰশিক্ষণ লাভ কৰিছিল, তেওঁৰ উজ্জ্বল সম্প্ৰচাৰ জীৱনৰ ভেটি স্থাপন কৰিছিল। প্ৰয়াত ডাঃ আলফাৰিদ ৰহমানৰ সৈতে বিবাহ বন্ধনত আবদ্ধ হৈ অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়লৈ স্থানান্তৰিত হোৱাৰ পাছত, তেওঁ ১৯৬৯ চনত আকাশবাণীত ইংৰাজী ঘোষকৰ পদৰ বাবে আবেদন কৰে। লেপেটকাটাত অনুষ্ঠিত প্ৰতিযোগিতামূলক অডিশ্যনৰ পাছত তেওঁ নিৰ্বাচিত হয় আৰু এবছৰৰ ভিতৰতে নিয়মীয়া ঘোষক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ ২০০১ চনত আনুষ্ঠানিকভাৱে অৱসৰ গ্ৰহণ কৰে যদিও কেবাটাও আকাশবাণীত অস্থায়ী ঘোষক হিচাপে শেষলৈকে সেৱা আগবঢ়াই থাকে। ফৌজিয়া ৰহমানে অতি জনপ্ৰিয় অনুষ্ঠান 'লাঞ্চটাইম মেলডিজ' সঞ্চালনা কৰিছিল। এই অনুষ্ঠান প্ৰথমে সেনা জোৱান আৰু চাহ বাগিচাৰ কৰ্মীসকলৰ বাবে প্ৰস্তুত কৰা হৈছিল যদিও অতি শীঘ্ৰেই সাধাৰণ শ্ৰোতা, বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত অতিশয় জনপ্ৰিয় হৈ পৰে। কাইলৈ(১৭-১-২৬)দিনৰ ডেৰ বজাত নালিয়পুল কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হ'ব।

## ৫, ৬ আৰু ৭ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে সামৰণি অনুষ্ঠানৰ আয়োজন

# ঐতিহ্যমণ্ডিত দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্বশাসিত)ৰ মহাৰজত জয়ন্তীৰ লাইখুঁটা স্থাপন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৬ জানুৱাৰী ঃ** অসমৰ শৈক্ষিক ক্ষেত্ৰখনত অন্যতম উজ্জ্বল নক্ষত্ৰ হিচাপে চিহ্নিত হৈ অহা ঐতিহ্যমণ্ডিত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ে ইতিমধ্যে গৌৰৱময় ৭৫ বছৰীয়া সোণালী দিন অতিক্ৰম কৰিলে। বিগত বৰ্ষৰ পৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মহাবিদ্যালয়খনৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান হিচাপে অহা ৫, ৬ আৰু ৭ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি অব্যাহত আছে। এই উপলক্ষে আজি মহাবিদ্যালয়ৰ প্ৰাংগণত লাইখুঁটা স্থাপনৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোলাঘাট পৌৰসভাৰ সভানেত্ৰী দুলুমণি বৰবৰাই আনুষ্ঠানিকভাৱে এই লাইখুঁটা স্থাপন কৰি আগন্তুক মহাৰজত জয়ন্তীভাগ সুকলমে সম্পন্ন হোৱাৰ বাবে সৰ্বস্তৰৰ গোলাঘাটবাসী ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীৰ সহযোগিতা কামনা কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি, বিশিষ্ট শিক্ষাবিদ ড° নৃপেন বৰুৱাৰ সভাপতিত্বত আয়োজিত লাইখুঁটা স্থাপনৰ সভাত উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক, দেৱৰাজ ৰয় মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ ডীন, বিশিষ্ট সমাজকৰ্মী ড° দেৱজিৎ ফুকনে সামৰণি অনুষ্ঠানৰ বিস্তৃত পৰিকল্পনা সন্দৰ্ভত বিশদভাৱে অৱগত কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়াল, প্ৰাক্তন অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া, জ্যেষ্ঠ সাংবাদিক, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া দিগন্ত কুমাৰ ভূঞা, বিশিষ্ট শিক্ষাবিদ ড° বন্তিৰাণী গগৈ ফুকন, শিক্ষাবিদ তিলেশ্বৰ তামোলী, সমাজকৰ্মী পূৰ্ণ ৰাজখোৱা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি অভিৱৰ্তন গোস্বামী, অসম সাহিত্য সভাৰ বিষয়ববীয়া, গোলাঘাট পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰা, আটছা কেন্দ্ৰীয় সমিতিৰ সভাপতি জগদীশ বৰাইক, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ আদিকে ধৰি বিভিন্ন দল-সংগঠন, অনুষ্ঠান-প্ৰতিনিধি, বিশিষ্ট শিক্ষাবিদ আদি উপস্থিত থাকি শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। মহাৰজত জয়ন্তীৰ কাৰ্যসূচী অনুসৰি ৫ ফেব্ৰুৱাৰীৰ পুৱা ৭৫খন পতাকা উত্তোলন, স্মৃতি তৰ্পণৰ পাছত বিভিন্ন জাতি-জনগোষ্ঠীৰ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই গোলাঘাট নগৰ পৰিভ্ৰমণ কৰি মুখৰিত কৰিব। উক্ত দিনা বিজ্ঞান প্ৰদৰ্শনী, গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন, স্মৃতিগ্ৰন্থ উন্মোচন, ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব। দ্বিতীয় দিনাৰ কাৰ্যসূচীত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাৱেশ, নেতৃত্ব সন্মিলন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী আদি অনুষ্ঠিত হ'ব। ৭ ফেব্ৰুৱাৰীৰ মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, শিক্ষামন্ত্ৰী ড° ৰনোজ পেগু, মন্ত্ৰী অতুল বৰা, মন্ত্ৰী অজন্তা নেওগ, সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকন, দেৰগাঁও সমষ্টিৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়, গোলাঘাটৰ বীৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয় আৰু যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আদি উপস্থিত থাকিব। তিনিও দিনৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা তথা উপস্থিতি উদযাপন সমিতিৰ সভাপতি ড° নৃপেন বৰুৱা, কাৰ্যকৰী সভাপতি ড° পুতুল চন্দ্ৰ শইকীয়া আৰু যুটীয়া সম্পাদক ড° দেৱজিৎ ফুকনে আন্তৰিকতাৰে কামনা কৰিছে।

## জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি জ্ঞাপন

# কাপলাবড়ীত বিশাল সাংস্কৃতিক সন্ধিয়াৰ আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ ২ নং কাপলাবড়ী পাৰঘাট গনোপতি ক্লাৱ পৰিচালনা সমিতি আৰু ২ নং কাপলাবড়ী পাৰঘাট সমিতিৰ সৌজন্যত প্ৰথম বাৰ্ষিক সাংস্কৃতিক সন্ধিয়া আৰু বঁটা বিতৰণী সভা। নলবাৰী জিলাৰ কাপলাবড়ী পাৰঘাটত আজি ১৫ জানুৱাৰী বৃহস্পতিবাৰে দিনজোৰা কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক সাংস্কৃতিক সন্ধিয়া আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। ছুবাহান আলীক সভাপতি, সুকচান আলী আৰু হাফিজুৰ ৰহমানক উপ সভাপতি, ছাকাত আলী আৰু ৰফিক আলীক সাংস্কৃতিক সম্পাদক, জাহেৰ আলী আৰু তাজেৰ মাষ্টাৰক প্ৰচাৰ সম্পাদক, জাহিদুৰ আলীক সাধাৰণ সম্পাদক, ফৰমান আলীক সহ সম্পাদক, বাবু আলী আৰু মহৰুদ্দিনক ধন ভড়ালী, ময়েৰজান আৰু ৰফিকুল ইছলাম খেল সম্পাদক, হুছেইন আলী, ৰেজাউল হক আৰু ৰুবুল আলীক তত্ত্বাৱধায়ক হিচাপে লৈ গঠিত সমিতিয়ে জানিবলৈ দিয়া অনুসৰি ৰাতিপুৱা ৭ বজাত সমূহীয়া চাফাই কামৰ পিছতে ৮ বজাত পতাকা উত্তোলন, ৮.৩০ বজাত প্ৰয়াত গণশিল্পী তথা অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে গছপুলি ৰোপণ, ২ বজাত মুকলি সভা অনুষ্ঠিত হয়। সন্ধিয়া ৬.৩০ বজাত নৃত্য প্ৰতিযোগিতা অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে, নিশা মামণি আখতাৰ আৰু মামণি পাৰবিনৰ গীতেৰে বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী আয়ুব আলীয়ে। অনুষ্ঠানটিত অসম ৰাজ্যিক বিজেপিৰ সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক আমন্ত্ৰিত অতিথি তথা বিশিষ্ট সমাজকৰ্মী ছাদ্দাম দেৱানো উপস্থিত থাকে।

# লখিমপুৰত 'ভোগালী বিহু-পুষুণা' উপলক্ষে ৩১ গৰাকী শিক্ষাবিদ, কবি, সাহিত্যিক, সমাজ-সেৱী, চিত্ৰশিল্পী, ক্ৰীড়াবিদক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, লীলাবাৰী, ১৬ জানুৱাৰী ঃ** বিগত বৰ্ষসমূহৰ দৰেই বাপোতি সাহোন ভোগালী বিহু আৰু কোচ-ৰাজবংশী জনগোষ্ঠীৰ অন্যতম জাতীয় উৎসৱ 'পুষুণা' উপলক্ষত ১৪, ১৫ জানুৱাৰী অৰ্থাৎ মাঘ বিহু আৰু পহিলা মাঘৰ দিন দুটাত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ অন্তৰ্গত সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতি আৰু অসম বহুভাষিক কাব্য কানন, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ যুটীয়া উদ্যোগত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কাৰ্যকৰী সভাপতি, অসম বহুভাষিক কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি, অসম বহুভাষিক কাব্য কানন, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ সাধাৰণ সম্পাদক, যুৱ সাহিত্যিক কাব্যপ্ৰাণ ৰূপজ্যোতি দত্ত কোচৰ নেতৃত্বত এটি সঁজাতি দলে ৰাজ্যখনৰ লগতে লখিমপুৰ জিলালৈ শৈক্ষিক, কাব্য-সাহিত্য, কলা-সংস্কৃতি, বয়োজ্যেষ্ঠ, সমাজ সেৱা, ক্ৰীড়া, কৃষক-শ্ৰমিক আদি ক্ষেত্ৰখনৰ লগতে সমাজ জীৱন তথা জাতীয় জীৱনলৈ অনবদ্য অৱদান যোগাই সমৃদ্ধ কৰা ৩১ গৰাকী বৰেণ্য বয়োজ্যেষ্ঠ ব্যক্তিৰ ঘৰে-ঘৰে গৈ "মাঘ বিহু আৰু পুষুণাৰ উপলক্ষে কুশল-মঙ্গল কামনা শীৰ্ষক" এক বিশেষ কাৰ্যসূচী সফল ৰূপায়ণ কৰে। জাতি-ধৰ্ম, ভাষা-বৰ্ণ নিৰ্বিশেষে সমাজৰ সকলো অংশৰ বয়োজ্যেষ্ঠ বিশিষ্ট বৰেণ্য সকলৰ নিজ-নিজ গৃহৰ চোতালত গৈ উমাল পৰিৱেশত পৰিয়ালবৰ্গ, আত্মীয়-স্বজনৰ উপস্থিতিত অন্তৰঙ্গভাৱে কুশল-মঙ্গল কামনাৰে বাপোতি সাহোন ভোগালী বিহু আৰু কোচ-ৰাজবংশী জনগোষ্ঠীৰ অন্যতম জাতীয় উৎসৱ পুষুণাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। প্ৰতিনিধি দলটিয়ে কিছুসংখ্যক বৰেণ্যক দুৰভাষ যন্ত্ৰৰ জৰিয়তে ৰাজ্যখনৰ বিশিষ্ট চিন্তাবিদ ডাঃ মহেশ ডেকা, সংগীত শিল্পী, সাহিত্যিকদ্বয় পুণ্যলতা কোচ, ৰেহানা বানুৰ সৈতে মত-বিনিময় কৰোৱাই দি উৎসাহ-উদ্দীপনা যোগায়। এখনি ফুলাম গামোচা, চেলেং, থুৰিয়া তামোল অৰ্পনেৰে নিজ-নিজ গৃহৰ চোতালত উমাল পৰিৱেৰ্শত হাঁহি-ধেমালিৰে ভৰা আনন্দপূৰ্ণ ব্যতিক্ৰমধৰ্মী শুভেচ্ছামূলক বিশেষ কাৰ্যসূচীটোত বিশিষ্ট ব্যক্তি সকলে নিজৰ জীৱনৰ উল্লেখযোগ্য স্মৰণীয় মুহূৰ্তৰ কথা ব্যক্ত কৰাৰ লগতে গীত গাই, কবিতা আবৃত্তিৰে সকলোকে আপ্লুত কৰি তোলে। সম্বৰ্দ্ধনা গ্ৰহণ কৰি বৰেণ্য বিশিষ্ট ব্যক্তি সকলে সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতি, অসম বহুভাষিক কাব্য কানন, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ এনে পদক্ষেপ সমূহক ভূয়সী প্ৰশংসাৰে আগলৈও এনে পদক্ষেপ গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। কাৰ্যসূচীটিৰ প্ৰতিনিধি দলটিত সদৌ লখিমপুৰ জিলা কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ সভাপতি ছাত্ৰ নেতা কবি বিকাশ দত্ত, সহকাৰী সম্পাদক অকমান শইকীয়া, উপদেষ্টা বিপুল দত্ত, লখিমপুৰ জিলা বহুভাষিক কবি সন্মিলনৰ উপদেষ্টা শশীধৰ দেউৰী, জিলা কাৰ্যনিৰ্বাহক জুনাৰাম দেউৰী, নাগৰিক সমাজৰ সহকাৰী সম্পাদক ফাৰুক আহমেদকে প্ৰমুখ্য কৰি ভালেকেইগৰাকী শুভাকাংক্ষী ব্যক্তিয়ে কাৰ্যসূচী আৰম্ভণিৰ পৰা সমাপ্তিলৈকে উপস্থিত থাকি পূৰ্ণ সহযোগিতা আগবঢ়ায়।

## হোম যজ্ঞ, ধৰ্মীয় শোভাযাত্ৰা, নাগাৰা নাম পৰিৱেশন

# বৰক্ষেত্ৰীৰ মুগদি, চান্দা, চতেমাৰীত মাঘী সভা


**অসম বাৰ্তা, দৌলাশাল, ১৫ জানুৱাৰী ঃ** নামনি অসমৰ জনতাৰ মাঘ মাহৰ অন্যতম অনুষ্ঠান মাঘী সভা পহিলা মাঘৰ পৰা নামনি অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হৈ আহিছে। নলবাৰী জিলাৰ পশ্চিম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত মুগদি গাঁৱতো কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে মাঘী সভা। মুগদি পুৰণি চুপাৰ ৰাজহুৱা নামঘৰ প্ৰাংগণত কালি পুৱাৰ ভাগত মেজি প্ৰজ্বলন, পতাকা উত্তোলন, ভাগৱত পাঠ আৰু গোঁসাই স্থাপন কৰা হয়। নিশা অনুষ্ঠিত হয় আঞ্চলিক ভিত্তিত নৃত্য প্ৰতিযোগিতা আৰু অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলৰ নাট পৰিৱেশন। আজি পুৱা বশিষ্ঠ ডেকাই ভাগৱত পাঠ কৰাৰ পাছতেই প্ৰণৱ তালুকদাৰে নাম-প্ৰসংগ পৰিৱেশন কৰে। দুপৰীয়াৰ ভাগত অঞ্চলটোৰ সহস্ৰাধিক লোকৰ উপস্থিতিত পুৰোহিত পল্লৱ শৰ্মাৰ মন্ত্ৰোচ্ছৰণেৰে হোমযজ্ঞ অনুষ্ঠিত হয়। সন্ধিয়া কামৰূপ জিলাৰ বৰখৰিকতাৰ বনজিৎ ডেকা আৰু চাংসাৰিৰ বড়গাঁৱৰ ৰিংকুমনি ডেকাই নাগাৰা নাম পৰিৱেশন কৰে। নিশা গুণজন গুলজাৰ আৰু কাজল প্ৰিয়াৰ সংগীতানুষ্ঠানত মুগ্ধ হয় ৰাইজ। ইপিনে মধ্যম বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত চান্দা গাঁৱতো আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মাঘী সভা উদ্‌যাপন কৰা হয়। গাঁওখনৰ ৰাজহুৱা নামঘৰ প্ৰাংগণত কাৰ্যসূচী অনুসৰি আজি পুৱা গাঁৱবাসীৰ সহযোগত উলিওৱা হয় বৰ্ণাঢ্য ভাগৱত শোভাযাত্ৰা। গাঁওখনৰ পুৰুষ-মহিলা উভয়ে শোভাযাত্ৰাত অংশগ্ৰহণ কৰি গাঁওখনৰ প্ৰতিটো পৰিয়ালৰ পদূলিয়ে-পদূলিয়ে ভাগৱত শোভাযাত্ৰা লৈ যায়। কাইলৈ অনুষ্ঠিত হ'ব হোমযজ্ঞ পৰ্ব। অন্যহাতে পূব বৰক্ষেত্ৰী মৌজাৰ অন্তৰ্গত চতেমাৰী গাঁৱতো বিগত বছৰ সমূহৰ দৰে এইবেলিও ভোগালী বিহু আৰু মাঘী সভা বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছে। পশ্চিম চতেমাৰী গাঁও পৰিচালনা সমিতিৰ উদ্যোগত আৰু ৰাইজৰ সহযোগত চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয় ভোগালী বিহু আৰু ৭৬ সংখ্যক মাঘী সভা। পশ্চিম গোপালথান নামঘৰ প্ৰাংগণত কালিৰে পৰা নাম প্ৰসংগ আৰু ধৰ্মীয় কাৰ্যসূচীৰে চলি আহিছে মাঘী সভাৰ কাৰ্যসূচী।

# মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ মহাৰজত জয়ন্তীৰ শুভাৰম্ভণী অনুষ্ঠান

**অসম বাৰ্তা, নিমাতীঘাট, ১৬ জানুৱাৰী ঃ** উত্তৰ যোৰহাট ৰংদৈ দ-গাঁৱৰ মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ হীৰক জয়ন্তীৰ শুভাৰম্ভণী অনুষ্ঠান যোৱা ১৫ জানুৱাৰীত দিনযোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। পুৱা সামূহিক চাফাইৰ পাছতে বন্তি প্ৰজ্বলন কৰে মিলন মইনা পাৰিজাত আৰু নাট্য মন্দিৰৰ প্ৰাক্তন সভাপতি বুধিন্দ্ৰ কুমাৰ নেওগে। মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ পতাকা উত্তোলন কৰে মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি বিমান নেওগে আৰু ভগ্নী অনুষ্ঠান মিলন মইনা পাৰিজাত আৰু মিলন মহিলা সমিতিৰ পতাকা উত্তোলন কৰে ক্ৰমে অমৃত শইকীয়া আৰু টুনমণি শইকীয়াই। ইয়াৰ পাছতে সমাজ উত্তৰণৰ বাবে বিভিন্ন দিশত কাম কৰি অহা পয়সত্তৰ গৰাকী সমাজককৰ্মীয়ে হীৰক জয়ন্তীৰ পয়সত্তৰখন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ অনুষ্ঠানত মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ হৈ প্ৰাক্তন সভাপতি মণিৰাম ভৰালী, মিলন মইনা পাৰিজাতৰ হৈ প্ৰাক্তন পৰিচালিকা সোণমাই শইকীয়া নেওগ আৰু মিলন মহিলা সমিতিৰ হৈ প্ৰাক্তন সভানেত্ৰী তথা উপদেষ্টা অমলপ্ৰভা শইকীয়াই মুখ্য তৰ্পকৰ দায়িত্ব পালন কৰে। গছপুলি ৰোপণ কৰে মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ উপদেষ্টা বিনন্দ নেওগে। মহাৰজত জয়ন্তী উদযাপন সমিতিৰ সভাপতি বিমান নেওগৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ভুৱন শইকীয়াই আৰু উদ্বোধন কৰে মিলন পুথিভঁৰাল আৰু নাট্য মন্দিৰৰ উপদেষ্টা ড° সুৰেন দত্তই। মুকলি সভাত সমাজকৰ্মী ডিম্বেশ্বৰ বৰা, সমাজ বন্ধু জগন্নাথ অগ্নিবৰা, ড° ইন্দ্ৰানী দত্ত গগৈ, সাধাৰণ জাতি উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰভাত কলিতা, উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱা, ৰাজীৱ কুমাৰ নাজিৰ, অনিল দত্ত, মণিৰাম ভৰালী, গোপাল শইকীয়া, নিৰ্মল শইকীয়া, ভুবন শইকীয়া প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

## সত্ৰীয়া, কথক, সৃজনীমূলক নৃত্যৰে জীপাল নৃত্যাঙ্গনৰ বাকৰি

# দুধনৈৰ "নৃত্যাঙ্গন"ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান




**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ দুধনৈস্থিত সত্ৰীয়া নৃত্য আৰু লোক-কলাৰ শিক্ষা আৰু চৰ্চাৰ অনুষ্ঠান "নৃত্যাঙ্গন এক অধ্যয়ন কেন্দ্ৰ" ই সফলতাৰে ২৫ বছৰ পূৰ্তি কৰা উপলক্ষে বৰ্ষ যোৱা আয়োজিত ৰূপালী জয়ন্তীৰ আজি সামৰণি অনুষ্ঠান অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত পদ্মশ্ৰী ঘণকান্ত বৰাৰ লগতে অঞ্চলটোৰ ২৪ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৫ গছি বন্তি প্ৰজ্বলন কৰা হয়। ১১ বজাত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাত সভাপতিত্ব কৰে নৃত্যাংগনৰ সভানেত্ৰী জয়ন্তী দাসে। সভাত উপস্থিত থাকে পদ্মশ্ৰী ঘণকান্ত বৰা, হৰিপ্ৰসাদ শইকীয়া বৰবায়ন, বিপুল দাস, বীণাপাণি ৰাভা আৰু অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া মুকুল ৰাভা। পদ্মশ্ৰী ঘণকান্ত বৰাই কয়- নৃত্যাঙ্গণৰ অধ্যক্ষ তৰালী দাসে অশেষ প্ৰচেষ্টা আৰু অক্লান্ত পৰিশ্ৰমেৰে সত্ৰীয়া নৃত্যৰ অধ্যয়ন কেন্দ্ৰ "নৃত্যাঙ্গন" গঢ়ি তুলিছিল। এই অনুষ্ঠানটি যাতে সুন্দৰভাৱে উজ্বলি থাকে তাকেই কামনা কৰে। কথক নৃত্যৰ গুৰু বিপুল দাসে কয়- সাধাৰণতে গুৰু শিষ্যৰ পৰম্পৰা কমি গৈছে যদিও নৃত্যাঙ্গনৰ অধ্যক্ষ তৰালী দাসৰ গুৰু ভক্তি দেখি অভিভূত হৈছো। তৰালী দাসে সত্ৰীয়া নৃত্যৰ জৰিয়তে গুৰু শিষ্যৰ পৰম্পৰা ধৰি ৰাখিছে। সভাত হৰিপ্ৰসাদ শইকীয়া বৰবায়নে কয়- ভাৰত বৰ্ষৰ আঠটা শাস্ত্ৰীয় নৃত্যৰ ভিতৰত সত্ৰীয়া নৃত্য এটা। সত্ৰীয়া নৃত্যৰ এটা দৰ্শন আছে - সেয়া হ'ল - এক দেৱ, এক সেৱ, এক বিনে নাই কেৱ। সত্ৰীয়া নৃত্যৰ গুৰু বীণাপাণি ৰাভাই কয়- মই ৰাভা নৃত্যহে কৰিছিলো, সত্ৰীয়া নৃত্য মনে মনেহে গুৱাহাটীত গৈ শিকিছিলোঁ। কাৰণ সেই সময়ত সত্ৰীয়া নৃত্য কৰা লোক এই অঞ্চলত নাছিলেই। আনহাতে অৱসৰপ্ৰাপ্ত সাংস্কৃতিক বিষয়া মুকুল ৰাভাই তেওঁৰ ভাষণত কয়- সত্ৰীয়া নৃত্য ভাৰত বৰ্ষৰ শাস্ত্ৰীয় নৃত্যৰ ভিতৰত অন্যতম। শাস্ত্ৰীয় নৃত্যৰ স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ নাম নিশ্চয় লব লাগিব। তেওঁ সংগীত নাটক একাডেমীৰ অধ্যক্ষ থকাৰ সময়তে সত্ৰীয়া নৃত্য শাস্ত্ৰীয় নৃত্যৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হয় আৰু সত্ৰীয়া কৃষ্টি-সংস্কৃতি ভাৰত বৰ্ষৰ লগতে বিশ্বত বিয়পি পৰে। তেওঁ পুনৰ কয় যে, সত্ৰীয়া নৃত্যৰ লগত জড়িত বাদ্যযন্ত্ৰীৰ বাৰুকৈয়ে অভাৱ। সেই দিশটোৰ প্ৰতি গুৰুত্ব দিয়া উচিত। উক্ত সভাতে স্মৃতি গ্ৰন্থ "ত্ৰিভঙ্গ" উন্মোচন কৰে পদ্মশ্ৰী ঘনকান্ত বৰাই। ইপিনে অনুষ্ঠানত নৃত্যাঙ্গনৰ ছাত্ৰ-ছাত্ৰী সকলে ওজাপালী নৃত্য প্ৰদৰ্শন কৰি সকলোকে মোহিত কৰে। আবেলি ৩ বজাত অনুষ্ঠিত হয় ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সন্মিলন। সন্ধিয়া ৫ বজাত সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে- একক প্ৰচেষ্টাৰে ২০০০ চনতেই স্থাপিত হৈ সুদীৰ্ঘ ২৫টি বছৰে সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ প্ৰচাৰ তথা প্ৰসাৰৰ মাধ্যমেৰে এখন সংস্কৃতিবান সমাজ গঢ়াৰ অহৰহ প্ৰচেষ্টা সঁচাকৈ আদৰণীয় অনুকৰণীয়। অনুষ্ঠানত সত্ৰীয়া, কথক, ভাৰত নাট্যম তথা সৃজনীমূলক নৃত্য আদি পৰিবেশন কৰাৰ লগতে দুধনৈ ভাৰতী সংগীত বিদ্যালয়ৰ শিক্ষাৰ্থী সকলেও অনুষ্ঠান পৰিবেশন কৰে।

## বাইক চালকৰ মৃত্যুৰ লগতে দুজন সংকটজনক অৱস্থাত চিকিৎসাধীন

# নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কাপলাবড়ীৰ শান্তিপুৰ চ'কত ভয়াবহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ কাপলাবড়ীৰ শান্তিপুৰ চ'কত ভয়াবহ পথ দুৰ্ঘটনা সংঘটিত হৈছে। গুৱাহাটী দিশৰ পৰা দৌলাশাল বৰপেটা অভিমুখী এছ ১৫ এ ডি ৯৭৪৭নম্বৰৰ এখন দুচকীয়া এম টি বাহনে এজন পথচাৰীক খুন্দিয়াই গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত কৰে। জানিব পৰা মতে, পথচাৰীজন কেকানকুছি গাঁৱৰ কাপোৰ ব্যৱসায়ী বাছেৰ আলী (৩৫) বুলি জানিব পৰা গৈছে। আনহাতে, উক্ত বাইকখনৰ পিছফালে বহি থকা জাকিৰ আলী(২৭) নামৰ আন এজন লোকো গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। স্থানীয় লোকৰ সহযোগত এম টি বাইক চলোৱা যুৱকজনৰ লগতে আন দুগৰাকীক ততাতৈয়াকৈ সংকটজনক অৱস্থাত মুকালমুৱা মহকুমা অসামৰিক চিকিৎসালয়লৈ আনে যদিও বাইক চালকজনৰ মৃত্যু ঘটে। বৰ্তমানলৈকে মৃত্যু ঘটা চালকজনৰ পৰিচয় জানিব পৰা হোৱা নাই। আনহাতে, এম টি খনৰ পিছফালে বহি থকা জাকিৰ আলী আৰু কাপোৰ ব্যৱসায়ী পথচাৰী বাছেৰ আলীক উন্নত চিকিৎসাৰ বাবে বৰপেটা মেডিকেললৈ প্ৰেৰণ কৰে। ঘটনাস্থলীত দৌলাশাল আৰক্ষী উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে তদন্ত অব্যাহত ৰাখিছে।

# ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ সন্থাৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ৩৮ সংখ্যক পষেকৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ জানুৱাৰী ঃ** ডিব্ৰুগড়ত অহা ১৭ জানুৱাৰীত শিল্পী দিৱসৰ সৈতে সংগতি ৰাখি বিগত বছৰবোৰৰ দৰে এইবাৰো চৰকাৰী পেঞ্চনাৰ সন্থা, ডিব্ৰুগড শাখাই সন্থাৰ, ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগতে ৩৮ সংখ্যক পেঞ্চনাৰ পষেক ৩১ জানুৱাৰীলৈকে বিস্তৃত কাৰ্যসূচীৰে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমতে ১৭ জানুৱাৰীৰ পুৱা ১০-০০ বজাত পতাকা উত্তোলনেৰে কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰিব সন্থাৰ সভাপতি দিলীপ কুমাৰ দাসে। পুৱা ১০-৩০ বজাত স্মৃতি তৰ্পন, ১১-০০ বজাত শিল্পী দিৱস আৰু সন্থাৰ প্ৰতিষ্ঠা দিৱস পালনেৰে পষেক কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰিব সন্থাৰ প্ৰাক্তন সভাপতি ভীম বাহাদুৰ ছেত্ৰী। কাৰ্যসূচী অনুযায়ী ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ কৰিব সন্থাৰ উপদেষ্টা গুৰুনাম সিংহ। অনুষ্ঠানত বিশিষ্ট গীতিকাৰ মহানন্দ গগৈক সম্বৰ্ধনা, অনুষ্ঠানত নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সন্থাৰ উপদেষ্টা কিৰণ চন্দ্ৰ মেচ। শিল্পী দিৱস উপলক্ষে জ্যোতি প্ৰসাদৰ গীত-মাত, কবিতা, আবৃত্তি আদিৰে দিনটোৰ কাৰ্য্যসূচী সমাপ্ত কৰিব। ১৮ জানুৱাৰীত নতুন সদস্যৰ নাম ভৰ্তি, ১৯ জানুৱাৰীত আদৰৰ এযাৰি মাত, বয়োজ্যেষ্ঠ ব্যক্তিৰ ঘৰলৈ গৈ সৌজন্য মূলক সাক্ষাৎ আৰু সম্বৰ্ধনা, ২০ জানুৱাৰীত সদস্য ভৰ্তি, ২১ জানুৱাৰীত ডিব্ৰুগড় লায়ন্স ক্লাবৰ সৌজন্যত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, ২২ জানুৱাৰীত বৃক্ষৰোপণ, ২৩ জানুৱাৰীত নেতাজী সুভাষচন্দ্ৰ বসুৰ জন্ম দিন পালন, ২৪ জানুৱাৰীত সতীৰ্থ সন্মিলন, সন্থাৰ সদস্য সকলৰ সাংস্কৃতিক অনুষ্ঠান, ২৫ জানুৱাৰীত চাফাই অভিযান, ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন আৰু আলোচনা চক্ৰ, ২৭ জানুৱাৰীত মহিলা সদস্য সকলৰ অন্তৰঙ্গ আলাপ, ২৪ জানুৱাৰীত মনোমত মনোৰম ঠাই ড° ভূপেন হাজৰিকা সেতু ঢলা-শদিয়া ঠাই ভ্ৰমণ, ২৯ জানুৱাৰীত নতুন সদস্যৰ নাম ভৰ্তি, ৩০ জানুৱাৰীত ১১-০০ বজাত গান্ধীজীৰ স্মৃতি দিৱস পালন, মাল্যাৰ্পণ, বন্তি প্ৰজ্বলন আৰু সৰ্বধৰ্ম পালন সভা, নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সন্থাৰ প্ৰাক্তন উপদেষ্টা চিতাৰা খাতুন আৰু ৩১ জানুৱাৰী অৰ্থাৎ সামৰণি অনুষ্ঠানৰ দিনাখন গীত-মাত, নৃত্য আৰু অন্তৰঙ্গ আলাপেৰে আদিৰে সামৰণি ঘোষণা।

*জ্যোতি-সংগীত কেৱল কেইটামান গীতৰ সমষ্টি নহয়, ই হ'ল জ্যোতিপ্ৰসাদৰ সাহিত্যিক চিন্তা আৰু সংগীত শৈলীৰ মিলনভূমি। তেওঁৰ গীত সমূহৰ মাজত আমি প্ৰকৃতিৰ নিৰ্মল ছবিৰ পৰা আৰম্ভ কৰি বিপ্লৱৰ তীব্ৰ জুইলৈকে সকলোবোৰ দেখিবলৈ পাওঁ। তেওঁৰ গীতৰ সাহিত্যিক ভিত্তি আছিল অতি মজবুত। তেওঁ প্ৰতিটো শব্দ অতি সূক্ষ্মভাৱে বাছনি কৰিছিল যাতে সেই শব্দই সুৰৰ সৈতে মিলি এক গভীৰ অৰ্থ প্ৰকাশ কৰিব পাৰে।*

# জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্য আৰু সংগীতৰ ঐক্য

নলিনী ৰঞ্জন ভূঞা

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৃষ্টিৰাজিত সাহিত্যৰ গভীৰতা আৰু সংগীতৰ মূৰ্চ্ছনা একাকাৰ হৈ এক নতুন সমাজ চেতনাৰ জন্ম হৈছিল। তেওঁৰ সমগ্ৰ জীৱনজোৰা সাধনাৰ মূল কেন্দ্ৰবিন্দু আছিল- অসমীয়া সংস্কৃতিৰ আধুনিকীকৰণ আৰু এটা শক্তিশালী জাতীয় পৰিচয় নিৰ্মাণ কৰা। জ্যোতিপ্ৰসাদৰ শিল্প-কৰ্মৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ দিশটো হ'ল- তেওঁৰ সাহিত্য আৰু সংগীতৰ মাজত থকা অভিন্ন আৰু গভীৰ সম্পৰ্ক। তেওঁৰ বাবে সাহিত্য আৰু সংগীত আছিল এটা মুদ্ৰাৰ ইপিঠি আৰু সিপিঠিৰ দৰে। য'ত এটাই আনটোক অৰ্থপূৰ্ণ আৰু প্ৰাণৱন্ত কৰি তুলিছে। তেওঁৰ প্ৰতিটো সৃষ্টিতে সাহিত্যৰ গাম্ভীৰ্য আৰু সংগীতৰ লালিত্য ইমান সুন্দৰকৈ মিহলি হৈ আছিল যে- সেইবোৰৰ এটাৰ পৰা আনটোক পৃথক কৰা সম্ভৱ নহয়। যি ঠাইত শব্দৰ অৰ্থ শেষ হয়, তাতেই সুৰৰ যাত্ৰা আৰম্ভ হয়। এই নিবিড় ঐক্যই জ্যোতিপ্ৰসাদৰ সৃষ্টিক এক কালজয়ী মৰ্যাদা প্ৰদান কৰিছে।

জ্যোতি প্ৰসাদৰ গীতবোৰত ব্যৱহৃত হোৱা 'মাৰ্চিং টিউন' বা সামৰিক ছন্দই শোষিত আৰু নিৰ্যাতিত জনতাক শৃঙ্খলিত শক্তিৰে থিয় হ'বলৈ সাহস যোগাইছিল। তেওঁৰ বাবে শিল্প কেৱল আনন্দৰ খোৰাক নাছিল, বৰঞ্চ ই আছিল সমাজ পৰিৱৰ্তনৰ এক তীক্ষ্ণ আহিলা। জ্যোতিপ্ৰসাদৰ সমগ্ৰ জীৱন দৰ্শনৰ মূল কেন্দ্ৰবিন্দু আছিল মানুহ। তেওঁ বিশ্বাস কৰিছিল যে- যি শিল্পই মানুহৰ দুখ-বেদনাৰ কথা নকয় বা মানুহক উন্নত কৰিব নোৱাৰে, সেই শিল্প নিৰৰ্থক। তেওঁৰ সাহিত্যত সমাজৰ তৰপে তৰপে থকা বৈষম্যৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিবাদ আছিল। তেওঁ শব্দৰ তুলিকাৰে যি সাম্যবাদৰ ছবি আঁকিছিল, তাক সংগীতৰ বিশ্বজনীন ভাষাৰে জনসাধাৰণৰ হৃদয়লৈ লৈ গৈছিল। তেওঁৰ দৃষ্টিত 'সুন্দৰ' মানে কেৱল বাহ্যিক সৌন্দৰ্য নহয়, সুন্দৰ মানে হ'ল- অন্যায়ৰ বিৰুদ্ধে যুঁজ দিয়া আৰু সত্যৰ সন্ধান কৰা। তেওঁৰ সৃষ্টিত ধৰ্ম-বৰ্ণ-জাতিৰ উৰ্ধত এক বিশাল মানৱতাবোধৰ পৰিচয় পোৱা যায়।

জ্যোতিপ্ৰসাদে বুজি পাইছিল যে- জনসাধাৰণক বাদ দি কোনো শিল্পই স্থায়িত্ব লাভ কৰিব নোৱাৰে। সেয়েহে তেওঁ সত্ৰীয়া সংস্কৃতি, লোক-সংগীত আৰু পশ্চিমীয়া সংগীতৰ সুষম সংমিশ্ৰণ ঘটাই এক নতুন 'জ্যোতি সংগীত'ৰ ধাৰা সৃষ্টি কৰিছিল।

তেওঁৰ নাটকসমূহ (যেনে- 'শোণিত কুঁৱৰী', 'লভিতা', 'কাৰেঙৰ লিগিৰী', 'ৰূপালীম' আদি) আৰু কবিতা সমূহে যি দৰ্শন আগবঢ়াইছিল, তাক গীতবোৰে জনসাধাৰণৰ মাজত অধিক সক্ৰিয় কৰি তুলিছিল। তেওঁৰ লেখনি আছিল বাট দেখুৱাওঁতা আৰু সুৰ আছিল সেই বাটেৰে আগুৱাই যোৱাৰ চালিকা শক্তি। জ্যোতিপ্ৰসাদৰ সাহিত্য আছিল মূলতঃ সংগীতধৰ্মী। তেওঁৰ লিখনিত যি ছন্দ, যি লয় আৰু যি গাম্ভীৰ্য পোৱা যায়, সেয়া সংগীতৰ পৰা অহা। তেওঁ বিশ্বাস কৰিছিল যে-সাহিত্যই যেতিয়া সমাজৰ গভীৰ সত্য সমূহ প্ৰকাশ কৰিবলৈ বিচাৰে, তেতিয়া তাক এক সুৰীয়া গতিৰ প্ৰয়োজন হয়। তেওঁৰ কবিতা বা নাট্য-সাহিত্যত ব্যৱহৃত হোৱা ভাষা আছিল ইমান সাৱলীল যে- সেইবোৰ পঢ়িলেই মনলৈ এক ধৰণৰ সুৰীয়া অনুভৱ আহে। আকৌ তেওঁৰ সংগীতৰ ক্ষেত্ৰত দেখা যায় যে- তেওঁ কেৱল সুৰৰ মায়াজাল ৰচনা কৰাতে ক্ষান্ত থকা নাছিল। বৰঞ্চ প্ৰতিটো গীতৰ কথা বা সাহিত্যিক গুণ ইমান উচ্চস্তৰৰ আছিল যে- সুৰ অবিহনেও সেইবোৰ একো একোটা শ্ৰেষ্ঠ কবিতা হিচাপে পৰিগণিত হ'ব পাৰে।

জ্যোতিপ্ৰসাদৰ নাট্য-সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে- তেওঁ নাটকক কেৱল মঞ্চাভিনয়ৰ মাধ্যম হিচাপে লোৱা নাছিল, বৰঞ্চ ইয়াক এক পূৰ্ণাংগ সংগীতময় শিল্পলৈ ৰূপান্তৰ কৰিছিল। তেওঁৰ প্ৰথম নাটক 'শোণিত কুঁৱৰী'ত তেওঁ যি সংগীতৰ ধাৰা প্ৰৱৰ্তন কৰিছিল, সি আছিল অসমীয়া নাট্য জগতৰ বাবে এক নতুন দিগন্ত। নাটকৰ চৰিত্ৰ সমূহৰ মানসিক অৱস্থা, আৱেগ আৰু সংঘাত সমূহ প্ৰকাশ কৰাৰ বাবে তেওঁ সংগীতক এক শক্তিশালী আহিলা হিচাপে ব্যৱহাৰ কৰিছিল। উষা আৰু চিত্ৰলেখাৰ কথা-বতৰাবোৰত যিটো কাব্যিক সুৰ আছে, সেয়া সংগীতৰ সহায় অবিহনে ইমান প্ৰাণৱন্ত হৈ নুঠিলহেঁতেন। তেওঁ নাটকৰ সংলাপৰ মাজতো এক নিৰ্দিষ্ট ছন্দ ৰক্ষা কৰিছিল, যিয়ে সাহিত্যক সংগীতৰ অধিক ওচৰ চপাই আনিছিল।

জ্যোতি-সংগীত কেৱল কেইটামান গীতৰ সমষ্টি নহয়, ই হ'ল জ্যোতিপ্ৰসাদৰ সাহিত্যিক চিন্তা আৰু সংগীত শৈলীৰ মিলনভূমি। তেওঁৰ গীত সমূহৰ মাজত আমি প্ৰকৃতিৰ নিৰ্মল ছবিৰ পৰা আৰম্ভ কৰি বিপ্লৱৰ তীব্ৰ জুইলৈকে সকলোবোৰ দেখিবলৈ পাওঁ। তেওঁৰ গীতৰ সাহিত্যিক ভিত্তি আছিল অতি মজবুত। তেওঁ প্ৰতিটো শব্দ অতি সূক্ষ্মভাৱে বাছনি কৰিছিল যাতে সেই শব্দই সুৰৰ সৈতে মিলি এক গভীৰ অৰ্থ প্ৰকাশ কৰিব পাৰে। উদাহৰণ স্বৰূপে- তেওঁৰ প্ৰকৃতি বিষয়ক গীতবোৰত ব্যৱহৃত হোৱা উপমা সমূহ ইমান উচ্চমানৰ যে সেইবোৰে শ্ৰোতাৰ মনত একোখন দৃশ্যপট তৈয়াৰ কৰে। এইদৰেই সাহিত্যই সুৰক অৰ্থবহ কৰি তোলে আৰু সুৰে সাহিত্যক আৱেগিক উচ্চতা প্ৰদান কৰে।

জ্যোতিপ্ৰসাদ আগৰৱালাই অসমীয়া লোক-সংস্কৃতিক এক নতুন সাহিত্যিক আৰু সাংগীতিক মাত্ৰা প্ৰদান কৰিছিল। তেওঁ অসমৰ গাঁৱৰ মানুহৰ মুখত শুনা বনগীত, বিহু গীত আৰু সত্ৰীয়া সংগীতৰ সুৰবোৰক সংগ্ৰহ কৰি তাৰ মাজত আধুনিক সাহিত্যৰ গুণাগুণৰ মিশ্ৰণ কৰিছিল। তেওঁ বুজি পাইছিল যে আমাৰ লোক-সংগীতৰ মাজতে অসমীয়া সাহিত্যৰ প্ৰকৃত প্ৰাণটো লুকাই আছে। সেয়েহে তেওঁ লোক-সংগীতৰ সেই সহজ-সৰল আংগিকটোক আধুনিক শব্দ আৰু সুৰৰ ভাষাৰে সজাই তুলিছিল। ইয়াৰ ফলত যি এক নতুন ধাৰাৰ সৃষ্টি হ'ল, সি কেৱল সংগীতৰ নহয়, বৰঞ্চ অসমীয়া আধুনিক সাহিত্যৰো এক অনন্য সম্পদ হৈ পৰিল।




ভাৰতীয় স্বাধীনতা আন্দোলনৰ সেই অগ্নিগৰ্ভ সময়ছোৱাত জ্যোতিপ্ৰসাদে উপলব্ধি কৰিছিল যে কেৱল শ্লোগানেৰে জনতাক জাগ্ৰত কৰা সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন এক শক্তিশালী সাংস্কৃতিক জাগৰণৰ। জ্যোতিপ্ৰসাদ আছিল এজন জনতাৰ শিল্পী। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অগ্নিগৰ্ভ দিনবোৰত তেওঁৰ সাহিত্য আৰু সংগীত একত্ৰিত হৈ পৰিছিল। তেওঁৰ বিপ্লৱী গীত সমূহৰ কথাংশ আছিল অতিশয় তীব্ৰ আৰু প্ৰভাৱশালী। 'লুইতৰ পাৰৰ ডেকা ল'ৰা' বা 'বিশ্ববিজয়ী নৱজোৱান' আদি গীতত সাহিত্য আৰু সংগীতৰ ঐক্যই ইমান শক্তিৰ সৃষ্টি কৰিছিল যে- সি হাজাৰ হাজাৰ মানুহক দেশৰ বাবে বলিদান দিবলৈ উৎসাহিত কৰিছিল। তেওঁৰ সৃষ্টিত সাহিত্যই যদি বিপ্লৱৰ বীজ সিঁচিছিল, সংগীতে সেই বীজক গণ-আন্দোলনৰ বিশাল বৃক্ষলৈ ৰূপান্তৰিত কৰিছিল। ইয়াত সংগীতৰ লয় আৰু সাহিত্যৰ সাহসে একেলগে খোজ দিছিল।

জ্যোতিপ্ৰসাদৰ সাহিত্য আৰু সংগীতৰ মাজত থকা ঐক্যৰ আন এক স্তম্ভ হ'ল- তেওঁৰ মানৱতাবাদী দৃষ্টিভংগী। তেওঁ বিশ্বাস কৰিছিল যে সকলো শিল্পৰে শেষ লক্ষ্য হ'ব লাগে মানুহৰ কল্যাণ। তেওঁৰ সৃষ্টিত ধৰ্ম, জাতি বা বৰ্ণৰ কোনো বিভেদ নাছিল। বৰঞ্চ সাহিত্য আৰু সংগীতৰ একত্ৰিত প্ৰচেষ্টাৰে তেওঁ এক 'সুন্দৰৰ পূজাৰী' হিচাপে মানুহক শান্তি আৰু একতাৰ মন্ত্ৰৰে আঁকোৱালি লৈছিল।

জ্যোতিপ্ৰসাদৰ লিখনিত অসমীয়া ভাষাৰ এক সুকীয়া আভিজাত্য প্ৰকাশ পায়। তেওঁ গধুৰ আৰু কঠিন শব্দৰ পৰিৱৰ্তে কোমল আৰু ব্যঞ্জনাধৰ্মী শব্দ ব্যৱহাৰ কৰিছিল। তেওঁৰ এই ভাষা শৈলীয়েই তেওঁৰ সংগীতক অধিক সাৱলীল কৰি তুলিছিল। সংগীতত সুৰৰ যিটো জোখ বা তাল থাকে, সাহিত্যতো তেনে এক ছন্দ ৰক্ষা কৰাত তেওঁ আছিল সিদ্ধহস্ত। তেওঁৰ কবিতাত সুৰৰ মূৰ্চ্ছনা অনুভৱ কৰিব পাৰি, আৰু তেওঁৰ সংগীতত কবিতাৰ গভীৰ ভাব গাম্ভীৰ্যসহ বিৰাজ কৰিছে। এই নান্দনিক ঐক্যই তেওঁৰ সৃষ্টিৰাজিক অসমীয়া সংস্কৃতিৰ এক স্থায়ী অলংকাৰত পৰিণত কৰিছে।

জ্যোতিপ্ৰসাদৰ মতে সংস্কৃতি স্থবিৰ নহয়, ই হ'ল গতিশীল। এই গতিশীলতা তেওঁৰ সাহিত্য আৰু সংগীতৰ মাজত স্পষ্টকৈ দেখা যায়। তেওঁ পুৰণি ৰীতি-নীতিক সম্পূৰ্ণ ত্যাগ নকৰাকৈ তাক নতুনৰ লগত কেনেকৈ খাপ খুৱাব লাগে, সেইটো শিকাই থৈ গৈছে। তেওঁৰ সাহিত্যই ঐতিহ্যক ধৰি ৰাখিছে আৰু সংগীতে তাক আধুনিকতাৰ পোহৰ দিছে। তেওঁৰ এই 'ৰূপান্তৰৰ দৰ্শন'ত সাহিত্য আৰু সংগীত আছিল ইটো পৰা সিটোৰ পৰিপূৰক। তেওঁ বিচাৰিছিল এখন এনেকুৱা অসম য'ত- প্ৰতিজন মানুহেই একো একোজন শিল্পী হ'ব আৰু যাৰ জীৱনটো হ'ব সাহিত্য আৰু সংগীতৰ দৰেই সুন্দৰ।

পৰিশেষত ক'ব পাৰি যে- ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাহিত্য আৰু সংগীতৰ মাজত থকা ঐক্যই অসমীয়া জাতিক এক শক্তিশালী সাংস্কৃতিক ভেটি প্ৰদান কৰিলে। তেওঁৰ সৃষ্টিৰাজি কেৱল কোনো এটা নিৰ্দিষ্ট সময়ৰ বাবে আবদ্ধ নহয়, ই চিৰকালৰ বাবে প্ৰাসংগিক। শব্দ আৰু সুৰৰ এই মহৎ সঙ্গমৰ জৰিয়তে তেওঁ যি জ্যোতি বিলাই থৈ গৈছে, সি আজিও আমাৰ জাতীয় জীৱনৰ আন্ধাৰ আঁতৰাই পোহৰৰ পথ দেখুৱাই আছে। যেতিয়ালৈকে অসমীয়া ভাষা আৰু সংস্কৃতি জীয়াই থাকিব, তেতিয়ালৈকে জ্যোতিপ্ৰসাদৰ এই সাহিত্যিক আৰু সাংগীতিক ঐক্যই আমাক অনুপ্ৰাণিত কৰি থাকিব। তেওঁৰ আদৰ্শক বুকুত বান্ধি আগুৱাই যোৱাটোৱেই হ'ব আধুনিক অসমীয়া সমাজৰ প্ৰধান দায়িত্ব।

*লেখক অৱসৰপ্ৰাপ্ত শিক্ষক*
*উত্তৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়*

# ৰূপান্তৰৰ সপোন দেখা সুন্দৰৰ সাধক গৰাকীৰ বিষয়ে

মিতুমণি চেতিয়া

আজি জাগিলজন শতাব্দী
আহ অ' যত আলোকবাদী
অপ্ৰমাদী
পোহৰৰে
জোনাকী বসন্ত জগাই...

তেওঁ আছিল বিশ্বশিল্পী— যি ৰূপান্তৰৰ গায়ত্ৰী মন্ত্ৰোচ্চাৰণেৰে জগত ধুনীয়া কৰাৰ সপোন দেখিছিল। ঐতিহ্য আৰু আধুনিকতাৰ এক সুষম সমন্বয় সাধন কৰি "ৰূপান্তৰেহে মাথোঁ/ জগত ধুনীয়া কৰে" এই বিশ্বাসত বিশ্বাসী আছিল তেওঁ। তেওঁ আৰাধনা কৰিছিল সুন্দৰৰ। তেওঁৰ ভাষাত— "সুন্দৰে যে ফুলাৰ মন্ত্ৰ/ অহোৰাত্ৰি মাতে/ সেইহে আজি ইমান ফুল/ প্ৰভাতে প্ৰভাতে।" যাৰ বাবে ১৯৩৮ খ্ৰীষ্টাব্দত গুণীৰ মোল বুজা আনন্দচন্দ্ৰ বৰুৱাই তেওঁক "ৰূপকোঁৱৰ" বাটচৰা এটিৰে আখ্যায়িত কৰিছিল। যি আছিল সুন্দৰতাৰ সুগভীৰ মননশীল জ্ঞানৰ অধিকাৰী শিল্পী এগৰাকীৰ বাবে যথোচিত সন্মান। চিৰ সুন্দৰৰ আৰাধনাৰে মনুষ্য জীৱনক মহীয়ান কৰি ৰূপান্তৰকেই জীৱনৰ উদ্দেশ্য হিচাপে গ্ৰহণ কৰিছিল এইগৰাকী বিশ্ব শিল্পীয়ে।

কলাগুৰু বিষ্ণু ৰাভাই যিগৰাকী বিশ্ব শিল্পীৰ বিশ্বপ্ৰেমক দৰ্শাই কৈছিল— "জ্যোতি/ অসমৰ জ্যোতি/ ভাৰতৰ জ্যোতি/ পৃথিৱীৰ ৰূপোদ্দীপ্ত সমুজ্জ্বল জ্যোতি"; সুধাকণ্ঠ ভূপেন হাজৰিকাই এটি সাক্ষাৎকাৰত যাক পলৰবছনৰ সৈতে তুলনা কৰি কৈছিল যে তেওঁ মাটিৰ কথা আকাশলৈ চাই ভাবে বুলি; সাহিত্য সমালোচক তথা শিক্ষাবিদ ড° হীৰেণ গোঁহাইয়ে যাক "ভাবীকালৰ খনিকৰ" আখ্যা দিছে সেই গৰাকী, গানেৰে, সুৰেৰে, ছবিৰে শিল্পীৰ প্ৰকৃত অৰ্থৰ গৰাকী অসমৰ সাংস্কৃতিক জাগৰণৰ ৰূপকাৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা।

জ্যোতিপ্ৰসাদৰ নাৰীবাদী মনৰ উমান

জ্যোতিপ্ৰসাদৰ নাৰীবাদী মনটোৰ উমান আমি তেখেতৰ সৃষ্টিৰাজিৰ মাজত বিচাৰি পাওঁ। কিয়নো তেওঁৰ বহুতো সৃষ্টিশীল ৰচনাৰ এক সুকীয়া বৈশিষ্ট্য আছিল নাৰী চৰিত্ৰৰ কেন্দ্ৰীয় ভূমিকা। তেওঁৰ ছখন নাটকৰ ভিতৰত পাঁচখন নাটকৰেই শিৰোনাম আছিল নাৰী চৰিত্ৰৰ নামেৰে। তেওঁৰ ষষ্ঠখন (অসম্পূৰ্ণ) নাটকতো পোনপটীয়াকৈ নাৰীৰ প্ৰশ্নক উপস্থাপন কৰিছিল আৰু পিতৃতন্ত্ৰ তথা সমাজত নাৰীৰ ওপৰত হোৱা অত্যাচাৰৰ বিষয়টোক সন্মুখলৈ আনিছিল। জ্যোতিপ্ৰসাদৰ ১৯৩০ চনত ৰচিত নাটকসমূহত চিত্ৰিত দৃশ্যপটসমূহে নাৰীৰ মৰ্যাদাৰ ওপৰত গান্ধীৰ দৃষ্টিভংগীৰ প্ৰভাৱ প্ৰতিফলিত কৰে। এই নাটসমূহত ক্ষমতাৰ এটা ৰূপ হিচাপে আত্মবলিদানৰ ধাৰণাটো প্ৰতিফলিত হয়। নিমাতী (নিমাতী কন্যা, ১৯৩৬) আৰু শেৱালি (কাৰেঙৰ লিগিৰী, ১৯৩৭) আৰু ৰূপালীম (ৰূপালীম, ১৯৩৮)ৰ আত্মত্যাগৰ চিত্ৰণ নিজৰ অধীনস্থতা প্ৰদৰ্শনৰ বাবে নহয়, বৰঞ্চ নিপীড়নৰ শক্তিৰ প্ৰতি নিষ্ক্ৰিয় আৰু স্বেচ্ছামূলক প্ৰতিৰোধ প্ৰদৰ্শনৰ বাবেহে চিত্ৰিত কৰা হৈছে। এইবোৰক আত্মনিৰ্ভৰশীলতা আৰু স্বেচ্ছাই কৰা কাৰ্য্য হিচাপে চিত্ৰিত কৰা হৈছে। নিমাতী নিজৰ মত অনুযায়ীহে মৌনতা ভাঙে। আকৌ, কাৰেঙৰ লিগিৰী আৰু ৰূপালীম দুয়োখনতে ক্ৰমে শেৱালি আৰু ৰূপালীমৰ আত্মত্যাগ আছিল কঠিন সামাজিক পৰিস্থিতিত নিজৰ সিদ্ধান্তৰ ফল। তেওঁৰ প্ৰথম চলচ্চিত্ৰ অসমীয়া ছবিজগতৰ বাটকটীয়া জয়মতীতো আছিল এক শক্তিশালী নাৰী মুখ্য চৰিত্ৰ। লক্ষ্মীনাৰায়ণ বেজবৰুৱাৰ জয়মতী কুঁৱৰী নাটকৰ আধাৰত অত্যাচাৰৰ অপশক্তিৰ বিৰুদ্ধে এগৰাকী নাৰীয়ে স্বেচ্ছামূলক বলিদানৰ কাহিনী ইয়াত বৰ্ণনা কৰিছে। ইয়াত মহাত্মা গান্ধীয়ে প্ৰশংসা কৰাৰ ধৰণৰ নাৰীসুলভ সাহস আৰু বীৰত্বৰ চিত্ৰণ কৰা হৈছিল।

আকৌ ১৯৪০ৰ দশকৰ জ্যোতিপ্ৰসাদৰ ৰচনাসমূহে সেই সময়ৰ এক অন্তৰ্দৃষ্টিসম্পন্ন দৃষ্টিভংগী প্ৰদান কৰে। তেওঁৰ নাট লভিতা (১৯৪৮)ত ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ পটভূমিত প্ৰতিষ্ঠিত সমাজৰ এক প্ৰাঞ্জল ছবি দাঙি ধৰা হৈছে, য'ত নাৰীৰ অৱস্থানৰ বাস্তৱসন্মত চিত্ৰও আগবঢ়োৱা হৈছে। নাৰী এগৰাকীয়ে এসময়ত য'ত আত্মবলিদানৰ চিন্তা কৰিছিল, কিন্তু এই নাটকখনত আত্মত্যাগৰ ঠাইত নাৰীৰ মনত এক আত্মবিশ্বাসী ভাৱ এটাই ঠাই লৈছিল যিয়ে প্ৰচলিত সামাজিক ভেদ-ভাৱৰ বিৰুদ্ধে নিজৰ বিচাৰ প্ৰস্তুত আছিল। ইয়াত সাম্ৰাজ্যবাদী ধ্যান- ধাৰণাৰ বিৰুদ্ধে মত পোষণ কৰাও দেখা যায়। তদুপৰি নাৰী এগৰাকীৰ নিৰ্ভীক, আত্মবিশ্বাসী আৰু সচেতন কণ্ঠই সমাজত প্ৰচলিত পিতৃতান্ত্ৰিক মূল্যবোধৰ বিৰুদ্ধে মাত মাতিছে। জ্যোতিপ্ৰসাদৰ কম পৰিচিত আৰু অসমাপ্ত নাটক খনিকৰ নাৰীক প্ৰতিনিধিত্বৰ দৃষ্টিকোণৰ পৰা বিশেষভাৱে আকৰ্ষণীয়। ইয়াত সেই সময়ৰ উদাৰ আৰু ৰক্ষণশীল শক্তিৰ সংঘৰ্ষৰ চিত্ৰণ কৰা হৈছে। নাৰীকণ্ঠ নৱনলিনীয়ে পিতৃতান্ত্ৰিক নীতি-নিয়মক তীব্ৰ সমালোচনা কৰে আৰু নাৰীৰ ওপৰত উদাৰ, নগৰীয়া আৰু শিক্ষিত দৃষ্টিভংগীক প্ৰতিনিধিত্ব কৰে। মুঠৰ ওপৰত তেওঁ এক সুকীয়া অসমীয়া পৰিচয় গঢ়ি তোলা আৰু ঔপনিৱেশিক অত্যাচাৰ প্ৰতিহত কৰাৰ দ্বৈত দায়িত্ব কান্ধত লৈছিল।

আছোঁ মই আজিও জীয়াই/ অজেয় আত্মা লই/ মৃত্যুহীনা মই/ কলিৰ প্ৰদীপ হৈ/ অসমৰ কোলা শুৱাই;/ চালে দেখিবি মোক জয়সাগৰত/ পূৰ্ণিমাৰ নিশাই নিশাই।

**জাতীয়তাবাদী জ্যোতিপ্ৰসাদ ঃ**

জ্যোতিপ্ৰসাদৰ জন্ম হৈছিল অসমত নৱজাগৰণৰ দ্বিতিয়াৰ্ধত। সেই সময়চোৱাত অসমতো ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ ভৰপক। তেতিয়াই জ্যোতিপ্ৰসাদে দেখিছিল ভাৰতীয় তথা অসমীয়া মানুহৰ স্বতন্ত্ৰতাৰ প্ৰতি থকা দুৰ্বাৰ আকাংক্ষা আৰু প্ৰচণ্ড ত্যাগ। সেয়া আছিল মানৱ জাতিৰ বিশেষকৈ ভাৰতীয়ৰ মুক্তি আৰু প্ৰগতিৰ এক উল্লেখযোগ্য মুহূৰ্ত। জ্যোতিপ্ৰসাদে স্কুলীয়া দিনতেই স্কুলৰ বেগত খাদীৰ বস্ত্ৰ কঢ়িয়াই আনি গাঁওবাসীক সেয়া ভগাই দিছিল। গতিকে ক'ব পাৰি যে তেওঁৰ জাতীয়তাবাদী চিন্তাৰ উকমুকনি স্কুলীয়া দিনতেই দিছিল। পৰৱৰ্তী সময়ত ইউৰোপৰ পৰা উভতি আহি মহাত্মা গান্ধীৰ অহিংসা বাণীক সৰোগত কৰি সম্পূৰ্ণ ৰূপেন নিজকে জাতিক পৰাধীনতাৰ শিকলিৰ পৰা মুক্ত কৰাৰ চেষ্টাত হাতে-কামে লাগিছিল। গান্ধীবাদী চিন্তাধাৰা তেওঁৰ মনত এনেদৰে শিপাইছিল যে মহাত্মা গান্ধীৰ আধ্যাত্মিক শক্তি, ত্যাগ আৰু দেশৰ প্ৰতি উচৰ্গিত দায়িত্ববোধে তেওঁৰ মনত দেশপ্ৰেমৰ ভাৱ জগাই তোলাৰ লগতে মাতৃভূমিৰ স্বতন্ত্ৰতাৰ প্ৰতি যুঁজিবলৈ অনুপ্ৰাণিত কৰিছিল।

বিশ্ববিজয়ী নৱ জোৱান
বিশ্ববিজয়ী নৱ জোৱান
শক্তিশালিনী ভাৰতৰ
ওলাই আহাঁ, ওলাই আহাঁ
সন্তান তুমি বিপ্লৱৰ।
সমুখ সমৰ সমুখতে
মুক্তি যুঁজাৰু হুঁচিয়াৰ
মৃত্যু বিজয় কৰিব লাগিব
স্বাধীনতাৰ খুলি দুৱাৰ। ।

জ্যোতিপ্ৰসাদে নিজৰ সৃষ্টিৰাজিৰ মাজেৰে জনসাধাৰণৰ মনত বিপ্লৱৰ দাবানল জ্বলাব পাৰিছিল। তেওঁৰ দেশপ্ৰেমমূলক গীত-কাব্যই শক্তিশালী কথাৰে মানুহৰ হৃদয় জয় কৰে। বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ সৃষ্টিৰাজিত সততে জাতীয় চিন্তা ধাৰা প্ৰস্ফুটিত। এইখিনিতে উল্লেখ কৰিব পাৰি তেওঁৰ তিনিটা উল্লেখযোগ্য কবিতা - 'লাচিতৰ আহ্বান', 'জয়মতীৰ আত্মাৰ উক্তি' আৰু 'কনকলতা'। ইতিহাসে গৰকা ছশ বছৰীয়া আহোম ৰাজত্বৰ কালছোৱাত লাচিতৰ নেতৃত্ব, স্বদেশ আৰু স্বজাতিৰ বাবে দিয়া আত্মবলিদানৰ গাঁথা; অতুলনীয় মনোবল, স্বামীভক্তি আৰু দেশপ্ৰেমৰ নিদৰ্শন জয়মতী; '৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত কনকলতাই দেখুওৱা অদম্য সাহস আৰু ব্যক্তিত্ব জ্যোতিপ্ৰসাদৰ প্ৰেৰণাৰ উৎস। গতিকে এনে বীৰত্বৰ গাঁথাৰে পূৰ্ণ অসম ৰাজ্যত মানুহৰ মহামহত্ত্বৰ জয় হ'বই লাগিব বুলি তেওঁ দাবী জনাইছে।

ব'ল জনতা হীনতা
দীনতা ভীৰুতা
বল আগবাঢ়ি
ভৱিষ্যৰ সৌ কোলাত জিলিকে
মহাজনতাৰ মহা জীৱনৰ
মহামঙ্গলৰ
মহা সৌন্দৰ্যৰ
পোহৰ বিলোৱা
সোণতো শুৱনি দল।

জ্যোতিপ্ৰসাদে '৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত কবিতাৰে-গীতেৰে সকলোকে উজ্জীৱিত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। অসমীয়া জাতীয় জীৱনৰ প্ৰতি আহি পৰা ভাবুকি স্বৰূপ হতাশা, হীনমন্যতা, অস্তিত্বৰ সংকট আদিৰ প্ৰতি তেওঁ বিশেষভাৱে লক্ষ্য কৰিছিল। সেয়েহে তেওঁ অসমৰ ডেকা- শক্তিক গৌৰৱোজ্জ্বল অতীতৰ সঞ্জীৱনীৰে প্ৰাণৱন্ত হ'বৰ বাবে আহ্বান জনাইছে কিয়নো অতীতৰ সোণসেৰীয়া কথাবোৰে হেনো হনুমানকো শক্তি প্ৰদান কৰিব পাৰে তেন্তে অসমীয়া ডেকাক কিয় নোৱাৰিব!

লুইতৰ পাৰৰে
আমি ডেকা ল'ৰা
মৰিবলৈ ভয় নাই...



সুন্দৰ আৰু সংস্কৃতিৰ পূজাৰী জ্যোতিপ্ৰসাদ

মোৰ মন বনতে তই কি বাঁহী বজালি
অ' সুন্দৰ—
সুন্দৰ সখা মোৰ চিৰসুন্দৰ।

চিৰসুন্দৰৰ অনন্ত আৰাধনা কৰা জ্যোতিপ্ৰসাদৰ মতে- সুন্দৰৰ পূজাই হৈছে সংস্কৃতি। সংস্কৃতিৰ পূৰ্ণ বিকাশতেই মানুহৰ জীৱনৰ পৰম আনন্দ। মানুহ সাংস্কৃতিক জীৱ। মানুহে সংস্কৃতিৰে, সভ্যতাৰে সুন্দৰকেই মানুহৰ জীৱনলৈ নমাই আনিবলৈ বিয়াকুল।

আকৌ ৰোমাণ্টিক কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ বীণবৰাগীৰ সুৰতো ভাঁহি আছে এটাই কথা- সুন্দৰ আৰাধনা জীৱনৰ খেল। মুঠৰ ওপৰত সুন্দৰ আৰু সংস্কৃতি একেটা মুদ্ৰাৰে দুই পিঠি।

আই অসমী, অসমীয়া জাতি আৰু এই জাতিৰ বৰ্ণাঢ্য সংস্কৃতিৰ প্ৰতি জ্যোতিপ্ৰসাদ সদা সচেতন। কিন্তু তেওঁ অসমীয়া সংস্কৃতিৰ কথা ভাৰতীয় প্ৰগতি, সংস্কৃতি অথবা ঐতিহ্যক বাদ দি চিন্তা কৰা নাছিল। তেওঁৰ মতে- আমাৰ সাংস্কৃতিক প্ৰগতি আমাৰ অসমীয়াৰ, ভাৰতীয়ৰ ঐতিহ্যৰ সত্যৰ ওপৰত অৱশ্যেই প্ৰতিষ্ঠিত হ'বই লাগিব। জ্যোতিপ্ৰসাদে অসমীয়াত্বৰ প্ৰকৃত অধিকাৰী হৈও ভাৰতৰ সনাতন আত্মাক উপাসনা কৰি বিশ্ব নাগৰিক হ'ব খুজিছিল। অৱশ্যে ভাৰতৰ সৈতে যুক্ত হৈও তেওঁ পূৰ্বাঞ্চলৰ গুণ- গৰিমাৰ কথা পাহৰি যোৱা নাই। মাত্ৰ ক'ব বিচাৰিছে তেওঁ যিদৰে এগৰাকী নিভাঁজ অসমীয়া ঠিক সেইদৰে এজন ভাৰতীয় আৰু বিশ্বপ্ৰেমিক।

মোৰ পোহৰৰ গানে
আকাশে আকাশে
দেশে-মহাদেশে
মুগ্ধ কৰিব আলোকযাত্ৰী
শেষ হ'ব শেষ নোহোৱা ৰাত্ৰি
কৰিম জগত জয়
নবীন সূৰ্য মই।

জ্যোতিপ্ৰসাদে শ্ৰীমন্ত শংকৰদেৱক পুনঃআৱিষ্কাৰ কৰি তেওঁৰ সাহিত্য তথা সৃষ্টিশীল ক্ষমতাৰ মাজত নিজকে বিলীন কৰি দিছিল, যাৰ পোহৰ আমাৰ সংস্কৃতিৰ ওপৰত ইয়াৰ সজীৱতাৰ ওপৰত বাৰুকৈয়ে পৰিছিল। তেওঁ শ্ৰীমন্ত শংকৰক অসমীয়া সংস্কৃতিৰ গুৰু বুলি অভিহিত কৰি শংকৰদেৱে দিয়া সংস্কৃতিৰ নাম কৃষ্ণ হিচাপে ব্যাখ্যা কৰিছে। তেওঁৰ মতে কৃষ্ণ হৈছে সংস্কৃতি বিৰোধীৰ বিৰুদ্ধে মানৱতাৰ এক সাংস্কৃতিক প্ৰতীক। তেওঁ কৃষ্ণৰ চৰিত্ৰ বিশ্লেষণ কৰি কৃষ্ণক সাংস্কৃতিক প্ৰতিমূৰ্তি হিচাপে গণ্য কৰিছিল। জ্যোতিপ্ৰসাদে শ্ৰীকৃষ্ণ, যীশুখৃষ্ট, বুদ্ধ, মহম্মদ, মাৰ্ক্স, লেনিন, অৰবিন্দ, ৰবীন্দ্ৰনাথ, গান্ধী আৰু শ্ৰীমন্ত শংকৰ আদি মহামানৱসকলক মানুহৰ সংস্কৃতি স্ৰষ্টা হিচাপে অভিহিত কৰিছিল। লগতে কৈছিল যে তেওঁলোকৰ সকলোৱেই মানুহৰ অন্তৰ আৰু বহিঃ সাংস্কৃতিক সৌন্দৰ্যবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। কিয়নো মানুহৰ সমস্ত জীৱনেই অন্তৰখনৰ প্ৰতিচ্ছবি, গতিকে অন্তৰ সংস্কৃতি হৃদয় আৰু মন দুয়োটাৰে সমানেই বিকাশ হ'ব লাগিব। সংস্কৃতি মানে সুন্দৰৰ উপাসনা।

চিৰ সুন্দৰৰ কৰি চিৰ আৰাধনা
মানুহৰ বুকুলৈ
মানুহৰ মনলৈ
মানুহৰ সৃষ্টিলৈ চিৰ সুন্দৰ নমাও
মানৱতাবাদী জ্যোতিপ্ৰসাদ
মই পৃথিৱীৰে জনতাক
মই ৰূপে দেখি
মই হৈয়ো মই আমি হওঁ

জ্যোতিপ্ৰসাদৰ প্ৰশান্ত মহাসাগৰসম সুবিশাল ব্যক্তিত্বৰ এক অনুপম দিশ হৈছে মানৱতাবোধ। তেওঁ কেতিয়াও সমাজৰ লোকৰ মাজত বিভেদৰ সৃষ্টি কৰা নাছিল। কেৱল এটা যোগাত্মক দিশটোহে তেওঁৰ চকুত পৰিছিল। জ্যোতিপ্ৰসাদৰ সৃষ্টিত প্ৰায়ে সাধাৰণ লোকৰ মনৰ কথাই ভূমুকি মাৰে। কোৱা বাহুল্য যে তেওঁ গীতৰ মাজত আমি বিচাৰি পাব পাৰোঁ বিশ্বজীৱন।

"মোৰ গানত জ্বলে শত যুগ কত অভিমান
মোৰ গানে বিচাৰে চিৰ দুখীয়াৰ চিৰ পৰিত্ৰাণ"

জ্যোতিপ্ৰসাদে জনতাৰ কল্যাণেই দেশৰ কল্যাণ আৰু সামূহিক বিকাশহে দেশৰ বিকাশ হিচাপে মত প্ৰকাশ কৰে। তেওঁ আকৌ কৈছে যে অসমৰ অস্তিত্বৰ মূল শিপাডাল অসমৰ গাঁৱৰ শিপা সংলগ্ন প্ৰাত্যহিক জীৱন আৰু সংস্কৃতিৰ সৈতে সংপৃক্ত। আকৌ মানুহে সদায় নিজ অস্তিত্বক নিজে সন্মান কৰিলেহে পৃথিৱীত গৌৰৱেৰে জীয়াই থাকিব বুলি তেওঁ ভাবিছিল, ইয়াতেই বোধ হয় তেওঁ মানৱীয় চেতনাৰ কথা।

লুইতৰ ঘাটেৰে
পৃথিৱী চাবলৈ ওলালি কোন
গাঁৱৰে সোণ
তই হ'বি দেশৰ জিলিকা জোন।

তেওঁ আছিল তিনিও কালৰ শিল্পীস্বৰূপ- অতীতৰ, বৰ্তমানৰ আৰু অনাগত ভৱিষ্যতৰ। এফালে যদি তেওঁ মানৱীয় প্ৰমূল্যবোধৰ পৰিচয়ক ধৰি ৰাখিব বিচাৰিছিল আনফালে আকৌ সংগ্ৰামী সত্তাৰ মাজেৰে সুন্দৰৰ আৰাধনা কৰাৰ পোষকতা কৰিছিল। শিল্পীয়ে জনতাৰ হৃদয়ত থিতাপি লোৱাৰ গুপুত মন্ত্ৰ তেওঁ জানিছিল। জীৱন-জিজ্ঞাসাৰ গীত গাইবলৈ জানিছিল।

জনতা তোৰ প্ৰাণৰো প্ৰাণত
মনৰো মনত,
শিল্পী যে মই
লুকাই লুকাই আছোঁ,
তোৰ সপোনৰ কত ছবিত
কত যে ফুল বাছোঁ,
লুকাই লুকাই আছোঁ...

মুঠৰ ওপৰত ক'ব পাৰি যে সৃষ্টিশীল বিপ্লৱী জ্যোতিপ্ৰসাদ আগৰৱালা কেৱল এগৰাকী কবি, অথবা সংগীতজ্ঞ নাছিল; অত্যুক্তি কৰা নহ'ব যে তেওঁ আছিল এগৰাকী দাৰ্শনিক, ভৱিষ্যদ্ৰষ্টা। যাৰ সূক্ষ্মাতিসূক্ষ্ম দৃষ্টিত সাৰি যোৱা নাছিল ভৱিষ্যৎ অসমৰ পৰিপ্ৰেক্ষিত। আজিৰ অসমত তেনে এগৰাকী ৰূপান্তৰৰ শিল্পীৰ প্ৰয়োজন। সাংস্কৃতিক অন্বেষক জ্যোতিপ্ৰসাদে অসমীয়া সংস্কৃতিৰ বৈশ্বিক মঞ্চত নিয়াৰ ক্ষেত্ৰত কোনো ত্ৰুটি ৰখা নাছিল। বিশ্ব শান্তি আৰু সম্প্ৰীতিৰ বাৰ্তা দি ঐক্য আৰু মানৱতাৰ প্ৰতীক হিচাপে বিবেচিত হৈ ৰোৱা জ্যোতিপ্ৰসাদ আছিল সুষম সমাজত বাস কৰিব বিচৰা সুন্দৰৰ উপাসক। অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰসাৰত তেওঁ নিজৰ ৪৮ বছৰীয়া হ্ৰস্ব জীৱনটো উৎসৰ্গা কৰিছিল।

*নিৰ্বাচিত অধ্যয়ন সহচৰ ঃ*

*জ্যোতিপ্ৰসাদ আগৰৱালা প্ৰণীত জ্যোতিৰ্ধাৰা (প্ৰবন্ধ সংকলন), সম্পাদনা অতুলচন্দ্ৰ হাজৰিকা, ১৯৬১*

*বিমল কুমাৰ হাজৰিকা; ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠ আৰু অন্যান্য; ২০১১*

*ভাস্কৰজ্যোতি মহন্তই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা সন্দৰ্ভত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সৈতে লোৱা সাক্ষাৎকাৰ। উৎস- Bhaskar Jyoti Mahanta (YouTube channel)*

*JYOTIPRASAD AGARWALA: A GENIOUS OF NORTHEAST; Director: Aparup AGarwala; DD Assam, under Prasar Bharati, public service broadcaster of India*

# উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা সত্ত্বেও পৰম্পৰা ৰক্ষা কৰি আঁহতগুৰি, দেউবালিত অনুষ্ঠিত হ'ল ম'হযুঁজ

**অসম বাৰ্তা, ৰহা, ১৬ জানুৱাৰী ঃ** ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ পৰিপেক্ষিতত আনুষ্ঠানিকভাবে অনুষ্ঠিত নহ'ল যদিও ভোগালীৰ আনন্দ-উলাহৰ মাজতে অনুষ্টুপীয়াকৈ হ'লেও ম'হযুঁজ অনুষ্ঠিত হয় আহত গুৰিৰ লক্ষ্মীনাথ বেজবৰুৱা জন্মস্থান আৰু ফুলগুৰিৰ নিকটৱৰ্তী দেউবালিত। প্ৰতি বছৰে পহিলা মাঘৰ দিনা অতি উলহ-মালহেৰে আঁহতগুৰিত অনুষ্ঠিত হৈ অহা এই ম'হযুঁজ অসমৰ ভোগালী উৎসৱৰ অন্যতম আকৰ্ষণ হিচাপে পৰিগণিত হৈ আহিছে। আঁহতগুৰিৰ এই ম'হযুঁজ উপভোগ নকৰিলে যেন ভোগালীৰ সাৰ্থকতাই নাথাকে। যাব বাবে এই দিনটোত নিচেই পুৱাই মধ্য অসমৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা কৌতূহলী ৰাইজে ঢাপলি মেলে আহতগুৰিব লক্ষ্মীনাথ বেজবৰুৱা খেলপথাৰলৈ। অৱশ্যে আজিও ইয়াৰ ব্যতিক্ৰম নহ'ল। ঐতিহ্যমণ্ডিত আঁহতগুৰি আঞ্চলিক ভোগালী উৎসৱ উদ্‌যাপন সমিতিয়ে সংবাদ মেল পাতি আনুষ্ঠানিকভাৱে ম'হযুঁজ অনুষ্ঠিত নহয় আৰু ভোগালী উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত ম'হযুঁজ নহয় বুলি ঘোষণা কৰাৰ পিছতো ম'হৰ গোৱালে পৰম্পৰা ৰক্ষা কৰিবলৈ পুৱাই পোহনীয়া গোনা ম'হক নোৱাই-ধুৱাই শিঙত তেল-সেন্দূৰ, ৰঙা ফিতা মাৰি, ঢোল-পেঁপা বজাই আনিলে নিজৰ ম'হ। বিভিন্ন ঠাইৰ পৰা হিলদ'ল ভাঙি আহিল দৰ্শক। আঁহতগুৰিৰ কপিলীৰ পাৰত আৰম্ভ হ'ল ম'হযুঁজ। ন্যায়ালয়ৰ নিষেধাজ্ঞাৰ বাবেই আঁহতগুৰি আঞ্চলিক ভোগালী উৎসৱ উদ্‌যাপন সমিতিয়ে আঁহতগুৰিত কোনো আনুষ্ঠানিক ম'হযুঁজ অনুষ্ঠিত নহয় বুলি ঘোষণা কৰাত ম'হযুঁজ প্ৰত্যক্ষ কৰিবলৈ অহা অগণন লোক হতাশ হৈ পৰা পৰিলক্ষিত হয়। এনে অৱস্থাত দূৰ-দূৰণিৰ পৰা যুঁজাৰু ম'হ লৈ অহা গোৱাল আৰু মালিকসকলো বিবুধিত পৰে। অৱশ্যে পিছত প্ৰাকৃতিকগত কাৰণ আৰু পৰম্পৰা ৰক্ষাৰ বাবেই ম'হৰ গোৱাল আৰু মালিকসকলে মিলি আঁহতগুৰি ম'হ যুঁজথলীৰ কিছু আঁতৰত নিজাববীয়াকৈয়ে অনানুষ্ঠানিকভাৱে ম'হযুঁজ অনুষ্ঠিত কৰে। অনানুষ্ঠানিভাৱে অনুষ্ঠিত এই ম'হযুঁজত মধ্য অসমৰ প্ৰায় বিছ হালৰো অধিক যুঁজাৰু গোণা ম'হে তুমুল যুঁজ প্ৰদৰ্শন কৰি ম'হযুঁজপ্ৰেমী ৰাইজক আনন্দ দিয়ে। উল্লেখ্য যে আহোম ৰাজত্ব কালৰে পৰা অনুষ্ঠিত হৈ অহা এই ম'হযুঁজৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি পূৰ্বতে মধ্য অসমৰ কপিলীৰ নদীৰ পাৰত অনুষ্ঠিত হোৱা এই ম'হযুঁজক ৰাইজৰ মাজত অধিক জনপ্ৰিয় কৰি তোলাৰ উদ্দেশ্যে ম'হযুঁজখনক ১৯৭২ চনত আঁহত গুৰিৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ লক্ষ্মীনাথ বেজবৰুৱা খেলপথাৰলৈ লৈ অহা হয়। তেতিয়াৰ পৰাই আঁহতগুৰিৰ ম'হযুঁজে ৰাজ্যখনৰ ভিতৰতেই বিশেষভাৱে প্ৰসাৰতা লাভকৰে। শ্ৰমজীৱী কৃষক ৰাইজৰো আনন্দ-উৎসৱৰ এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত এই ম'হযুঁজ আঁহতগুৰি তথা মধ্য অসমৰ ৰাইজৰ ভোগালী বিহুৰ অন্যতম উৎসৱ আৰু এক অনন্য লোক-সংস্কৃতিত পৰিণত হৈছে, যাৰ বাবে আজিৰ দিনটোত আঁহতগুৰিৰ ম'হযুঁজক লৈ বৃহত্তৰ আঁহতগুৰি অঞ্চলৰ লগতে মধ্য অসমতেই এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। দেখিলেই ভয় লগা জোঙাল শিঙত তেল-সেন্দূৰ সানি ৰঙা ফিতা লগাই আৰু ডিঙিত মালা পিন্ধাই যুদ্ধক্ষেত্ৰলৈ অনা গোণা ম'হে গোৱালৰ ঢোল-তাল-পেঁপাৰ ৰজনজনাই যোৱা শব্দ আৰু নাচি বাগি গোৱা লেলেতীয়া আৰু খুহুতীয়া বিহু গীতৰ মাজত ইটো ম'হে সিটো ম'হক ফেঁপেৰি পাতি যুঁজত অৱতীৰ্ণ হোৱাৰ দৃশ্যই ম'হযুঁজথলীৰ হাজাৰ হাজাৰ লোকক প্ৰতিটো মুহূৰ্ততে শিহৰিত কৰি তোলে। জাতি-ধৰ্ম নিৰ্বিশেষে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা হাজাৰ হাজাৰ ম'হযুঁজ প্ৰেমীৰ উছাহ-উদ্দীপনা, পথাৰত ঢোল-তাল, বিহু গীতৰ মাজত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থান আঁহতগুৰি বৃহত্তৰ অসমীয়া জাতিৰ সমন্বয়থলীতো পৰিণত হয়। অৱশ্যে উচ্চতম ন্যায়ালয়ৰ বাধা নিষেধৰ পৰিপ্ৰেক্ষিতত ২০১৫ চনৰ পৰাই আঁহতগুৰি আঞ্চলিক ম'হযুঁজ আৰু ভোগালী উৎসৱ সমিতিয়ে ম'হযুঁজ অনুষ্ঠিত কৰাৰ পৰা বিৰত আছে। স্থানীয় লোকৰ মতে ম'হৰ গোৱাল আৰু মালিকসকলে এই সময়ছোৱাত ম'ই যুঁজ অনুষ্ঠিত নকৰিলে ম'ইবোৰ খণ্ডাল হৈ পৰে বাবেই প্ৰাকৃতিক কাৰণতেই অনানুষ্ঠানিকভাবেই আঁহতগুৰিত ম'ইযুঁজ অনুষ্ঠিত কৰে। অৱশ্যে আঁহতগুৰিত আনুষ্ঠানিক ম'হ যুঁজ নহ'লেও ইয়াৰ বিপৰীতে আঁহতগুৰি আঞ্চলিক ভোগালী উৎসৱ উদ্‌যাপন সমিতিয়ে ১৪ জানুৱাৰীৰ পৰা ১৬ জানুৱাৰীলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আঁহতগুৰিত ভোগালী উৎসৱ অনুষ্ঠিত কৰিছে। এফালে ন্যায়ালয়ৰ বাধা, আনফালে অসমীয়া জাতীয় পৰম্পৰা ৰক্ষাৰ যুঁজ। সকলো বাধা নেওচি জতীয় আজি বহাৰ নিকটৱৰ্তী দেওবালিত পৰম্পৰা ৰক্ষা কৰি গোৱালে পাতিলে ম'হযুঁজ। দেওবালি-ম'হগড় কলংপাৰ পথাৰত স্থানীয় গোৱাল সকলৰ উদ্যোগত আজি অনুষ্ঠিত কৰিলে জাতীয় পৰম্পৰা ম'হযুঁজ। পুৱাৰ পৰাই বিভিন্ন স্থানৰ পৰা দৰ্শকৰ লানি নিছিগা সোঁত। বহু দূৰদুৰণিৰ পৰাও গোৱালে আনিলে ম'ই। ১০ হাল গোনা আৰু দমৰা ম'হৰ যুঁজে আমোদ দিলে সকলোকে। পৰম্পৰাগত ম'হযুঁজ অনুষ্ঠিত কৰি ৰাইজে নামানিলে ন্যায়ালয়ৰ নিষেধাজ্ঞা। ৰাইজে জনাই দিলে ম'হযুঁজ অনুষ্ঠিত হবই।

# অভয়াপুৰীৰ বয়োজ্যেষ্ঠৰ আশ্ৰমত এনাজৰী ফাউণ্ডেচনৰ উদ্যোগত "ভোগালীৰ আড্ডা"

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জানুৱাৰী ঃ** ভোগালী বিহুৰ পৱিত্ৰ ক্ষণত যোৱা ১৪ জানুৱাৰী নিশা এনাজৰী ফাউণ্ডেচনৰ উদ্যোগত অভয়াপুৰীস্থিত বয়োজ্যেষ্ঠৰ আশ্ৰম প্ৰাঙ্গণত "ভোগালীৰ আড্ডা" শীৰ্ষক এটি অন্তৰংগ, হৃদয়স্পৰ্শী আৰু স্মৰণীয় অনুষ্ঠান সফলভাৱে অনুষ্ঠিত হয়। আশ্ৰমত থকা বয়োজ্যেষ্ঠ সকলৰ সৈতে উৎসৱৰ আনন্দ বিনিময় কৰাৰ মহৎ উদ্দেশ্যেৰে এই বিশেষ কাৰ্যসূচী আয়োজন কৰা হয়। গীত, কবিতা, নৃত্য আৰু কথাৰ আবেগ আৰু আন্তৰিকতাৰ মিশ্ৰণেৰে সমৃদ্ধ এই অনুষ্ঠানত আশ্ৰম প্ৰাঙ্গণত এক আনন্দমুখৰ আৰু সংস্কৃতিময় মিলনস্থলত পৰিণত হয়। অনুষ্ঠানৰ আৰম্ভণিতে অসম সংগীত জগতৰ নক্ষত্ৰ জুবিন গাৰ্গৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি কেএচিৰ ডেপুটি চিফ সুকেন ৰায়ে বন্তি প্ৰজ্বলন কৰে। এই শুভ মুহূৰ্তই সমগ্ৰ অনুষ্ঠানটোক এক গম্ভীৰ মৰ্যাদা আৰু আধ্যাত্মিক আবহ প্ৰদান কৰে। অনুষ্ঠানত সাহিত্য, সংস্কৃতি আৰু সমাজসেৱাৰ সৈতে জড়িত বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি নিজৰ অনুভৱ আৰু মতামত প্ৰকাশ কৰে। কবিতা আবৃত্তিৰ জৰিয়তে লেখক উপেন বৰুৱা, আবৃত্তিকাৰ ৰাধিকা মোহন দাস আৰু সহকাৰী অধ্যাপিকা ৰীতা শৰ্মাই অনুষ্ঠানটোক অধিক সমৃদ্ধ কৰি তোলে। আনহাতে, বয়োজ্যেষ্ঠ আশ্ৰমৰ ককা-আইতা সকলেও গীত আৰু গীতাৰ শ্লোক পৰিৱেশন কৰি উপস্থিত সকলোৰে হৃদয় জয় কৰে আৰু অনুষ্ঠানটোক সজীৱতা প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰাপক শিক্ষক তথা অভয়াপুৰী ১ নং মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ড° ছিৰখাত হুছেইনে পৰিচালনা কৰা আৰু এনাজৰী ফাউণ্ডেচনৰ সঞ্চালক ইমামুল আহমেদৰ লগতে আশ্ৰাফুল আহমেদ আৰু মস্তাফিজুৰ ৰহমানৰ এই প্ৰশংসনীয় উদ্যোগৰ বাবে উপস্থিত অতিথি আৰু ৰাইজে ভূয়সী প্ৰশংসা কৰে। তেওঁলোকে বয়োজ্যেষ্ঠ নাগৰিকসকলৰ সৈতে উৎসৱৰ আনন্দ ভাগ কৰি লোৱাৰ এই প্ৰচেষ্টাক সমাজৰ বাবে এক অনুকৰণীয় দৃষ্টান্ত হিচাপে অভিহিত কৰে। অনুষ্ঠানত উপস্থিত থাকে জ্যেষ্ঠ সাংবাদিক বিনোদ বিহাৰী নাথ, আৰ জি এম কলেজৰ সহকাৰী অধ্যাপিকা ৰীতা শৰ্মা, সুকেন ৰায়, সাংবাদিক বিক্ৰম ৰঞ্জন ৰায়, সাংবাদিক উত্তম কুমাৰ মণ্ডল, সমাজকৰ্মী জয়শ্ৰী চৌধুৰী, লেখক উপেন বৰুৱা, কবি ৰাধিকা মোহন দাস, ডাঃ ওমৰ ফাৰুক, ডাঃ লুবাবা আলম, দেৱদাৰু একাডেমীৰ অধ্যক্ষ ড° আব্দুল বাতেন, শিল্পী প্ৰিয়ংকা দাস, নৃত্যশিল্পী জাগৃতি দাস, সমাজকৰ্মী অঞ্জনা শইকীয়া দাস, গায়ক ৰাজীৱ দাসৰ লগতে বহু গণ্য-মান্য ব্যক্তি। সমগ্ৰ অনুষ্ঠানটোৰ সময়ছোৱাত বয়োজ্যেষ্ঠ আশ্ৰমৰ ককা-আইতা সকলৰ মুখত হাঁহি আৰু মনত আনন্দৰ দীপ্তি স্পষ্টভাৱে পৰিলক্ষিত হয়। এনাজৰী ফাউণ্ডেচনৰ এই প্ৰশংসনীয় উদ্যোগে ভোগালী বিহুৰ প্ৰকৃত অৰ্থ-ভালপোৱা, একতা, সহানুভূতি আৰু মানৱীয়তা সফলভাৱে প্ৰতিফলিত কৰিবলৈ সক্ষম হয়।

# ১৮ জানুৱাৰীৰ পৰা ৰংদৈ দ-গাঁৱত সদৌ অসম শিশু ভাওনা সমাৰোহ

**অসম বাৰ্তা, নিমাতীঘাট, বাহনা, ১৬ জানুৱাৰী ঃ** অহা ১৮ জানুৱাৰীৰ পৰা উত্তৰ যোৰহাটৰ ৰংদৈ দ-গাঁৱৰ যুৱক বৃন্দৰ উদ্যোগত আৰু দ-গাঁওবাসীৰ ৰাইজৰ সহযোগত সপ্তম বাৰ্ষিক সদৌ অসম শিশু ভাওনা সমাৰোহ অনুষ্ঠিত হ'ব। বাহনা তিনি আলি সমীপত লবোৰাম শইকীয়া ৰাজহুৱা খেল পথাৰত অনুষ্ঠিত হ'ব লগা ভাওনা সমাৰোহ ১৮ জানুৱাৰীত আসন প্ৰতিষ্ঠা কৰিব ভৰেন বৰা, উষা কীৰ্তন কৰিব লীলা ৰাম কলিতা আৰু পতাকা উত্তোলন কৰিব শিশু ভাওনা সমাৰোহ উদযাপন সমিতিৰ সভাপতি প্ৰফুল্ল বৰাই। প্ৰয়াত যশস্বী শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰাৰ পাছতে ধৰ্মীয় শোভাযাত্ৰা, নাম প্ৰসংগ, আৰু সন্ধিয়া যদুমনি সাংস্কৃতিক গোষ্ঠী, যোৰহাট চেনিজানৰ শিল্পী সকলে পৰিৱেশন কৰিব লগা ৰুক্মিণী হৰণ ভাওনা উদ্বোধন কৰিব মাজুলীৰ দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী ননী গোপাল গোস্বামীয়ে। ঠিক সেইদৰে ১৯ জানুৱাৰীত যোৰহাট বৰুৱা পুখুৰী শিল্পী সকলে পৰিৱেশন কৰিব "অম্বাৰ দেহ ত্যাগ" দ্বিতীয়খন ভাওনা "বিপ্ৰ দামোদৰ আখ্যান দন্তবক্ৰৰ মুক্তি লাভ" নাটক পৰিৱেশন কৰিব গোলাঘাটৰ জ্ঞানতৰু সম্মিলিত শিল্পী সমাজে। ২০ জানুৱাৰীত প্ৰথমখন নাটক তিনিচুকীয়াৰ প্ৰয়াস সাংস্কৃতিক গোষ্ঠীয়ে "ধ্ৰুৱ চৰিত্ৰ" আৰু দ্বিতীয়খন উত্তৰ লক্ষ্মীমপুৰৰ মুৰাৰী গড়েহগা আঞ্চলিক শিশু ভাওনা দলে "দুষ্মন্ত শকুন্তলা পুনৰ মিলন" নাটক পৰিৱেশন কৰিব। ২১ জানুৱাৰীত প্ৰথম নাটক শঙ্কৰ মাধৱ শিল্পী সমাজ বৰহোলাই পৰিৱেশন কৰিব "গৰুড়ৰ অমৃত হৰণ, বিনতা দাসত্ব মোচন" আৰু দ্বিতীয়খন নাটক পৰিৱেশন কৰিব লাহিং নকছাৰীৰ শিল্পী সকলে "দক্ষ যজ্ঞ"। ২২ জানুৱাৰীত প্ৰথমখন নাটক "শকুনিৰ প্ৰতিশোধ" পৰিবেশন কৰিব দুলীয়াজানৰ ভাদৈ চাৰিআলিৰ আলোক সমন্বয় নাট্য গোষ্ঠীয়ে আৰু দ্বিতীয়খন "লক্ষণ বৰ্জন" নাটক পৰিৱেশন কৰিব শিৱসাগৰ শিমলুগুৰিৰ মধুসূদন শিল্পী সমাজে। ২৩ জানুৱাৰীত প্ৰথমখন নাটক ডিমৌ সাংস্কৃতিক গোষ্ঠী নাটঘৰে পৰিৱেশন কৰিব "শ্ৰী শ্ৰী ৰাম পৰাজয়, সীতা পাতাল গমন" আৰু দ্বিতীয়খন নাটক "ধ্ৰুৱ চৰিত্ৰ" যোৰহাট ন-সত্ৰৰ অভিনন্দন সাংস্কৃতিক গোষ্ঠীয়ে পৰিৱেশ কৰিব। ২৪ জানুৱাৰীত প্ৰথমখন নাটক যোৰহাটৰ ৰংদৈ দ-গাঁৱৰ শিশু ভাওনা দলে ভাগৱত দৰ্শন নাটক পৰিবেশন কৰাৰ পাছতে নিশা লৈ ভাওনাৰ ফলাফল ঘোষণা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। এই শিশু ভাওনা প্ৰতিযোগিতাত উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি সহায় সহযোগ কামনা কৰাৰ লগতে অসমৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তি, অভিনেতাই অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিয়ে।

## সীমান্ত সুৰক্ষা বাহিনীত চাকৰি লাভ দৰিদ্ৰ কৃষক পৰিয়ালৰ সন্তান আমিনুৰৰ

# চেঙাৰ ৰৌমাৰী পাথাৰ গাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিলে আমিনুৰ ইছলামে

**অসম বাৰ্তা, দৌলাশাল, ১৬ জানুৱাৰী ঃ** বৰপেটা জিলাৰ চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত ৰৌমাৰী পাথাৰ গাঁৱৰ কৃষক পৰিয়ালৰ সন্তান আমিনুৰ ইছলামে সীমান্ত সুৰক্ষা বাহিনীৰ চাকৰিত নিযুক্তি পোৱাত গাঁওখনত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। আইনাল হকৰ পুত্ৰ আমিনুৰ ইছলামে ভাৰত চৰকাৰৰ স্বৰাষ্ট্ৰ মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় আৰক্ষী বাহিনী বিএছএফৰ চাকৰি লাভ কৰি গাঁওখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বৰক্ষেত্ৰী মহাবিদ্যালয়ৰ বিজ্ঞানৰ স্নাতক মহলাৰ চতুৰ্থ যাণ্মাসিকৰ মেধাৱী ছাত্ৰ আমিনুৰ ইছলামৰ এই সফলতাত বিভিন্নজনে আমিনুৰৰ বাসগৃহত উপস্থিত হৈ শুভেচ্ছা জ্ঞাপন কৰিছে। দৰিদ্ৰ কৃষক পৰিয়ালৰ সন্তান আমিনুৰ ইছলামৰ সফলতাত সদৌ ৰৌমাৰী পাথাৰ গাঁও উন্নয়ন সমিতিৰ তৰফৰ পৰা আমিনুৰ ইছলামক আজি ফুলাম গামোচা, পিতলৰ শৰাই, ফুলাম জাপিৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সমাজসেৱক গোলাপ হুছেইন আৰু চানবৰ আলী আহমেদে আঁত ধৰা সম্বৰ্ধনা সভাখনত গাঁও উন্নয়ন সমিতিৰ সম্পাদক তাহেৰ আলীকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নাগৰিক উপস্থিত থাকি আমিনুৰক সম্বৰ্ধনা জ্ঞাপন কৰে। আনহাতে ৰৌমাৰী পাথাৰ সমাজসেৱক লাইব্ৰেৰীৰ তৰফৰ পৰা লাইব্ৰেৰীৰ সভাপতি কেৰামত আলী আহমেদ, সম্পাদক নুৰ মহম্মদ আলী আহমেদৰ নেতৃত্বত আমিনুৰক সম্বৰ্ধনা জ্ঞাপন কৰে। ১৯ নং হৰিপুৰ জিলা পৰিষদৰ সদস্য হাইদৰ আলী আহমেদ, উত্তৰ ৰৌমাৰী পাথাৰ আঞ্চলিক প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জেহেৰুল ইছলাম, ৬৫৩ নং ৰৌমাৰী পাথাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ, ৰৌমাৰী পাথাৰ হাইস্কুলৰ প্ৰধান শিক্ষক ৰমিজ উদ্দিন আহমেদকে ধৰি কেইবাগৰাকীও বিশিষ্ট লোকে আমিনুৰ ইছলামক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে অভিনন্দন জ্ঞাপন কৰে। আমিনুৰ ইছলামে মনৰ অনুভৱ ব্যক্ত কৰি কয় যে- "আজি মই যি সফলতা লাভ কৰিছোঁ ইয়াক লৈ মই সুখী। মই দৰিদ্ৰ কৃষক পৰিয়ালৰ সন্তান। মোৰ দেউতাই মোক বহুত কষ্ট কৰি আজিৰ এই পৰ্যায়লৈ লৈ আনিছে। মোৰ দেউতাই মোক কেতিয়াও হাৰ মানিবলৈ দিয়া নাছিল, এদিন সফলতা লাভ কৰিম বুলি দেউতাই সদায় সাহস আৰু অনুপ্ৰেৰণা যোগাই আহিছিল। গাঁৱৰ ৰাইজ আৰু মোৰ বন্ধুবৰ্গয়ো এই যাত্ৰাত মোক সহায় কৰিছিল। অসম আৰক্ষীৰ জোৱান হাফিজুৰ ৰহমান ছাৰেও মোক বহুত দিহা-পৰামৰ্শ প্ৰদান কৰি মোক আগুৱাই যাবলৈ সাহস দিছিল। আজি ৰাইজে মোক যিধৰণে সন্মান আৰু আশীৰ্বাদ দিছে মই সদায় ৰাইজৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।"

# ধিং সমষ্টিৰ হাইডুবিত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়ক দেৱব্ৰত শইকীয়াৰ পুত্তলিকা দাহ সাধাৰণ ৰাইজৰ



**অসম বাৰ্তা, বটদ্ৰৱা, ১৬ জানুৱাৰী ঃ** কংগ্ৰেছ দলৰ দুগৰাকীকৈ নেতা সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়ক দেৱব্ৰত শইকীয়াই প্ৰাক্তন আমছু নেতা ৰেজাউল কৰিম চৰকাৰৰ বিৰুদ্ধে কৰা মন্তব্যৰ পিছতেই সমগ্ৰ অসমৰ সংখ্যালঘু ৰাইজে এক প্ৰকাশ ক্ষুভীত হোৱা পৰিলক্ষিত হৈছে। সমগ্ৰ অসমৰ সংখ্যালঘু সংগঠন সমূহে প্ৰতিবাদ সাব্যস্ত কৰাৰ সমান্তৰালকৈ সাধাৰণ ৰাইজেও সাব্যস্ত কৰিছে প্ৰতিবাদ। আজিও ধিং সমষ্টিৰ অন্তৰ্গত হাইডুবি অঞ্চলৰ ৰাইজে হাইডুবি গৰকাপ্তানী পথত দুয়োগৰাকী নেতাৰ পুত্তলিকা দাহ কৰাৰ লগতে দুয়ো গৰাকী নেতাৰ গ'বেগ, মূৰ্দাবাদ, কংগ্ৰেছ হাই হাই আদি শ্ল'গানেৰে হাইডুবিৰ আকাশ-বতাহ কঁপাই তোলে। লগতে প্ৰতিবাদকৰী সকলে সমগ্ৰ অসমবাসী সংখ্যালঘু ৰাইজক কংগ্ৰেছ বৰ্জন কৰিবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও দুয়ো গৰাকী কংগ্ৰেছ নেতাক ধিং সমষ্টিত প্ৰৱেশ নিষিদ্ধ কৰে প্ৰতিবাদকাৰীয়ে।

## সকলোকে সংবদ্ধ কৰি আমি বৃহত্তৰ অসমীয়া সমাজ গঢ়িব বিচাৰোঁ ঃ নিতুল বৰা, অভিজিৎ নাথ, শংকৰ দাস

# শ্বহীদ নগৰী ঢেকীয়াজুলিত অনুষ্ঠিত হ'ব সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ বাৰ্ষিক অধিবেশন; আজি লাইখুঁটা স্থাপন



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৬ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শ্বহীদনগৰী ঢেকীয়াজুলিত আগন্তুক ২৫ জানুৱাৰী ২০২৬ তাৰিখে সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ চতুৰ্দশ বাৰ্ষিক অধিবেশন অনুষ্ঠিত হ'ব। এই ঐতিহাসিক অধিবেশনক সফল ৰূপ দিয়াৰ লক্ষ্যৰে আজি দিনৰ অনুমানিক ১২ বাজি ৩০ মিনিটত ঢেকীয়াজুলিৰ শ্বহীদ ময়দানত এক শ্ৰদ্ধা আৰু উৎসাহেৰে ভৰা পৰিবেশত অধিবেশনৰ লাইখুঁটা স্থাপন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীৰ জৰিয়তে অধিবেশনৰ প্ৰস্তুতি আনুষ্ঠানিকভাৱে আৰম্ভ হ'ল। ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া এই অধিবেশনক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত ইতিমধ্যে ব্যাপক সজাগতা আৰু উদ্দীপনা দেখা গৈছে। ছাত্ৰ সমাজৰ শিক্ষা, অধিকাৰ আৰু সমাজ গঠনত সংগঠনৰ ভূমিকা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই অধিবেশন এক গুৰুত্বপূৰ্ণ বিষয় হিচাপে গণ্য কৰা হৈছে। আজিৰ লাইখুঁটা স্থাপন অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি নিতুল বৰা, সংগঠনৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক নয়নজ্যোতি গগৈ, সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথ উপস্থিত থাকি অধিবেশনৰ সফলতাৰ বাবে সকলোকে একত্ৰিত হোৱাৰ আহ্বান জনায়। লগতে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় উপ সভাপতি মোহন তাঁতী, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য লক্ষেশ্বৰ মিৰ্ধা, সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ শোণিতপুৰ জিলা সমিতিৰ নেতা অনিল বাগ, সদৌ অসম ভোজপুৰী পৰিষদৰ শোণিতপুৰ জিলাৰ সভাপতি সন্তোষ চাহনী, আছাৰ শোণিতপুৰ জিলাৰ সভাপতি আনন্দ তাঁতীসহ বিভিন্ন সামাজিক-ছাত্ৰ সংগঠনৰ নেতা-কৰ্মীসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সদৌ অসম ছাত্ৰ সন্থাৰ শোণিতপুৰ জিলা সমিতি আৰু ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু সদস্যসকলৰ সক্ৰিয় উপস্থিতিয়ে অধিবেশনৰ প্ৰতি থকা দায়বদ্ধতা আৰু ঐক্যৰ স্পষ্ট প্ৰতিফলন ঘটায়। বক্তাসকলে অধিবেশনটোক শোণিতপুৰ জিলাৰ ছাত্ৰ আন্দোলনৰ ইতিহাসত এক স্মৰণীয় অধ্যায় হিচাপে গঢ়ি তোলাৰ প্ৰত্যয় ব্যক্ত কৰে। আজিৰ অনুষ্ঠান সফলভাৱে সম্পন্ন হোৱাত সহযোগ আগবঢ়োৱা সকলো সংগঠন, শুভাকাংক্ষী আৰু ঢেকীয়াজুলিবাসী ৰাইজলৈ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ড° শুকদেৱ অধিকাৰী, কাৰ্যকৰী সভাপতি কাজল বৰা, সম্পাদক শংকৰ দাসৰ লগতে অন্যান্য বিষয়ববীয়া সকলে। তেওঁলোকে আগন্তুক দিনসমূহতো সকলোৰে সহযোগিতা আৰু সমৰ্থন একান্তভাৱে কামনা কৰে।

# উজনি অসমৰ সৰ্বাধিক পুৰণি ৮০ সংখ্যক দেৰগাঁও ভোগালী বিহু সন্মিলন সম্পন্ন

**অসম বাৰ্তা, দেৰগাঁও, ১৬ জানুৱাৰী ঃ** দেৰগাঁৱৰ লঠাগাঁওস্থিত ঐতিহ্যমণ্ডিত অজলা পুথিভঁৰালৰ প্ৰাংগনত অনুষ্ঠিত কৰি অহা উজনি অসমৰ সৰ্বাধিক পুৰণি ৮০ সংখ্যক ভোগালী বিহু সন্মিলনখনি বৃহস্পতিবাৰে সামৰণি পৰে। মঙ্গলবাৰে উৰুকাৰ নিশা মেজি প্ৰজ্বলন কাৰ্যসূচীৰে শুভাৰম্ভণী কৰা ভোগালী বিহু সন্মিলন খনি অনুষ্ঠিত কৰা হয় তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে। বুধবাৰে দ্বিতীয় দিনা ছাত্ৰ ছাত্ৰী সকলৰ মাজত বিভিন্ন খেল-ধেমালি, কবিতা সাধুকোৱা, আকস্মিক বক্তৃতা, স্মৃতি পৰীক্ষা আদি অনুষ্ঠিত কৰা হয়। সন্ধিয়ালৈ অনুষ্ঠিত কৰা হয় গোলাঘাট জিলা ভিত্তিত নৃত্য প্ৰতিযোগিতা। বৃহস্পতিবাৰে তৃতীয় দিনা ছবি অঁকা, পিঠা প্ৰতিযোগিতা, টেকেলি ভঙা প্ৰতিযোগিতাৰ সমান্তৰালভাৱে অনুষ্ঠিত হয় ভেশছন প্ৰতিযোগিতা। কণকণ শিশুসকলে অংশগ্ৰহণ কৰা এই ভেশছন প্ৰতিযোগিতাত প্ৰতিফলিত হয় পৰম্পৰাগত কৃষ্টি সংস্কৃতি আৰু চহা জীৱনৰ বিভিন্ন প্ৰতিচ্ছবিৰ লগতে হিয়াঁৰ স্পন্দন জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়ৰ দাবী। তিনিদিনীয়া কাৰ্যসূচীৰ মাজতে বিহুৰ লগত সংগতি ৰাখি কেইবাগৰাকীও বৰ্ষীয়ান ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। বৃহস্পতিবাৰে নিশা ভাগলৈ নাট্যকাৰ প্ৰবীণ ফুকনৰ সামাজিক নাটক অজলা ককাইৰ পগলা মৰম প্ৰদৰ্শনেৰে কাৰ্যসূচীৰ সামৰণি পৰে।

## বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত অঞ্চলবাসী

# ছমৰীয়াৰ কলহীকাষ পানী যোগান আঁচনি পৰিত্যক্ত



**অসম বাৰ্তা, গৰৈমাৰী, ১৬ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত কলহীকাষৰ পানী যোগান আঁচনিখন দীৰ্ঘদিনৰ ধৰি পৰিত্যক্ত অৱস্থাত আছে। উল্লেখ্য যে বকো উপ-সংমণ্ডলৰ অঞ্চলবোৰত ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে ইতিপূৰ্বে স্থাপন কৰা একাংশ আঁচনি সম্প্ৰতি পৰিত্যক্ত হৈ থকাত অঞ্চলবাসীয়ে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। বিভাগীয় কৰ্তৃপক্ষৰ চৰম অনীহা আৰু অকৰ্মণ্যতাৰ বাবেই ইতিপূৰ্বে স্থাপন কৰা পানী যোগান আঁচনিবোৰ পৰিত্যক্ত হৈ পৰা বুলি ৰাইজে প্ৰকাশ কৰিছে। অৱশ্যে ইয়াৰে দুই-এখন কেন্দ্ৰত পানী যোগানৰ ব্যৱস্থা চলি আছে যদিও ৰাইজে গেদযুক্ত নতুবা আইৰণ থকা পানীকে ব্যৱহাৰ কৰিবলগা হৈছে। জানিব পৰামতে জনস্বাস্থ্য কাৰিকৰী বিভাগে কলহীকাষ গাঁৱত বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ উদ্দেশ্য বিগত প্ৰায় ১৪ বছৰ পূৰ্বে ৰাইজৰ সুবিধাৰ্থে এখন কেন্দ্ৰ স্থাপন কৰে। ইপিনে আঁচনিখনৰ নিৰ্মাণকাৰ্য যথাসময়ত সম্পন্ন কৰি কিছুদিন ৰাইজক বিশুদ্ধ পানী যোগানৰ ব্যৱস্থা কৰিছিল। কিন্তু দিন বাগৰাৰ লগে লগে আঁচনিখন বন্ধ হোৱাৰ লগতে সম্প্ৰতি পানীৰ 'টেপ'ৰ চিন-চাব নোহোৱা হৈ পৰে। ইপিনে আঁচনিখন পৰিত্যক্ত হোৱাত কলহীকাষৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজ বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হৈছে। ইপিনে আঁচনি পৰিত্যক্ত সন্দৰ্ভত বিভাগীয় কৰ্তৃপক্ষক বাৰম্বাৰ অৱগত কৰোৱাৰ পিচতো কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে। উল্লেখ্য যে কলহীকাষৰ বিশুদ্ধ খোৱাপানী যোগান কেন্দ্ৰখন দীৰ্ঘদিন ধৰি বন্ধ তথা পৰিত্যক্ত হৈ থকাত অঞ্চলটোৰ জনসাধাৰণে নদী, খাল, পুখুৰী, আইৰণযুক্ত দমকলৰ পানীকে ব্যৱহাৰ কৰিবলগীয়া হৈছে। কেইবা বছৰ ধৰি বন্ধ হৈ থকাত আঁচনিখনে ৰাইজক বিশুদ্ধ খোৱাপানী যোগান ধৰিবলৈ সক্ষম নোহোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে পৰিত্যক্ত অৱস্থাত থকা ছমৰীয়াৰ কলহীকাষৰ পানী যোগান কেন্দ্ৰৰ জৰিয়তে অতি শীঘ্ৰে পানী যোগানৰ ব্যৱস্থা কৰিবলৈ ৰাইজে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ হস্তক্ষেপ দাবী কৰিছে।

# বগুৱান বালিকা বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষক সমাজকৰ্মী লক্ষ্মীকান্ত শৰ্মাৰ পৰলোক, শোকৰ ছাঁ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১৬ জানুৱাৰী ঃ** পশ্চিম গোৱালপাৰা জিলাৰ বগুৱান থানাৰ অন্তৰ্গত বগুৱান অঞ্চলৰ স্থায়ী বাসিন্দা, অৱসৰী প্ৰধান শিক্ষক, সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি লক্ষ্মীক্ষান্ত শৰ্মাৰ বুধবাৰে পৰলোকপ্ৰাপ্তি হয়। শিক্ষকতাকে জীৱনক ব্ৰত হিচাপে লৈ বগুৱানৰ বগুৱান বালিকা বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে চাকৰিত যোগদান কৰি সেইখন বিদ্যালয়ৰ পৰাই অৱসৰ গ্ৰহণ কৰা লক্ষ্মীকান্ত শৰ্মা এগৰাকী সৰবৰহী ব্যক্তি হিচাবে পৰিচিত আছিল। প্ৰধান শিক্ষক হিচাবে তেওঁ ৰাইজৰ মাজত অতি জনপ্ৰিয় আছিল। তেওঁৰ বহু ছাত্ৰই আজি কৃতিত্বৰে বিভিন্ন বিভাগত ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে দেশ-বিদেশত চাকৰি কৰি আছে। তেওঁৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে অলেখ গুণমুগ্ধৰে ভৰি পৰে তেওঁৰ বাসগৃহ আৰু অঞ্চলটোৰ সৰবৰহী ব্যক্তি গৰাকীক অশ্ৰুসিক্ত নয়নেৰে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, দুগৰাকী বোৱাৰী, দুগৰাকী জী, নাতি-নাতিনী তথা আত্মীয় কুটুমক এই সংসাৰত এৰি থৈ যায়। কালি দুপৰীয়া পেস্কাৰপাৰা-বৰবগুৱান ৰাজহুৱা শ্মশানত অগণন গুনমুগ্ধৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সমাপন কাম হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০৩ বছৰ। তেখেতৰ মৃত্যুত বগুৱান অঞ্চলত শোকৰ ছাঁ পৰে।

## কিডনী বেছি হ'লেও

কৰ্মী সকল। পিছ পৰি থকা নাই বঙাইগাঁও জিলাৰ নৱ গঠিত ১৭ নং সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বিচৰা নেতা আৰু ৰাজনৈতিক দল। পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধান সভা সমষ্টি খনৰ কিছু অংশ বাদ দি আৰু অন্য দুটা সমষ্টিৰ পৰা কিছু অংশ সংযোগ কৰি ১৭ নং সৃজনগ্ৰাম সমষ্টি গঠন কৰা হয়। পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিখন মাত্ৰ দুটা ৰাজনৈতিক দলে শাসন কৰা পৰিলক্ষিত হয়। এটা কংগ্ৰেছ আৰু আনটো অগপ। এইবেলি সমষ্টি খনত সকলো অংক ওলোট পালট কৰি দিছে। যোৱা দহটা বছৰে অগপ আৰু এআইইউডিএফে যোৰদাৰ চেষ্টা চলাইছে যদিও কংগ্ৰছক চেৰ পেলাব পৰা নাই। এইবাৰ সমষ্টিখনত নিৰ্বাচনী যুঁজ অধিকআকৰ্ষণীয় হোৱাৰ কথা উল্লেখ কৰিছে সমষ্টি খনৰ বহু গণ্য মান্য ব্যক্তিয়ে। কংগ্ৰেছ দলৰ পৰা কেইবাজনো প্ৰাৰ্থীয়ে প্ৰাৰ্থীত্ব বিচাৰিছে যদিও তাৰ ভিতৰত বৰ্তমান বিধায়ক আব্দুল বাতিন খন্দকাৰ, প্ৰাক্তন বিধায়ক আব্দুল হাই নাগৰী আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক নৰুল ইছলামে জোৰদাৰ প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। ঠিক একেদৰে পিছ পৰি থকা নাই অসম গণ পৰিষদ দলৰ কৰ্মকৰ্তা সকল। পূৰ্বৰ ৩৪ নং অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ পৰা অসম গণ পৰিষদ দলৰ পৰা চাৰিবাৰকৈ বিধায়ক হৈছিল ভূপেন ৰয়। কিন্তু এইবাৰ সমষ্টি কিছু সালসলনি হোৱাত ভূপেন ৰায়ে অভয়াপুৰী সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু অসম গণ পৰিষদ দলৰ পৰা নতুনকৈ হোৱা ১৭ নং সৃজনগ্ৰাম সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব অগপৰ যুৱ নেতা ছাহিদুল হক। হকে সমষ্টিৰ চোকে কোণে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। ইফালে এআইইউডিএফৰ প্ৰাৰ্থী নিক্ষেপ কৰিব নে নাই সেই কথা এতিয়াওঁ স্পষ্ট হোৱা নাই। অৰ্থাৎ সমষ্টি খনত পূৰ্বৰে পৰাই এআইইউডিএফৰ ভেটি অধিক দুৰ্বল। যোৱা ১১ জানুৱাৰী তাৰিখে সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ সদ্য প্ৰাক্তন সভাপতি ৰেজাউল কৰিম সৰকাৰে কংগ্ৰেছত যোগদান কৰিছিল। কিন্তু যোগদানৰ পূৰ্বে কংগ্ৰেছৰ কিছু নেতাই বিৰোধ কৰিছিল। কাৰণ সৰকাৰে সৃজনগ্ৰাম সমষ্টিৰ পৰা কংগ্ৰছত যোগদান কৰি প্ৰাৰ্থীত্ব বিচাৰিছিল। যাৰ বাবে বহু পৰণি কংগ্ৰেছ কৰ্মী আৰু প্ৰাক্তন বিধায়কে এই ক্ষেত্ৰত প্ৰদেশ কংগ্ৰেছৰ সভাপতি লৈ আপত্তি দৰ্শাইছিল। তাৰ পিছতো যেতিয়া সৰকাৰে ১১ জানুৱাৰীত সৰকাৰক কংগ্ৰছে আঁকোৱালি লৈছিল তেতিয়াৰে পৰাই সমষ্টি খনৰ কংগ্ৰেছ নেতা সকলোৰ থৰক বৰক আৰম্ভ হৈছিল। পৰৱৰ্তী সময়ত সৰকাৰে বিতৰ্কিত মন্তব্য কৰাৰ অভিযোগ উত্থাপন হয়। যাৰ বাবে ১৪ জানুৱাৰী তাৰিখে সৰকাৰে কংগ্ৰেছৰ পৰা পদত্যাগ কৰে। বৰ্তমান ৰেজাউল কৰিম সৰকাৰে কোনো দলত যোগদান কৰা নাই। সমষ্টি খনত সৰকাৰৰ যথেষ্ট জনপ্ৰিয়তা আছে বুলি ইতিমধ্যে প্ৰকাশ পাইছে। এতিয়া কথা হল যে ৰেজাউল কৰিম সৰকাৰ কোন দলত যোগদান কৰে সেয়া সময়ত লক্ষণীয় হব আৰু সৃজনগ্ৰাম সমষ্টিৰ নিৰ্বাচনী যুঁজ কাৰ কাৰ মাজত হয় সেই বিষয়টো সময়ত দেখা যাব। ইতিমধ্যে জানিব পৰা মতে ৰেজাউল কৰিম সৰকাৰ যদিও কোনো দলত যোগদান কৰা নাই কিন্তু নিজৰ প্ৰচাৰ দল প্ৰকাশ নকৰি ঠিকেই কৰি আছে। এতিয়া বহুতেই প্ৰশ্ন উত্থাপন কৰিছে যে ৰেজাউল কৰিম সৰকাৰ এআইইউডিএফৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব নেকি? মুঠতে এইবাৰ অধিক আকৰ্ষণীয় হব সৃজনগ্ৰাম সমষ্টিৰ নিৰ্বাচন।

## কংগ্ৰেছৰ বিৰুদ্ধে ভুৱা বা

কয় যে, কংগ্ৰেছে নিজৰ অফিচিয়েল ছ'চিয়েল মিডিয়া পেজত প্ৰকাশ কৰা সমীক্ষাৰ তথ্যসমূহ সঠিকভাৱে আৰু সম্পূৰ্ণৰূপে উপস্থাপন কৰা নাই, যাৰ ফলত ভোটাৰসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে। ভোট ভাইবে প্ৰকাশ কৰা জনমত সমীক্ষাৰ মতে, অসমৰ জনসাধাৰণে এইবাৰ স্পষ্ট পৰিৱৰ্তন বিচাৰিছে, কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহিলা আৰু পুৰুষ দুয়ো শ্ৰেণীৰ ভোটাৰৰ মাজত উল্লেখযোগ্য সমৰ্থন লাভ কৰিছে। প্ৰাৰম্ভিক তথ্য অনুসৰি হিমন্ত বিশ্ব শৰ্মাক সমৰ্থন আগবঢ়োৱা মহিলা ভোটাৰৰ হাৰ ৩৩ শতাংশ আৰু পুৰুষ ভোটাৰৰ হাৰ ২৯ শতাংশ। আনহাতে কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে মহিলা ভোটাৰৰ মাজত ৩৫ শতাংশ আৰু পুৰুষ ভোটাৰৰ মাজত ৩২ শতাংশ সমৰ্থন লাভ কৰিছে বুলি উল্লেখ কৰা হৈছে। কিন্তু এই পৃথক তথ্যসমূহৰ উপৰিও সমীক্ষাৰ সামগ্ৰিক বিশ্লেষণত ভিন্ন চিত্ৰ প্ৰকাশ পাইছে। ভোট ভাইবৰ বিস্তৃত প্ৰতিবেদন অনুসৰি ৰাজ্যৰ প্ৰায় ৫৫ শতাংশ মহিলা ভোটাৰৰ প্ৰথম পছন্দ হিমন্ত বিশ্ব শৰ্মা। এই গুৰুত্বপূৰ্ণ তথ্য কংগ্ৰেছে নিজৰ অফিচিয়েল পেজত আপলোড কৰা সমীক্ষাত স্পষ্টভাৱে উল্লেখ নকৰি বা আংশিকভাৱে উপস্থাপন কৰি ভিন্ন ৰূপ দিয়া বুলি অভিযোগ উত্থাপন হৈছে। ইয়াৰ ফলত সমীক্ষাৰ মূল উদ্দেশ্য আৰু জনমতৰ প্ৰকৃত ছবি বিকৃত হোৱাৰ আশংকা প্ৰকাশ কৰা হৈছে। ৰাজনৈতিক পৰ্যবেক্ষক আৰু বিশে-যকসকলে মত প্ৰকাশ কৰিছে যে, জনমত সমীক্ষা আংশিক বা উদ্দেশ্যপ্ৰণোদিতভাৱে প্ৰকাশ কৰিলে ভোটাৰসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি হয়। এনে প্ৰচাৰে নিৰ্বাচনী পৰিৱেশক প্ৰভাৱিত কৰাৰ লগতে গণতান্ত্ৰিক প্ৰক্ৰিয়াত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। বিশেষকৈ যেতিয়া নিৰ্বাচনৰ পূৰ্বে জনমত সমীক্ষাই দলসমূহৰ কৌশল নিৰ্ধাৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, তেতিয়া তথ্যৰ সঠিকতা আৰু স্বচ্ছতা অতি জৰুৰী। এই অভিযোগে ৰাজ্যৰ ৰাজনৈতিক মঞ্চত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। কংগ্ৰেছে এই অভিযোগক লৈ এতিয়ালৈকে কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই, কিন্তু বিজেপি শিবিৰৰ পৰা ইয়াক কংগ্ৰেছৰ পুৰণি অভ্যাস হিচাপে চিহ্নিত কৰা হৈছে। আগন্তুক দিনবোৰত এই বিষয়ে অধিক তথ্য আৰু প্ৰতিক্ৰিয়া আহিব বুলি আশা কৰা হৈছে। এই ঘটনাই অসমৰ নিৰ্বাচনী ৰাজনীতিত ছ'চিয়েল মিডিয়াৰ ভূমিকা আৰু তথ্যৰ স্বচ্ছতাৰ প্ৰয়োজনীয়তাক আৰু একবাৰ উজ্জ্বল কৰি তুলিছে। ভোটাৰসকলে সঠিক তথ্যৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত ল'বলৈ সক্ষম হ'ব লাগিব বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে।

## ৰাজ্য চৰকাৰৰ ২০২৬

মৰণোত্তৰভাৱে এই বছৰৰ শিল্পী বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। অসমীয়া সংগীত আৰু সংস্কৃতি জগতলৈ তেওঁৰ অমূল্য অৱদানৰ স্বীকৃতিস্বৰূপে এই সন্মান আগবঢ়োৱা হৈছে। লগতে বিশিষ্ট শিল্পী ধনদা পাঠককো ২০২৬ বৰ্ষৰ শিল্পী বঁটাৰে সন্মানিত কৰা হ'ব। এই বঁটা দুয়োগৰাকী শিল্পীৰ দীৰ্ঘদিনীয়া সাধনা আৰু অসমৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত অৱদানৰ বাবে প্ৰদান কৰা হৈছে। আনহাতে, ২০২৫ বৰ্ষৰ বিভিন্ন বিশেষ বঁটাৰ ঘোষণাও কৰা হৈছে। সাহিত্যিক মনেশ্বৰ দেউৰীলৈ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বঁটা, বিশিষ্ট শিক্ষাবিদ ড° অমলেন্দু চক্ৰৱৰ্তীলৈ গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা, নাট্যশিল্পী কৰুণা ডেকালৈ নটসূৰ্য ফণী শৰ্মা বঁটা, চলচ্চিত্ৰ নিৰ্মাতা অৰূপ মান্নালৈ ড° ভবেন্দ্ৰ নাথ শইকীয়া বঁটা আৰু অৱনী ৰঞ্জন পাঠকলৈ বিজু ফুকন বঁটা আগবঢ়োৱা হ'ব। এই বঁটাসমূহে অসমৰ সাহিত্য, শিক্ষা, নাটক আৰু চলচ্চিত্ৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তিসকলক স্বীকৃতি দিয়ে। চৰকাৰে শিল্পীসকলৰ কল্যাণৰ বাবে বিভিন্ন আৰ্থিক সাহায্য আঁচনিও ঘোষণা কৰিছে। ৰাজ্যৰ ৮৩ গৰাকী শিল্পীলৈ নিয়মীয়া শিল্পী পেঞ্চন আৰু ৩ গৰাকী বিশেষভাৱে সক্ষম শিল্পীলৈও নিয়মীয়া পেঞ্চন প্ৰদান কৰা হ'ব। লগতে ১৭০ গৰাকী শিল্পীলৈ বাৰ্ষিক শিল্পী সন্মান আৰু ৩ গৰাকী বিশেষভাৱে সক্ষম শিল্পীলৈও এই সন্মান আগবঢ়োৱা হ'ব। প্ৰয়াত শিল্পীসকলৰ পৰিয়ালৰ বাবে ২৬ গৰাকী শিল্পীৰ পৰিয়াললৈ নিয়মীয়া পেঞ্চন আৰু ৫ গৰাকী শিল্পীৰ পৰিয়াললৈ বিশেষ এককালীন সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই পদক্ষেপসমূহে অসমৰ সাংস্কৃতিক জগতৰ শিল্পীসকলক আৰ্থিক সুৰক্ষা প্ৰদান কৰি তেওঁলোকৰ সৃষ্টিশীলতাক উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। অসম চৰকাৰৰ এই ঘোষণাই ৰাজ্যৰ কলা-সংস্কৃতি আৰু সাহিত্যৰ ক্ষেত্ৰত নতুন উদ্দীপনা যোগাব বুলি বিশেষজ্ঞসকলে মন্তব্য কৰিছে। বিশেষকৈ সমৰ হাজৰিকাৰ দৰে প্ৰখ্যাত শিল্পীৰ মৰণোত্তৰ সন্মানে অসমীয়া সংগীতৰ ঐতিহ্যক আৰু অধিক মৰ্যাদা প্ৰদান কৰিব।

## গৌৰৱ গগৈৰ নিজা সমষ্টিতেই কংগ্ৰেছত

কৰাৰ সময়তে দলটোৰ ভিতৰতে এতিয়া একাংশই সাংগঠনিক পদবীৰ বাবেই সৃষ্টি কৰা অস্বস্তিকৰ পৰিস্থিতিয়ে বিজেপিকহে লাভৱান কৰিবলৈ যেন গৈ থকা পৰিলক্ষিত হৈছে। অসমৰ গুৰুত্বপূৰ্ণ মাজুলী বিধান সভা সমষ্টিত কংগ্ৰেছ দলৰ পৰা এইবাৰ কেইবাখনো নতুন মুখে প্ৰাৰ্থীত্বৰ বাবে কুচ-কাৱাজ অব্যাহত ৰাখিছে যদিও এতিয়া প্ৰাৰ্থীত্বৰ বাবে নহয় সাংগঠনিক দুটা পদবীক লৈয়েই এতিয়া একপ্ৰকাৰে মাজুলী কংগ্ৰেছ কেইবাটাও লবীত বিভক্ত হোৱা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে মাজুলীত কংগ্ৰেছৰ দুই সাংগঠনিক ব্লক মাজুলী ব্লক আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি সালসলনি কৰি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি হিচাপে দেৱ কান্ত দাস আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি হিচাপে প্ৰণৱ জ্যোতি বাৰিকক তৎকালীন ভাৱে কাৰ্যকৰী হোৱাকৈ নিযুক্তি দিয়াৰ পিছতেই এতিয়া মাজুলী কংগ্ৰেছ অভ্যন্তৰীণ সংঘাতত জৰ্জৰিত হোৱা পৰিলক্ষিত হৈছে। উজনি মাজুলী ব্লক কংগ্ৰছৰ কমিটিৰ নতুন সভাপতি প্ৰণৱজ্যোতি বাৰিকক দায়িত্ব ন্যস্ত কৰাৰ খবৰ প্ৰকাশ পোৱাৰ পিছতেই ১৪ জানুৱাৰীৰ দিনা জেংৰাইমুখ ৰাজীৱ ভৱনত বিদ্ৰোহী কংগ্ৰেছীয়ে তলা উলমাই দিয়াৰ লগতে কালি বাৰিকে দায়িত্বভাৰ লোৱাৰ সময়তো কংগ্ৰেছ কাৰ্য্যকালটোত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পিছত আজি উক্ত প্ৰসংগই নতুন মোৰ লোৱা পৰিলক্ষিত হৈছে। প্ৰদেশ কংগ্ৰেছৰ সম্পাদক তথা মাজুলীৰ তত্বাৱধায়ক বাণী হাজৰিকাই স্বেচ্ছাচাৰিতাৰে গণভিত্তি নথকা লোকক ব্লক কংগ্ৰেছত নতুন দায়িত্ব অৰ্পণ কৰা বুলি কালি উজনি ব্লকৰ একাংশ কংগ্ৰেছীয়ে অভিযোগ উত্থাপন কৰি বাণী হাজৰিকাৰ বিৰুদ্ধে আন কেতবোৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰাৰ পিছতেই বিষয়টোৱে আজি নতুন মোৰ লোৱা পৰিলক্ষিত হয়। মাজুলী ব্লক কংগ্ৰেছৰ অপসাৰিত সভাপতি লক্ষ্য গায়ন আৰু উজনি মাজুলী ব্লক কংগ্ৰেছৰ অপসাৰিত সভাপতি মহেন্দ্ৰ শইকীয়াই আজি বিষয়টোত নতুন টুইষ্ট দি কয় যে মাজুলীৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী ড° ইন্দ্ৰনীল পেগুক সমৰ্থন দিয়াৰ বাবেই তত্বাৱধায়ক বাণী হাজৰিকাৰ পৰামৰ্শ মতেই মোক অপসাৰণ কৰা হৈছে বুলি উল্লেখ কৰে। মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° পেগুৰ সমৰ্থনত মাজুলীৰ দুই ব্লক কংগ্ৰেছৰ সমৰ্থন থকা মানেই ড° ইন্দ্ৰনীলৰ টিকট নিশ্চিত বুলি অনুভৱ কৰিয়েই এনেকুৱা এটা সময়ত এনে সালসলনি কৰা বুলি দুয়োগৰাকীয়ে স্পষ্ট ভাৱে উল্লেখ কৰে। ইফালে ইয়াৰ পৰাই এটা কথা বুজা গ'ল যে আপাতত দৃষ্টিত এয়া সাংগঠনিক পদবীৰ বাবেই হোৱা সংঘাত যদিও প্ৰকৃতাৰ্থত মাজুলী কংগ্ৰেছৰ ভিতৰচৰাঁত এতিয়া প্ৰাৰ্থীত্বকেন্দ্ৰীক এখন শীতল যুঁজ আৰম্ভ হৈ গৈছে। এই শীতল যুঁজত কৰ শক্তিৰ হাত আছে সেয়া সময়তহে স্পষ্ট হ'ব যদিও নিৰ্বাচনৰ প্ৰাকক্ষণত সভাপতি গৌৰৱ গগৈৰ নিজা সমষ্টিতে হোৱা এনে সাংগঠনিক অৰাজকতাই বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইফালে উজনি ব্লকৰ নৱ-নিযুক্ত সভাপতি প্ৰণৱ জ্যোতি বাৰিকে ২০২৫ চনতেই কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰাৰ পিছতো পুনৰ উজনি মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি হিচাপে নিযুক্তি লাভ কৰাক লৈ দলৰ ভিতৰত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত একাংশ কংগ্ৰেছ কৰ্মীয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। এই প্ৰসংগত আজি উজনি মাজুলীৰ ৮ জনকৈ মণ্ডল সভাপতিয়ে ফুলনি পঞ্চায়তৰ মণ্ডল সভাপতিৰ গৃহত এক সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলত তেওঁলোকে উজনি মাজুলী ব্লক কংগ্ৰেছৰ নৱনিযুক্ত সভাপতি প্ৰণৱ জ্যোতি বাৰিকক তৎক্ষণাৎ সভাপতি পদৰ পৰা অব্যাহতি দিবলৈ দাবী জনায়। লগতে এই সন্দৰ্ভত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈলৈ এখন প্ৰস্তাৱ প্ৰেৰণ কৰা হ'ব বুলিও জানিবলৈ দিয়ে আটাইকেইজন মণ্ডল সভাপতিয়ে। সংবাদ মেলত মাজুলী জিলাৰ কংগ্ৰেছ তত্বাৱধায়ক বাণী হাজৰিকাক লৈও তীব্ৰ অসন্তোষ প্ৰকাশ কৰে একাংশ কংগ্ৰেছ কৰ্মীয়ে। তেওঁলোকে বাণী হাজৰিকাক বিজেপিৰ "এজেণ্ট" বুলি আখ্যা দি কয় যে তেওঁৰ পৰিয়ালৰ সকলো সদস্য বিজেপিৰ সৈতে জড়িত, কেৱল বাণী হাজৰিকাই নিজে কংগ্ৰেছ দলত আছে। তেওঁলোকে অভিযোগ কৰে যে বাণী হাজৰিকাই মাজুলীৰ পৰা কংগ্ৰেছী বিধায়ক বিজয়ী হোৱাটো নিবিচাৰে আৰু নিজ ভাতৃক ৰাজনৈতিকভাৱে লাভান্বিত কৰিবৰ উদ্দেশ্যে একপক্ষীয় নীতি অৱলম্বন কৰি আহিছে। আনহাতে, মাজুলী জিলা কংগ্ৰেছৰ একাংশ নেতাকৰ্মীয়ে যুৱ নেতা ইন্দ্ৰনীল পেগুক নেতৃত্বৰ বাবে উপযুক্ত বুলি বিবেচনা কৰে বুলি সংবাদ মেলত প্ৰকাশ পায়। কিন্তু ইন্দ্ৰনীল পেগু নিৰ্বাচনত জয়ী হ'লে বাণী হাজৰিকাৰ ৰাজনৈতিক স্বাৰ্থ ক্ষুণ্ণ হোৱাৰ আশংকাতেই এইধৰণৰ আচৰণ কৰা হৈছে বুলি উজনি মাজুলী ব্লক কংগ্ৰেছৰ ৮ জনকৈ মণ্ডল সভাপতিয়ে অভিযোগ উত্থাপন কৰে।

## আজি প্ৰধানমন্ত্ৰীৰ সন্মুখত

সহস্ৰাধিক নৃত্যকুশলীয়ে একেলগে বাগুৰুম্বা নৃত্য পৰিৱেশন কৰি ঐতিহাসিক বিশ্ব ৰেকৰ্ড স্থাপন কৰিবলৈ ওলাইছে। এই অভূতপূৰ্ব অনুষ্ঠানৰ আগদিনা আজি ওদালগুৰি জিলা এবছুৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদমেলত অল বড়ো ষ্টুডেণ্টছ ইউনিয়ন (এবছু)ৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে ৰাজ্যবাসীলৈ ভোগালী বিহুৰ আন্তৰিক শুভকামনা জনোৱাৰ লগতে এই ঐতিহাসিক ক্ষণৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰে। সংবাদমেলত দ্বীপেন বড়োৱে কয় যে, কাইলৈৰ এই বাগুৰুম্বা নৃত্য পৰিৱেশন কেৱল এটা সাংস্কৃতিক অনুষ্ঠান নহয়, বৰঞ্চ বড়ো জাতিৰ স্বাভিমান, অস্তিত্ব আৰু ঐতিহ্যক সমগ্ৰ দেশ তথা বিশ্বৰ সন্মুখত উজ্জ্বলভাৱে প্ৰতিষ্ঠা কৰাৰ এক ঐতিহাসিক মুহূৰ্ত হ'ব। তেওঁ উল্লেখ কৰে যে, বিহু নৃত্যৰ বিশ্ব ৰেকৰ্ডৰ পিছতেই ২০২৪ চনতে ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে বাগুৰুম্বাৰ এনে এক ঐতিহাসিক পৰিৱেশনৰ কথা উল্লেখ কৰিছিল। তাৰ পিছত ঝুমুৰ নৃত্যৰ অনুষ্ঠানো সফলতাৰে সম্পন্ন হৈছিল আৰু দুয়োটা অনুষ্ঠানতে দেশৰ প্ৰধানমন্ত্ৰী উপস্থিত থকাৰ সন্মান লাভ কৰিছিল। সভাপতি বড়োৱে জনায় যে, বিগত জুন-জুলাই মাহত ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উদ্যোগত বড়ো সাহিত্য সভা, নিখিল বড়ো ছাত্ৰ সন্থা, দুলাৰাই বড়ো হাৰিমু আফা, বাথৌ, ব্ৰহ্মধৰ্মকে ধৰি বিভিন্ন বড়ো সংগঠনৰ সৈতে আলোচনা অনুষ্ঠিত হৈছিল। সেই আলোচনাত এবছুৱে পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছিল। যদিও এইবাৰৰ অনুষ্ঠানটো সম্পূৰ্ণ চৰকাৰী উদ্যোগত অনুষ্ঠিত হৈ আছে, তথাপি এনে এক মহান সাংস্কৃতিক কাৰ্যসূচীৰ বাবে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক তেওঁ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয়, "কাইলৈৰ এই ঐতিহাসিক মুহূৰ্তৰ বাবে আমি গভীৰভাৱে গৌৰৱান্বিত আৰু আনন্দিত। এই নৃত্য পৰিৱেশনৰ জৰিয়তে বাগুৰুম্বাৰ সৃষ্টি আৰু বড়ো জনগোষ্ঠীৰ সংস্কৃতি বিশ্বব্যাপী প্ৰচাৰ লাভ কৰিব। অনুষ্ঠানত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী নৃত্যশিল্পীক আমি হৃদয়ৰ পৰা শুভেচ্ছা আৰু সফলতা কামনা কৰিছোঁ।" দ্বীপেন বড়োৱে আৰু উল্লেখ কৰে যে, ইতিমধ্যে ২১টা বড়ো জনগোষ্ঠীৰ সম্পদে ভৌগোলিক সূচক (জি আই) টেগ লাভ কৰিছে। এতিয়া কাইলৈৰ এই অনুষ্ঠানৰ জৰিয়তে বড়ো জাতিৰ সাংস্কৃতিক ঐতিহ্য আৰু স্বাভিমানক আৰু একবাৰ সবলভাৱে প্ৰতিষ্ঠা কৰাৰ সুযোগ সৃষ্টি হৈছে। তেওঁ কয় যে, জাতিটোৰ সংস্কৃতি আৰু ঐতিহ্যৰ প্ৰচাৰৰ বাবে এবছুৱে সদায় চেষ্টা অব্যাহত ৰাখিছে। ২০২৪ চনত নতুন দিল্লীত অনুষ্ঠিত বড়োলেণ্ড মহোৎসৱ, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ নামত পথৰ নামকৰণ আৰু প্ৰতিমূৰ্তি স্থাপন আদিয়ে এই দিশত জাতীয় সংগঠন হিচাপে তেওঁলোকৰ দায়বদ্ধতা প্ৰমাণ কৰিছে। অনুষ্ঠানটো যাতে কোনো ধৰণৰ ত্ৰুটিৰ বশৱৰ্তী নহয় আৰু সম্পূৰ্ণ সফলতাৰে সম্পন্ন হয়, সেই দিশত সকলোৰে সজাগ দৃষ্টি ৰাখিবলৈও তেওঁ আহ্বান জনায়। আজিৰ সংবাদমেলত এবছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক দিনেশ ব্ৰহ্ম আৰু ওদালগুৰি জিলা এবছুৰ সভাপতি কৰ্ণেলিয়াছ দৈমাৰীও উপস্থিত থাকে। এই ঐতিহাসিক বাগুৰুম্বা নৃত্য পৰিৱেশনে বড়ো জনগোষ্ঠীৰ সাংস্কৃতিক সমৃদ্ধিৰ লগতে অসমৰ বৈচিত্ৰ্যপূৰ্ণ ঐতিহ্যক দেশৰাজ্যৰ সন্মুখত উজ্জ্বল কৰি তুলিব বুলি সকলোৰে আশা কৰিছে।

## জানুৱাৰী মাহৰ শেষৰ ভাগত

ঘোষণা কৰাৰ লগতে ৰাজনৈতিক প্ৰতিপক্ষৰ বিৰুদ্ধে তীক্ষ্ণ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে এই লাইভত তেওঁ নিয়োগ প্ৰক্ৰিয়া, মহিলা উদ্যমিতা আঁচনি, অৱকাঠামো উন্নয়ন আৰু সাংস্কৃতিক অনুষ্ঠানৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰে। লাইভৰ শেষৰফালে মুখ্যমন্ত্ৰীগৰাকীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ পাকিস্তানৰ সৈতে থকা কথিত সম্পৰ্কৰ বিষয়ে পুনৰ উত্থাপন কৰে। তেওঁ কয়, "আমাৰ এজন অসমৰ সাংসদৰ পাকিস্তানৰ সৈতে থকা সম্পৰ্কৰ কথা মই বাৰে বাৰে উল্লেখ কৰি আহিছোঁ। এই জানুৱাৰী মাহ শেষ হোৱাৰ আগতেই সকলো তথ্য আৰু প্ৰমাণ ৰাজ্যবাসীৰ আগত সদৰি কৰিম। এটা বিশেষ গোষ্ঠীৰ প্ৰতি অত্যধিক মৰম, পাকিস্তানৰ সৈতে গোপন সম্পৰ্ক- এই সকলোবোৰে অসমৰ ৰাজনীতিত এতিয়া এটা গভীৰ সংকটৰ ৰূপ লৈছে।" তেওঁ লগতে কয় যে অসমীয়া জাতি এতিয়া সংকটৰ সন্মুখীন হৈছে আৰু চৰকাৰে জাতিটোক এই সংকটৰ পৰা ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। "কিছুমান লোকে নিজৰ স্বাৰ্থৰ বাবে জাতিটোক সদায় দুৰ্বল কৰি ৰাখিব বিচাৰে। কিন্তু মই নিশ্চিত যে আমাৰ সামূহিক শক্তি আৰু সামগ্ৰিক সত্তাই জাতিটোক সুৰক্ষিত কৰি ৰাখিব। এই অস্তিত্বৰ যুঁজত আমি নিশ্চিতভাৱে বিজয়ী হ'ম"- মুখ্যমন্ত্ৰীয়ে এইদৰে আশ্বাস দিয়ে। এই লাইভত মুখ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও সুখবৰ ঘোষণা কৰে। তেওঁ জানায় যে ১০ ফেব্ৰুৱাৰীৰ ভিতৰত ইতিমধ্যে আৰম্ভ হোৱা সকলো বিভাগৰ নিয়োগ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰি দিয়া হ'ব। লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ ৫ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। এটা কলি দুটি পাত আঁচনি ২৫ জানুৱাৰীৰ পৰা ডুমডুমাত আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব আৰু প্ৰতিখন চাহ বাগিচাতে এই আঁচনিৰ চেক বিতৰণ কৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ প্ৰসংগ উত্থাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কাইলৈ প্ৰধানমন্ত্ৰীৰ সন্মুখত বাগুৰুম্বা নৃত্য প্ৰদৰ্শন কৰা হ'ব। বড়ো জনগোষ্ঠীৰ বাবে এইটো বিশেষ দিন হ'ব, য'ত ২০ হাজাৰ লোকে ষ্টেডিয়ামত এই নৃত্য উপভোগ কৰিব পাৰিব। অৱকাঠামো উন্নয়নৰ কথা কৈ মুখ্যমন্ত্ৰীয়ে এলিভেটেড ক'ৰিডৰৰ বিষয়ে উল্লেখ কৰি কয় যে তেওঁৰ পূৰ্বৰ প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰা হৈছে। জখলাবন্ধাৰ পৰা কলিয়াবৰলৈ যাত্ৰাৰ সময় বহু পৰিমাণে হ্ৰাস পাব। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত নিৰ্মীয়মান দলংখন ফেব্ৰুৱাৰী মাহৰ ভিতৰতে মুকলি কৰা হ'ব। লগতে বামুণীমৈদাম-গুৱাহাটী ক্লাবৰ উৰণ সেতুৰ নিৰ্মাণ কামো ফেব্ৰুৱাৰীৰ ভিতৰতে সম্পূৰ্ণ কৰি মুকলি কৰাৰ চেষ্টা চলি আছে। অন্যহাতে, প্ৰাক্তন আমছু সভাপতি ৰেজাউল কৰিম সৰকাৰৰ ধুবুৰী আৰু শিৱসাগৰ জিলাৰ তুলনামূলক মন্তব্যক লৈ মুখ্যমন্ত্ৰীয়ে তীব্ৰ সমালোচনা কৰে। তেওঁ কয়, "কংগ্ৰেছত যোগদান কৰিয়েই ৰেজাউলে আপত্তিজনক মন্তব্য কৰিছিল। ধুবুৰীক শিৱসাগৰ বনোৱাত মোৰ কোনো আপত্তি নাই, কিন্তু শিৱসাগৰক ধুবুৰী বনাম বুলি কোৱাটো সম্পূৰ্ণ আপত্তিজনক। ধুবুৰী ইতিমধ্যে ৮০ শতাংশ বাংলাদেশী মূলৰ লোকে দখল কৰিছে, কিন্তু শিৱসাগৰ অসমীয়া জাতিৰ প্ৰাণ স্পন্দন। অসমীয়া ভাষাৰ নৱজাগৰণ শিৱসাগৰ জিলাৰ পৰাই হৈছিল আৰু চৰাইদেউ মৈদামে আজি বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰিছে।" এই লাইভে ৰাজ্যৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, বিশেষকৈ আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত। মুখ্যমন্ত্ৰীৰ এই ঘোষণাসমূহে উন্নয়ন আৰু সাংস্কৃতিক সংৰক্ষণৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতি প্ৰতিফলিত কৰিছে বুলি বিশ্লেষকসকলে মন্তব্য কৰিছে।

## সমাগত '২৬ৰ নিৰ্বাচন; শিৱসাগৰত বিজেপিৰ

অসমৰ ঐতিহাসিক শিৱসাগৰ সমষ্টিত শাসকীয় দল বিজেপিৰ প্ৰাৰ্থিত্বক লৈ আৰম্ভ হৈছে তীব্ৰ জল্পনা-কল্পনা। টিকটৰ প্ৰবল দাবীদাৰ ৰূপে ঠিয় দিছে কেইবাগৰাকীও পুৰুষ- মহিলা। মহিলাৰ ভিতৰত শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী মৃণালী কোঁৱৰ, জিলা বিজেপিৰ উপ-সভানেত্ৰী দিপিকা দুৱৰী, বিজেপি অবিচি মৰ্চাৰ অধ্যক্ষ সুৰভি ৰাজকুঁৱৰী, অংকিতা দত্ত, বিনিতা শইকীয়া দে' কে আদি কৰি কেইবাগৰাকীও আছে টিকটৰ দাবীদাৰ হিচাপে শাৰীত। অন্যহাতে পুৰুষৰ তালিকাত আছে বিতোপন ৰাইদঙীয়া, লাচিত গগৈ, কুশল দুৱৰী, মানস সন্দিকৈ, বিজিত গগৈ, সমীৰ গগৈ আদি। এইখিনিতে এটা উল্লেখ কৰিব লাগিব যে যুৱ উদ্যমী লাচিত গগৈয়ে শিৱসাগৰ সমষ্টিৰ ভোটাৰৰ মন জয় কৰাৰ বাবে কৰি আহিছে বহু সামাজিক কাম কাজ নিজৰ ব্যক্তিগত পুঁজিৰ দ্বাৰা। কেৱল সমাজসেৱাই নহয়, অৰ্থনৈতিক স্বাৱলম্বিতাৰ ক্ষেত্ৰতো তেওঁ এক অনন্য নজিৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ শিৱসাগৰত স্থায়ীভাৱে থাকি সমষ্টিৰ লগতে দলৰ বাবে সৰ্বাধিক সময় অতিবাহিত কৰিছে লক্ষ্য ২০২৬ ৰ বিধানসভা নিৰ্বাচন কৰি। উল্লেখনীয় যে শিৱসাগৰ জিলাৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰ বাবে বিশেষ ভাবে জিলা বিজেপিৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰা বিতোপন ৰাইদঙীয়াকো তেখেতৰ বহু সংখ্যক সমৰ্থকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে তীব্ৰ হেঁচা প্ৰয়োগ কৰিছে বুলি জানিব পৰা গৈছে। ইয়াৰোপৰি বিজেপিৰ সাংগঠনিক ভেটি ৰাইদঙীয়াই দায়িত্ব লোৱাৰ পাছত শক্তিশালী ৰূপত দাঙি ধৰিছে বুলিও এক সূত্ৰত জানিব পৰা গৈছে। প্ৰবীণ বিজেপি নেতা বিতোপন ৰাইদঙীয়াৰো শিৱসাগৰ সমষ্টিৰ বাবে প্ৰাসংগিকতা বহুখিনি থকা পৰিলক্ষিত হৈছে। ইয়াৰোপৰি ২০০৬ চনত শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা বিজেপিৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল বিতোপন ৰাইদঙীয়াই যিসময়ত বিজেপিৰ নাছিল কোনো গণভিত্তি। বিশেষ এক সূত্ৰৰ পৰা জানিব পৰা মতে বহু সংখ্যক সমৰ্থকে শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী মৃণালী কোঁৱৰক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে হেঁচা প্ৰয়োগ কৰিছে যিহেতু তেখেতৰ ত্যাগ আৰু অৱদান বহু দিন ধৰি বিজেপি দলৰ বাবে আগবঢ়াই আহিছে। ১৯৭৯ ৰ অসম আন্দোলনৰ সক্ৰিয় নেত্ৰী তথা স্বাধীনতা সংগ্ৰামী প্ৰয়াত বিশ্বনাথ ফুকনৰ জীয়ৰী মৃণালী কোঁৱৰ। ১৯৮৫ চনৰ পৰা অসম গণ পৰিষদ দলত বিভিন্ন পদত অধিষ্ঠিত হৈ শেষত ২০১৪ চনত যোগ দিছিল ভাৰতীয় জনতা পাৰ্টীত। শিক্ষাগত অৰ্হতা হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লৈ শিক্ষকতাক লৈছিল বৃত্তি হিচাপে। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত ৰাজনৈতিক দল বিজেপিত সেৱা আগবঢ়াই নিবলৈ এৰি দিয়ে চৰকাৰী চাকৰিৰ পদ মৃণালী কোঁৱৰে ২০১৫ চনত। তাৰ পাছৰ পৰাই বিজেপি দলৰ বিভিন্ন পদত অধিষ্ঠিত হৈ শক্তিশালী কৰাত লাগে দলৰ সাংগীতিক ভেঁটি। বৰ্তমান শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা মৃণালী কোঁৱৰৰো আছে শীৰ্ষ নেতৃত্বৰ সতে এক মধুৰ সম্পৰ্ক। অন্যহাতে ২০১৩ চনত বিজেপি দলত যোগদান কৰি সুদীৰ্ঘ সময় বিজেপি দলৰ প্ৰতি সেৱা আগবঢ়াই শেহতীয়া শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্তত ভিছন অফ আসাম নামৰ এক সংস্থাৰ দ্বাৰা মহিলা সৱলীকৰণৰ ক্ষেত্ৰত বিশেষ ভাবে কাম কৰি থকা পৰিলক্ষিত হৈছে দিপিকা দুৱৰীক। বিশেষকৈ কেঁচু সাৰ প্ৰস্তুত কৰাৰ প্ৰশিক্ষণৰ কৰ্মশালা অনুষ্ঠিত কৰিছে এই গৰাকী মহিলা নেত্ৰী দিপিকা দুৱৰীয়ে শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্তত। দুবাৰকৈ শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা সুৰভি ৰাজকুঁৱৰীৰো আছে সুকীয়া এক আসন বিজেপি দলত। অন্যহাতে দুবাৰকৈ আমগুৰি বিধান সভা সমষ্টিৰ পৰা টিকট বিচাৰি বঞ্চিত হোৱা দীৰ্ঘদিন বিজেপি দলত সেৱা আগবঢ়াই অহা ৰাজ্যিক মহিলা আয়োগৰ সদস্যা বিনিতা শইকীয়া দে'ৰ নামতো ও চৰ্চিত বিষয় হৈ আছে টিকটৰ দাবীদাৰ ৰূপে। এতিয়া কথা হল কোনে পাব প্ৰাধান্য দিপিকা দুৱৰী, মৃণালী কোঁৱৰ, সুৰভি ৰাজকুঁৱৰী, অংকিতা দত্ত, বিনিতা শইকীয়া দে' নে আন কোনোবা নতুন মুখৰ মহিলাই। অন্যহাতে পুৰুষৰ শাৰীত থকা বিতোপন ৰাইদঙীয়া, লাচিত গগৈ, কুশল দুৱৰী, মানস সন্দিকৈ, বিজিত গগৈ, সমীৰ গগৈৰো আছে এক শক্তিশালী স্থিতি সমষ্টিৰ লগতে দলীয় নেতৃত্বত। অন্যহাতে উজনিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিধানসভা সমষ্টি শিৱসাগৰ এই ক্ষেত্ৰত দলীয় নেতৃত্বই কাক টিকট প্ৰদান কৰে সেইটো লক্ষণীয় হব বিজেপি দলটোৰ বাবে।

## অসমৰ সাংস্কৃতিক বৰঘৰত জ্যোতিপ্ৰসাদৰ

এই তিনিমুঠি সুপবিত্ৰ প্ৰসাদ হৈছে অসমৰ অসমীয়া সমাজ জীৱনৰ একো একোগৰাকী গৌৰৱোজ্জল তাৰকা আৰু জাতীয় জীৱনৰ গজদন্তমিনাৰ সদৃশ পুৰোধা পতি। এই সংক্ষিপ্ত লেখাৰ আওতালৈ আনিছোঁ আজি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা নামৰ এই স্বনামধন্য সৃষ্টিকৰ্তা বা কলাকাৰ গৰাকীৰ অমৰ গাঁথাৰ কথা। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আছিল স্বৰূপতে আমাৰ জাতীয় জীৱনৰ এজনা সৰ্বগুণৰ অধিকাৰী অৰ্থাৎ সৰ্বগুণৰ আধাৰস্বৰূপ, আকৰস্বৰূপ এজনা ক্ষণজন্মা পুৰুষ প্ৰধান।

আমাৰ মাটিত জনম লোৱা, অসমৰ ভূমিপুত্ৰ বুলি দাবী কৰা তথাকথিত অসমীয়া সকলতকৈ বেছি সুদ্ধ আৰু নিকা অসমীয়া এই ৰূপৰ কোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া ভাষা, সাহিত্য, কৃষ্টি-সংস্কৃতি তথা অসমীয়া জাতিৰক্ষাৰ খাতিৰত জ্যোতিপ্ৰসাদ আগৰৱালাই অতি নীৰৱ আৰু সমাহিতভাৱে যি সংগ্ৰাম কৰিলে, যি আলোড়নৰ আঁৰিয়া ধৰি গ'ল এয়া যথাৰ্থতেই বৰ বিৰল চানেকি। গতিকে আমি নিৰ্বিবাদে ক'ব পাৰোঁ যে জ্যোতিপ্ৰসাদ আগৰৱালাও আমাৰ জাতীয় জীৱনৰ হিয়াৰ আমঠু, কলিজাৰ এফাল।

অসমীয়া সাহিত্য-সংস্কৃতিৰ ভঁড়াললৈ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বৰঙনি স্বৰূপতেই প্ৰচুৰ আৰু প্ৰাচুৰ্যপূৰ্ণ। দশম মান শ্ৰেণীত পঢ়ি থকা অৱস্থাতেই জ্যোতিপ্ৰসাদে শোণিত কুঁৱৰী নামৰ যিখন যুগান্তকাৰী নাটক ৰচনা কৰি সেই সময়ৰ দৰ্শক সমাজৰ মাজত জনপ্ৰিয়তাৰ জোৱাৰ আনিলে সঁচা অৰ্থত ক'বলৈ গ'লে ইয়াৰ আবেদন আজিও কমি যোৱা নাই। শোণিত কুঁৱৰী নাট পৰ্যবেক্ষণ কৰিলেই জনতাই সেই সমকালৰ বান ৰজা, ঊষা-অনিৰুদ্ধ তথা হৰিহৰৰ ৰণাংগনৰ কাহিনী কথাবোৰ অতি সহজে জনাৰ উপৰিও ইতিহাসৰো বহু কথাৰ সম্ভেদ পাব পৰা যায়। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে ৰচনা কৰি জনসমাজৰ মাজত পৰিৱেশন কৰা অমৰ নাটকসমূহ হৈছে - কাৰেঙৰ লিগিৰী, ৰূপালীম, লভিতা, সুন্দৰ কোঁৱৰ, সোণ পখিলী ইত্যাদি। প্ৰতিখন নাটকৰ কাহিনী আৰু পৰিৱেশ চিত্ৰণ আমাৰ অসম ৰাজ্যখনৰ কেতবোৰ ঐতিহাসিক পটভূমিৰ আৰু কিছু কিছু কাল্পনিক।

জ্যোতিপ্ৰসাদ আগৰৱালাই বহুসংখ্যক তথ্যসমৃদ্ধ কাব্য আৰু কবিতা ৰচনা কৰিছে। তেখেতৰ কবিতাসমূহৰ মাজতো বহুলাংশে ঐতিহাসিক কাহিনীকথাৰ ছবি পৰিলক্ষিত হয়। অন্যহাতেদি চিত্ৰকল্পৰ মূল জুমুঠিটোৱেই হৈছে আমাৰ মাতৃভূমি অসমৰ। ৰামায়ণ ৰচনাটো হাত দিয়ে জ্যোতিপ্ৰসাদে। 'অকণিৰ ৰামায়ণ' নামৰ এখন অতি সুস্বাদু ৰামায়ণ ৰচনা কৰি প্ৰকাশ আৰু প্ৰচাৰ কৰে শিশু সমাজৰ উপযোগীকৈ। হিন্দী আৰু ইংৰাজী ভাষাতো ৰূপ দিয়ে এই ৰামায়ণ সাহিত্যৰ। জ্যোতিপ্ৰসাদে তেখেতৰ ৰচিত কবিতাসমূহ 'লুইতৰ পাৰৰ অগ্নিসুৰ' নাম দি এখন কাব্যপুথি সংকলন কৰি চিৰযুগমীয়া কৰি ৰাখিছে। উল্লেখযোগ্য যে, তেখেতে ৰচনা কৰা ৰামায়ণখনৰ অন্য নাম হ'ল 'জ্যোতি ৰামায়ণ'।

অসমৰ বোলছবি ইতিহাসৰ প্ৰথম আৰু অনন্য সৃষ্টি হৈছে জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'জয়মতী' কথাছবি। জ্যোতিপ্ৰসাদে বিলাতত গৈ উচ্চ শিক্ষা লোৱাৰ সমকালতে তেখেতে বাৰ্লিনত বোলছবি শিল্পৰ ওপৰতো সম্যকভাৱে অধ্যয়ন কৰি ১৯৩৫ চনত প্ৰথম অসমীয়া বোলছবি 'জয়মতী' অসমৰ জনগণৰ মাজত প্ৰচাৰ কৰে, সমাদৃত হয়। ইয়াৰ পাছতো আন এখন বোলছবি 'ইন্দ্ৰমালতী' নিৰ্মিত হৈ প্ৰদৰ্শিত হয়। প্ৰথমখন ছবি জয়মতীত কিছু ঘাটি হ'বলগীয়া হ'ল যদিও ইন্দ্ৰমালতীয়ে জনগণৰ মাজত বেছি সমাদৰ লাভ কৰিলে। এইখন ছবিৰ জৰিয়তে জ্যোতিপ্ৰসাদ আগৰৱালা যথেষ্ট লাভৱান হয়।

এটা কথা সকলোৰে জ্ঞাত যে জ্যোতিপ্ৰসাদ আগৰৱালা উপৰিপুৰুষ নৱৰংগ আগৰৱালাই বেপাৰ-বাণিজ্য কৰাৰ মানস কৰিয়েই সুদূৰ ৰাজস্থানৰ মাৰোৱাৰ প্ৰদেশৰ পৰা আহি অসমৰ তেজপুৰত থিতাপি লৈছিলহি যদিও অসমৰ মাটিত ভৰি দিয়েই তেখেতে বেপাৰ-বাণিজ্যৰ মোহ পৰিহাৰ কৰি অসমৰ কলা-সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ অসমৰ কৃষ্টি-সংস্কৃতিৰ সাধনাৰ প্ৰতিহে মনোনিৱেশ কৰাৰ কথা ভাবিলে। স্মৰ্তব্য যে, তেওঁলোক একালত জাতে-পাতে অসমীয়া হৈ যোৱাৰ প্ৰয়াস কৰি অসমীয়া সমাজৰে ছোৱালী বিয়া কৰাই অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সেৱক হৈ পৰিল। চন্দ্ৰকুমাৰ আগৰৱালা, আনন্দ চন্দ্ৰ আগৰৱালা, পৰমানন্দ আগৰৱালাকে মুখ্য কৰি বহুজনে সাহিত্য সেৱা কৰিলে। তাৰ ভিতৰত অসমীয়া সমাজ জীৱনৰ তেজ-মঙহৰে সংপৃক্ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই হৈছে আজি অসম আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ। শিল্প-সংস্কৃতিৰ এজনা পুৰোধা ব্যক্তি হিচাপে ৰূপকোঁৱৰলৈ আমাৰ শতকোটি প্ৰণাম নিবেদিছোঁ।

## নতুন দিল্লীত জাতীয়

ভোটাৰৰ সমৰ্থন ধৰি ৰখাৰ চেষ্টা অব্যাহত ৰাখিছে। ইফালে বিৰোধী শিবিৰে বিজেপিক ক্ষমতাচ্যুত কৰি বিৰোধী ঐক্যমঞ্চৰ চৰকাৰ গঠনৰ লক্ষ্যৰে ৰণনীতি প্ৰস্তুতত ব্যস্ত হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত আজি নতুন দিল্লীত কংগ্ৰেছৰ এখন অতি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈ গ'ল। নতুন দিল্লীৰ ৰাজাজী মাৰ্গস্থিত অল ইণ্ডিয়া কংগ্ৰেছ কমিটীৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বাসভৱনত অনুষ্ঠিত এই বৈঠকত অংশগ্ৰহণ কৰে লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক কে চি বেণুগোপাল, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈ, জীতেন্দ্ৰ শৰ্মা আৰু দেৱব্ৰত শইকীয়া। বৈঠকত মূলতঃ অসমত আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে দলীয় ৰণনীতি, সম্ভাব্য জোট গঠন, প্ৰাৰ্থী নিৰ্বাচন আৰু সাংগঠনিক শক্তি বৃদ্ধিৰ দিশসমূহত বিস্তৃত আলোচনা হয়। দলীয় নেতৃত্বই ৰাজ্যখনত বিজেপিৰ বিৰুদ্ধে সবল প্ৰত্যাহ্বান গঢ়ি তোলাৰ লক্ষ্যৰে বিভিন্ন কৌশল নিৰ্ধাৰণ কৰা বুলি সূত্ৰই জনায়। উল্লেখযোগ্য যে, এই গুৰুত্বপূৰ্ণ বৈঠকখন সেই সময়তে অনুষ্ঠিত হৈছে যেতিয়া অসম কংগ্ৰেছৰ এজন প্ৰভাৱশালী নেতা ৰেজাউল কৰিমে দল ত্যাগ কৰি নতুন পথ বাছি লৈছে। ৰেজাউলৰ দলত্যাগৰ পিছত কংগ্ৰেছৰ ভিতৰত অভ্যন্তৰীণ অসন্তোষ আৰু সংঘাতৰ সম্ভাৱনা প্ৰকাশ পাইছে বুলি ৰাজনৈতিক মহলত আলোচনা চলিছে। ইফালে, একেদিনাই নতুন দিল্লীৰ ৰাজীৱ ভৱনতো কংগ্ৰেছৰ নেতা-কৰ্মীৰ ভিৰ লক্ষ্য কৰা গৈছে। অসম বিধানসভা নিৰ্বাচনৰ বাবে টিকেটৰ আবেদন জমা দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পিছত প্ৰায় ২০০ গৰাকীৰো অধিক সম্ভাব্য প্ৰাৰ্থীয়ে আজিলৈকে নিজৰ আবেদন জমা দি প্ৰাপ্তি স্বীকাৰ লাভ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ কোষাধ্যক্ষ ডাঃ হেমহৰি পেগুৱে জনোৱা মতে, এই আবেদন গ্ৰহণ প্ৰক্ৰিয়া আহা ২০ জানুৱাৰীলৈকে অব্যাহত থাকিব। ইয়াৰ আগতে ২০২৫ চনৰ জুলাই মাহতো মল্লিকাৰ্জুন খাৰ্গে, ৰাহুল গান্ধী আৰু কে চি বেণুগোপাল গুৱাহাটীত উপস্থিত হৈ একাধিক কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। তেওঁলোকে হোটেল কিৰণশ্ৰীত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ নেতাসকলৰ সৈতে বৈঠকত মিলিত হৈ দলৰ সাংগঠনিক ভেঁটি শক্তিশালী কৰাৰ লগতে নিৰ্বাচনী প্ৰস্তুতিৰ বিষয়ে আলোচনা কৰিছিল। এই সকলোবোৰ কাৰ্যকলাপে স্পষ্ট কৰি তুলিছে যে, অসমত আগন্তুক বিধানসভা নিৰ্বাচনক লৈ কংগ্ৰেছে গুৰুত্বৰ সৈতে প্ৰস্তুতি চলাই আছে আৰু দলীয় নেতৃত্বৰ পৰা ৰাজ্যখনত শক্তিশালী প্ৰত্যাহ্বান গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত আছে।

## ৩১ জানুৱাৰীলৈ বন্ধ থাকিব

মহামৃত্যুঞ্জয় মন্দিৰ আজিৰে পৰা অহা ৩১ জানুৱাৰীলৈকে ভক্তসকলৰ বাবে বন্ধ থাকিব। এই কথা শ্ৰীশ্ৰী মহামৃত্যুঞ্জয় সেৱা ট্ৰাষ্টে জানিবলৈ দিয়াৰ লগতে ট্ৰাষ্টে আৰু জনায় যে, আজিৰে পৰা মন্দিৰৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ হোৱাৰ পৰিপ্ৰেক্ষিতত মন্দিৰভাগ বন্ধ থাকিব। মহাপ্ৰভুৰ আৰ্শীবাদ বিচাৰি দূৰ-দূৰণিৰ পৰা প্ৰতিদিনে উপস্থিত হোৱা ভক্তপ্ৰাণ ৰাইজৰ বাবে পুনৰ ১ ফেব্ৰুৱাৰীৰ পৰা শ্ৰীশ্ৰী মহামৃত্যুঞ্জয় মন্দিৰৰ দুৱাৰ খোলা হ'ব বুলি সেৱা ট্ৰাষ্টৰ জৰিয়তে জানিব পৰা গৈছে।

## মাৰিয়া কোৰিনা মাচাডোৰৰ

হোৱাইট হাউছত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পক সাক্ষাৎ কৰি নিজৰ নোবেল বঁটাৰ সোণৰ পদকটো তেওঁক উপহাৰ হিচাপে অৰ্পণ কৰিছে। এই ঘটনাক মাচাডোৱে ভেনিজুৱেলাৰ স্বাধীনতা আৰু গণতন্ত্ৰৰ প্ৰতি ট্ৰাম্পৰ "অনন্য অংশগ্ৰহণ"ৰ স্বীকৃতি বুলি অভিহিত কৰিছে। নৰৱৰ নোবেল সমিতিয়ে ২০২৫ চনৰ অক্টোবৰ মাহত মাচাডোক এই সন্মানীয় বঁটা প্ৰদান কৰিছিল। সমিতিয়ে কয় যে তেওঁ "ভেনিজুৱেলাৰ জনতাৰ গণতান্ত্ৰিক অধিকাৰৰ প্ৰসাৰ আৰু একনায়কতন্ত্ৰৰ পৰা ন্যায়সংগত আৰু শান্তিপূৰ্ণ পৰিৱৰ্তনৰ সংগ্ৰাম"ৰ বাবে এই পুৰস্কাৰ লাভ কৰিছে। বঁটা গ্ৰহণৰ সময়তেই মাচাডোৱে ইয়াক ভেনিজুৱেলাৰ জনতাৰ লগতে ট্ৰাম্পৰ প্ৰতিও উৎসৰ্গ কৰিছিল। পিছত তেওঁ প্ৰকাশ্যে ঘোষণা কৰিছিল যে ট্ৰাম্প এই বঁটাৰ যোগ্য ব্যক্তি। এই সাক্ষাৎ অতি আবেগিক আছিল। মাচাডোৱে সাংবাদিকৰ সন্মুখত কয় যে তেওঁ পদকটো ভেনিজুৱেলাৰ জনতাৰ হৈ ট্ৰাম্পক দিছে, কাৰণ তেওঁৰ নেতৃত্বত আমেৰিকাই ভেনিজুৱেলাৰ স্বাধীনতাৰ বাবে অসাধাৰণ পদক্ষেপ গ্ৰহণ কৰিছে। ট্ৰাম্পে পদকটো গ্ৰহণ কৰি নিজৰ ছ'চিয়েল মিডিয়াত পোষ্ট কৰি কয় যে এয়া "পাৰস্পৰিক সন্মানৰ এক সুন্দৰ অংগীকাৰ।" তেওঁ মাচাডোক "এগৰাকী আচৰিত মহিলা" বুলি অভিহিত কৰি ধন্যবাদ জনায়। হোৱাইট হাউছে প্ৰকাশ কৰা ফটোত দেখা যায় যে ট্ৰাম্পে পদকটো হাতত লৈ মাচাডোৰ সৈতে থিয় হৈ আছে। জানিব পৰা মতে ট্ৰাম্পে এই পদকটো নিজৰ ওচৰতে ৰাখিব। উল্লেখ্য যে এই ঘটনাৰ পিছত নৰৱৰ নোবেল সমিতিয়ে স্পষ্ট কৰি দিয়ে যে শান্তিৰ নোবেল বঁটা "প্ৰত্যাহাৰ, ভাগ-বতৰা বা হস্তান্তৰ কৰিব নোৱাৰি।" একবাৰ ঘোষণা হোৱাৰ পিছত সিদ্ধান্ত চিৰকালৰ বাবে বৈধ থাকে। সমিতিয়ে কয় যে পদকটো মালিক সলনি হ'ব পাৰে যদিও বঁটাৰ খিতাপ মাচাডোৰেই থাকিব। এই পটভূমিত ভেনিজুৱেলাত সাম্প্ৰতিক ঘটনাৰ কথাও উল্লেখযোগ্য। জানুৱাৰীৰ প্ৰথম সপ্তাহত আমেৰিকাৰ বিশেষ বাহিনীয়ে এক অভিযান চলাই দীৰ্ঘদিনীয়া ৰাষ্ট্ৰপতি নিকোলাছ মাদুৰোক গ্ৰেপ্তাৰ কৰি নিউয়ৰ্কলৈ লৈ যায়, য'ত তেওঁক মাদক আৰু অস্ত্ৰ চোৰাং চালানৰ অভিযোগত অভিযুক্ত কৰা হৈছে। এই অভিযানক মাচাডোৱে ভেনিজুৱেলাৰ স্বাধীনতাৰ নতুন আৰম্ভণি বুলি অভিহিত কৰিছে। মাদুৰোৰ অনুপস্থিতিত দেশৰ উপ-ৰাষ্ট্ৰপতি ডেলচি ৰড্ৰিগেজে অন্তৰ্বৰ্তীকালীন ৰাষ্ট্ৰপতিৰ দায়িত্ব গ্ৰহণ কৰিছে। ট্ৰাম্পে পূৰ্বতে মাদুৰোক উৎখাত কৰাৰ বাবে বহুবাৰ চেষ্টা কৰিছিল আৰু নোবেল বঁটাৰ বাবে নিজকে যোগ্য বুলি দাবী কৰিছিল। ২০২৫ চনত বঁটা মাচাডোক দিয়া হোৱাত তেওঁ নিৰাশ হৈছিল। এতিয়া মাচাডোৰ এই উপহাৰে তেওঁক যথেষ্ট সন্তুষ্ট কৰিছে। এই ঘটনাই ভেনিজুৱেলাৰ ৰাজনৈতিক পৰিৱৰ্তন আৰু আন্তৰ্জাতিক সম্পৰ্কৰ নতুন অধ্যায়ৰ সূচনা কৰিছে বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## বিএমচিত বিজেপি-মহাযুতিৰ

যুগান্তকাৰী পৰিৱৰ্তন সংঘটিত হৈছে। বৃহনমুম্বাই পৌৰ নিগম (বিএমচি)ত থাকৰে পৰিয়ালৰ প্ৰায় তিনি দশকৰ (১৯৯৭ চনৰ পৰা) আধিপত্যৰ অন্ত পৰিছে। বিজেপি নেতৃত্বাধীন মহায়ুতি আঁচনিয়ে (বিজেপি আৰু একনাথ শিণ্ডেৰ শিৱসেনা) ২২৭টা ৱাৰ্ডৰ ভিতৰত স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। বিজেপিয়ে এককভাৱে ৮৮টাৰো অধিক ৱাৰ্ডত আগবাঢ়ি আছে বা জয়ী হৈছে, আৰু শিণ্ডে শিৱসেনাই প্ৰায় ২৮টা ৱাৰ্ডত আগবাঢ়ি আছে। এইদৰে মহাযুতিয়ে মেজৰিটি মাৰ্ক ১১৪টা ৱাৰ্ড অতিক্ৰম কৰিছে। উদ্ধৱ থাকৰেৰ নেতৃত্বাধীন শিৱসেনা (ইউবিটি) আৰু ৰাজ থাকৰেৰ মহাৰাষ্ট্ৰ নৱনিৰ্মাণ সেনাৰ (এমএনএছ) মিলিত আঁচনিয়ে প্ৰায় ৭১টা ৱাৰ্ডত আগবাঢ়ি আছে, য'ত উদ্ধৱৰ শিৱসেনাই মুখ্য অংশ গ্ৰহণ কৰিছে। ২০১৭ চনত অবিভক্ত শিৱসেনাই ৮৪টা আসন লাভ কৰিছিল যদিও এইবাৰ তেওঁলোকৰ প্ৰদৰ্শন উল্লেখযোগ্যভাৱে হ্ৰাস পাইছে। এই ফলাফলে মুম্বাইৰ দৰে দেশৰ অৰ্থনৈতিক ৰাজধানীত হিন্দুত্বৰ শক্তি আৰু বিকাশমুখী ৰাজনীতিৰ প্ৰভাৱক স্পষ্ট কৰিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাদনৱীছে এই জয়ক "ইতিহাস সৃষ্টি" বুলি অভিহিত কৰিছে। তেওঁ কয় যে জনসাধাৰণে বিকাশ আৰু হিন্দুত্বৰ মিলিত এজেণ্ডাক সমৰ্থন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও মহাৰাষ্ট্ৰৰ জনতাক ধন্যবাদ জনাই কয় যে এই ফলাফলে এনডিএৰ জনকল্যাণমূলক নীতিৰ প্ৰতি বিশ্বাসক প্ৰতিফলিত কৰিছে। পশ্চিম মহাৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ পৌৰ নিগমসমূহতো বিজেপিৰ জয়জয়কাৰ দেখা গৈছে। পুনে আৰু পিম্পৰী-চিঞ্চৱাডত অজিত পাৱাৰ আৰু শৰদ পাৱাৰৰ দুয়োটা গোটৰ মিলিত আঁচনিয়ে নিজৰ ঐতিহ্যবাহী দুৰ্গ ৰক্ষা কৰিব নোৱাৰিলে। পুনেৰ ১৬৫টা ৱাৰ্ডৰ ভিতৰত বিজেপিয়ে বৃহৎ সংখ্যকত আগবাঢ়ি আছে, আৰু পিম্পৰী-চিঞ্চৱাডতো বিজেপিৰ প্ৰভাৱ অপ্ৰতিৰোধ্য। এই ফলাফলে দেখুৱাইছে যে ভোটাৰসকলে পৰিয়ালবাদী ৰাজনীতি আৰু ঘন ঘন মিত্ৰতা পৰিৱৰ্তনক সহজভাৱে গ্ৰহণ কৰা নাই। কোলহাপুৰ, সতৰা, সোলাপুৰ, সাংগলী আদি চহৰতো বিজেপিৰ শক্তিশালী প্ৰদৰ্শন দেখা গৈছে। যদিও ক্ষমতা হেৰুৱাইছে, উদ্ধৱ থাকৰেৰ শিৱসেনাই (ইউবিটি) যুঁজ এৰি দিয়া নাই। দলীয় প্ৰতীক আৰু বহু কৰ্মী হেৰুৱাৰ পিছতো তেওঁলোকে যথেষ্ট আসন লাভ কৰিছে। ৰাজনৈতিক বিশ্লেষকসকলে কয় যে বালাছাহেব থাকৰেৰ উত্তৰাধিকাৰ এতিয়াও সম্পূৰ্ণৰূপে লুপ্ত হোৱা নাই। কিন্তু এই নিৰ্বাচনে স্পষ্ট কৰিছে যে উদ্ধৱ শিবিৰ এতিয়া ৰাজ্যৰ ৰাজনীতিত কিংমেকাৰৰ ভূমিকাত নাই। মহাৰাষ্ট্ৰৰ ২৯টা পৌৰ নিগমৰ বেছিভাগতে মহাযুতিয়ে বিজয় লাভ কৰিছে। এই ঐতিহাসিক ফলাফলে ৰাজ্যখনৰ ভৱিষ্যত ৰাজনীতিৰ নতুন দিশ নিৰ্ধাৰণ কৰিব বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। বিজেপিৰ নেতৃত্বত মহায়ুতিৰ এই জয়ে মহাৰাষ্ট্ৰত বিকাশ আৰু হিন্দুত্বৰ মিলিত এজেণ্ডাৰ শক্তিক প্ৰমাণ কৰিছে।

## দুদিনীয়া কাৰ্যসূচীৰে আজি

সৰুসজাইৰ ষ্টেডিয়ামলৈ আহিব। সৰুসজাইৰ ক্ৰীড়া প্ৰকল্পত সন্ধিয়া ৬ বজাত প্ৰধানমন্ত্ৰীয়ে ১০ হাজাৰ শিল্পীয়ে প্ৰদৰ্শন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। প্ৰধানমন্ত্ৰী নিশা কইনাধৰাৰ এক নং ৰাজ্যিক অতিথিশালাত থাকিব। পিছদিনা পুৱা ৯.৩০ বজাত প্ৰধানমন্ত্ৰী খানাপাৰাৰ পৰা কলিয়াবৰ অভিমুখে ৰাওনা হ'ব। দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰীয়ে কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব। এই ৰাজহুৱা সভাতে প্ৰধানমন্ত্ৰীয়ে কলিয়াবৰৰ পৰা বোকাখাটলৈ ৩৪.৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বিকল্প পথ হিচাপে এখন ফ্লাই অভাৰ তথা এলিভেটেড ক'ৰিডৰৰ আধাৰশিলা স্থাপন কৰিব। উল্লেখ্য যে গুৱাহাটী আৰু কলকাতাৰ মাজৰ বন্দে ভাৰত শ্লিপাৰ ৰে'ল ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে কলকাতাৰ পৰা ফ্লেগ অ'ফ কৰিব। আনহাতে ১৮ জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে অসমৰ পৰা আৰু দুখন ট্ৰেইনৰ ফ্লেগ অ'ফ কৰিব। ইয়াৰে এখন ৰে'ল ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌ লৈ যাব আৰু আনখন নতুন ট্ৰেইন গুৱাহাটীৰ পৰা নতুন দিল্লীলৈ যাব। এই দুখন ট্ৰেইনৰ প্ৰধানমন্ত্ৰীয়ে কলিয়াবৰৰ অনুষ্ঠানৰ পৰা এলিভেটেড ক'ৰিডৰৰ লগতে আনুষ্ঠানিকভাৱে ফ্লেগ অ'ফ কৰিব। কলিয়াবৰৰ অনুষ্ঠান সামৰি দিনৰ ১২.১৫ বজাত প্ৰধানমন্ত্ৰী কলিয়াবৰৰ পৰা গুৱাহাটীৰ বিমানবন্দৰলৈ আহিব। দিনৰ ১ বজাত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীৰ পৰা দিল্লীলৈ ৰাওনা হ'ব। গুৱাহাটী আৰু কলকাতাৰ মাজত প্ৰথমবাৰৰ বাবে শনিবাৰৰ পৰা চলাচল কৰিব বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ। এই এ'প্ৰেছে দীৰ্ঘদূৰত্বৰ নৈশ ৰে'ল যাত্ৰাত এক গুৰুত্বপূৰ্ণ সফলতা হিচাপে পৰিগণিত হ'ব। লগতে উত্তৰ-পূৰ্বাঞ্চল আৰু পূৰ্ব ভাৰতৰ মাজত ৰে'ল সংযোগ অধিক শক্তিশালী কৰি তুলিব। ৰে'লখনত ১১টা এচি ৩ টায়াৰ ডবা, ৪টা এচি ২-টায়াৰ ডবা আৰু ১টা প্ৰথম এচি ডবা অন্তৰ্ভুক্ত, যিয়ে বিভিন্ন শ্ৰেণীৰ যাত্ৰীৰ বাবে আৰামদায়ক যাত্ৰাৰ বিকল্প প্ৰদান কৰিব। যাত্ৰীকেন্দ্ৰিক দৃষ্টিভংগীৰে ডিজাইন কৰা বন্দে ভাৰত শ্লীপাৰ এক্সপ্ৰেছ ৰে'লখন যাত্ৰীৰ বাবে আৰামদায়ক ডিজাইন কৰা কুশ্বনযুক্ত বাৰ্থ, উন্নত চাচপেনচন চিষ্টেমৰ সৈতে আৰামদায়ক ভ্ৰমণ, শব্দ হ্ৰাস প্ৰযুক্তি, ভেষ্টিবিউলৰ সৈতে স্বয়ংক্ৰিয় দুৱাৰ আৰু আধুনিক যাত্ৰী তথ্য প্ৰণালী উপলব্ধ।

## অবৈধ বেটিং আৰু জুৱাৰ

২৪২টা অবৈধ বেটিং আৰু গেম্বলিং ৱেবছাইটৰ লিংক ব্লক কৰাৰ নিৰ্দেশ দিছে। এই অভিযানৰ ফলত এতিয়ালৈকে মুঠ ৭, ৮০০ৰো অধিক এনে অবৈধ পে-টফৰ্ম বন্ধ কৰা হৈছে বুলি চৰকাৰী সূত্ৰসমূহে জানিবলৈ দিছে। শেহতীয়াকৈ প্ৰমোচন এণ্ড ৰেগুলেচন অৱ অনলাইন গেমিং এক্ট, ২০২৫ (Promotion and Regulation of Online Gaming Act, 2025) বলবৎ হোৱাৰ পিছত এই ধৰণৰ কাৰ্যব্যৱস্থাৰ গতি অধিক খৰতকীয়া হৈ পৰিছে। ২০২৫ চনৰ আগষ্ট মাহত সংসদত গৃহীত হোৱা এই আইনখনত ৰিয়েল মানি গেমিং (Real Money Gaming) আৰু ইয়াৰ বিজ্ঞাপনক সম্পূৰ্ণ নিষিদ্ধ কৰা হৈছে। আইন ভংগ কৰিলে তিনি বছৰলৈকে কাৰাদণ্ড আৰু এক কোটি টকা পৰ্যন্ত জৰিমানাৰ বিধান ৰখা হৈছে। চৰকাৰী সূত্ৰসমূহৰ মতে, এই অবৈধ ৱেবছাইট আৰু এপসমূহে মূলতঃ যুৱ প্ৰজন্মক লক্ষ্য কৰি লৈছে। টকাৰ প্ৰলোভন দেখুৱাই যুৱক-যুৱতীসকলক জুৱাৰ নিচাত পেলাই তেওঁলোকৰ আৰ্থিক, মানসিক আৰু সামাজিক ক্ষতি সাধন কৰি আহিছে। এনে প্লেটফৰ্মৰ ফলত বহু পৰিয়ালত ঋণৰ বোজা, আসক্তি আৰু আনকি আত্মহত্যাৰ দৰে দুখজনক ঘটনাও সংঘটিত হৈছে। কেন্দ্ৰীয় ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে (MeitY) ২০২২ চনৰ পৰা এতিয়ালৈকে ১, ৪০০ৰো অধিক অবৈধ বেটিং এপ আৰু ৱেবছাইট বন্ধ কৰাৰ নিৰ্দেশ জাৰি কৰিছে। নতুন আইনৰ সহায়ত এতিয়া এনে অবৈধ প্লেটফৰ্মসমূহ দ্ৰুত চিনাক্ত কৰি কম সময়ৰ ভিতৰতে ব্লক কৰাটো সম্ভৱ হৈ পৰিছে। চৰকাৰে স্পষ্ট কৰিছে যে আগন্তুক দিনতো এনে নীতি-বিৰোধী কাম কৰা ছাইটসমূহৰ ওপৰত কঠোৰ নজৰ ৰখা হ'ব আৰু কোনো কাৰণতে সহ্য কৰা নহ'ব। এই আইনখনে একাধাৰে নেতিবাচক অনলাইন গেমিংৰ পৰা নাগৰিকক সুৰক্ষা দিয়াৰ লগতে ই-স্পৰ্টছ আৰু শিক্ষামূলক-সামাজিক অনলাইন গেমসমূহক প্ৰসাৰিত কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে দক্ষতা-ভিত্তিক গেমিংক প্ৰসাৰিত কৰি যুৱ প্ৰজন্মক বিপথগামী হোৱাৰ পৰা ৰক্ষা কৰাৰ লগতে দেশৰ ডিজিটেল অৰ্থনীতিকো শক্তিশালী কৰাৰ লক্ষ্য ৰখা হৈছে। চৰকাৰৰ এই পদক্ষেপক বিশেষজ্ঞ আৰু সচেতন নাগৰিকসকলে ইতিবাচকভাৱে গ্ৰহণ কৰিছে, কিয়নো ই যুৱ সমাজক আৰ্থিক আৰু সামাজিক ক্ষতিৰ পৰা মুক্ত কৰি এক সুৰক্ষিত ডিজিটেল পৰিৱেশ গঢ়ি তুলিব বুলি আশা কৰা হৈছে। তথাপি কিছুমানে এই নিষেধাজ্ঞাক লৈ উদ্যোগৰ ওপৰত প্ৰভাৱ পৰাৰ কথা উত্থাপন কৰিছে, যদিও চৰকাৰে স্পষ্ট কৰিছে যে ইয়াৰ লক্ষ্য কেৱল অবৈধ আৰু ক্ষতিকাৰক অনলাইন জুৱাক নিয়ন্ত্ৰণ কৰা।

# আজিৰ পৰা আৰম্ভ হ'ল তাতিবাহাৰ মজলীয়া বিদ্যালয়ৰ শতবৰ্ষ উৎসৱ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ জানুৱাৰী ঃ** তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আজিৰ পৰা আৰম্ভ হৈছে লখিমপুৰ জিলাৰ বৰ নাৰায়ণপুৰ সমীপৰ পদ্মপুৰ তাতিবাহাৰ মজলীয়া বিদ্যালয়ৰ শতবৰ্ষ উৎসৱ। সেই উপলক্ষে আজি সেউজ বন্ধু দীপক বৰুৱাৰ দ্বাৰা গছপুলি ৰোপণ কৰা কাৰ্যসূচীৰে শতবৰ্ষৰ উৎসৱৰ শুভাৰম্ভ কৰা হয়। উদ্‌যাপন সমিতিৰ সভাপতি মহেন্দ্ৰ মোহন হাজৰিকাই পুৱা ভাগত মুল পতাকা উত্তোলন কৰাৰ লগতে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৯৯খন পতাকা উত্তোলন কৰা হয়। তদুপৰি অনুষ্ঠানৰ পুৱা ভাগত শতবৰ্ষৰ স্মৃতি তোৰণ উন্মোচন কৰে লক্ষেশ্বৰ শইকীয়াই, স্মৃতি তৰ্পণ কৰে ৰেৱকান্ত শইকীয়াই আৰু স্মৃতি ভৱন উন্মোচন কৰে নীলমণি পাঠকে। দুপৰীয়া ভাগত এখনি আলোচনা সত্ৰ আৰু কিশোৰ-কিশোৰীৰ সকলৰ অন্তৰঙ্গ আলাপ আদি অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে ৰাতিলৈ শংকৰী গীত-মাত ভাওনাৰ আয়োজন কৰিছে। অনুষ্ঠানটিত বিভিন্ন নৃত্য, গীত প্ৰদৰ্শন কৰে। অনুষ্ঠানটিত অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তিয়ে অংশ গ্ৰহণ কৰা পৰিলক্ষিত হয়।

# "ৰয়েল ষ্টাৰ ক্লাব"ৰ সৌজন্যত দ্বিতীয় বাৰ্ষিক অধিৱেশন তথা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৬ জানুৱাৰী ঃ** নলবাৰী জিলাৰ ৩ নং বৰতলাস্থিত "জনপ্ৰিয় প্ৰাথমিক বিদ্যালয়" প্ৰাঙ্গণত আজি ১৬ জানুৱাৰী শুক্ৰবাৰে ৰয়েল ষ্টাৰ ক্লাবৰ সৌজন্যত দ্বিতীয় বাৰ্ষিক অধিৱেশন তথা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰে। তাইজুদ্দিন আলী আহমেদক সভাপতি, ৰূপচান আলীক উপ-সভাপতি, জেহেৰুল ইছলাম আৰু জাহেৰ আলীক সাংস্কৃতিক সম্পাদকদ্বয়, জেহেৰুল আলী আৰু ইছমাইল আলীক সহ সাংস্কৃতিক সম্পাদকদ্বয়, শ্বহিদুল ইছলামক সম্পাদক, ইছলাম আলী আৰু তাজেৰ আলীক সহ সম্পাদকদ্বয়, আছুৰুদ্দিন, ছাইদুৰ আলী আৰু ফেদু আলীক খেল সম্পাদকত্ৰয়, মকিবুল আলী আৰু গুলছান আলী কোষাধ্যক্ষ, আনোৱাৰ হুছেইনক ধন ভঁড়ালী, আইজ আলী, আফজালুৰ আলী, তাইজুদ্দিন আলী, ছাদ্দাম হুছেইন, জাহিদুল আলীক গ্ৰীণ ৰুমৰ তত্ত্বাৱধায়কবৃন্দ হিচাপে লৈ এখন কাৰ্যকৰী কমিটি গঠন কৰা হয়। ৩ নং বৰতলা ৰয়েল ষ্টাৰ ক্লাবে আয়োজন কৰা অনুষ্ঠানটিত পুৱা ৮ বজাত সমূহীয়া চাফাই, ৯ বজাত গছপুলি ৰোপণ, ৯.৩০ বজাত পতাকা উত্তোলনৰ পিছতে ২ বজাত মুকলি সভা অনুষ্ঠিত হয়। সন্ধিয়া ৫ বজাত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গলৈ সমূহীয়া শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ইয়াৰ পিছতেই আধুনিক নৃত্যৰ আয়োজন কৰা হয় আৰু নিশা সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ সোণতলীৰ ফজল হক, হাউলীৰ মামনী আকতাৰ আৰু নলবাৰীৰ নাহিদ নয়নৰ গীতৰ শৰাইৰে কাৰ্যসূচীৰ অন্ত পৰে।

# টঙালী বান্ধিছে কংগ্ৰেছে! ৰাজীৱ ভৱনত

আবেদনপত্ৰ ডাউনলোড হোৱাৰ পিছত আজি এদিনতে উজনি, নামনি আৰু মধ্য অসমৰ মুঠ ১০০ গৰাকী প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে নিজ নিজ বিধানসভা সমষ্টিৰ বাবে দলীয় টিকেটৰ আবেদন দাখিল কৰিছে। এতিয়ালৈকে প্ৰায় ২০০ গৰাকী প্ৰাৰ্থীয়ে ৰাজীৱ ভৱনলৈ আহি নিজৰ আবেদন জমা দি প্ৰাপ্তি স্বীকাৰ লাভ কৰিছে। প্ৰতিগৰাকী প্ৰাৰ্থিত্ব প্ৰত্যাশীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ পুঁজিত ৫০, ০০০ (পঞ্চাশ হাজাৰ) টকাকৈ ডিমাণ্ড ড্ৰাফ্‌ট জমা দিব লাগে। এই ধনৰাশিৰ লগতে আবেদনপত্ৰ, পৰিচয়পত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় নথিপত্ৰসমূহ জমা দিয়াৰ পিছতহে আবেদন গ্ৰহণ কৰা হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ কোষাধ্যক্ষ ডাঃ হেমহৰি পেগুৱে জনোৱা মতে, এই আবেদন গ্ৰহণ প্ৰক্ৰিয়া আহা ২০ জানুৱাৰীলৈকে অব্যাহত থাকিব। আগন্তুক তিনিদিনৰ ভিতৰত ৪০০ৰো অধিক আবেদন জমা হোৱাৰ সম্ভাৱনা আছে বুলি তেওঁ আশা প্ৰকাশ কৰিছে। আনহাতে, ১৭ জানুৱাৰীৰ পৰা হিতেশ্বৰ শইকীয়া স্মাৰক গৃহত কেবাখনো টেবুল স্থাপন কৰি আবেদন গ্ৰহণৰ ব্যৱস্থা কৰা হৈছে। পুৱা ১০ বজাৰ পৰা আবেদন গ্ৰহণ আৰম্ভ হ'ব। বিশেষকৈ ১৭ জানুৱাৰী শিল্পী দিৱসৰ দিনটোত কেইবাজনো গুৰুত্বপূৰ্ণ নেতা-কৰ্মীয়ে প্ৰাৰ্থিত্বৰ বাবে আবেদন দাখিল কৰিব বুলি জানিব পৰা গৈছে। এই তীব্ৰ আবেদনৰ ভিৰে স্পষ্ট কৰি তুলিছে যে, ২০২৬ৰ বিধানসভা নিৰ্বাচনত অসম কংগ্ৰেছে শক্তিশালী প্ৰতিদ্বন্দ্বিতাৰ বাবে বিস্তৃত প্ৰস্তুতি চলাই আছে আৰু দলীয় টিকেটৰ বাবে উৎসাহী প্ৰাৰ্থীৰ অভাৱ নাই। দলীয় নেতৃত্বই এই আবেদনসমূহ পৰ্যালোচনা কৰি যোগ্য আৰু জনপ্ৰিয় প্ৰাৰ্থী নিৰ্বাচন কৰিব বুলি আশা কৰা হৈছে।

### দুয়োপক্ষৰ এজাহাৰ দাখিল

# গৰৈমাৰীৰ খলিহামাৰীত শ্ৰমিক-স্থানীয় যুৱকৰ মাৰপিট

**অসম বাৰ্তা, গৰৈমাৰী, ১৬ জানুৱাৰী ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ খলিহামাৰীত গৰাখহনীয়া প্ৰতিৰোধৰ কামত কৰ্মৰত শ্ৰমিক আৰু স্থানীয় একাংশ যুৱকৰ সৈতে হোৱা মাৰপিটত তিনিগৰাকী লোক আহত হয়। জানিব পৰামতে গৰৈমাৰীৰ খলিহামাৰীত কালি গৰাখহনীয়া প্ৰতিৰোধৰ কামত কৰ্মৰত শ্ৰমিক আৰু স্থানীয় একাংশ যুৱকৰ সৈতে মাৰপিট সংঘটিত হয়। অভিযোগ অনুসৰি গৰৈমাৰীৰ খলিহামাৰীত খহনীয়া প্ৰতিৰোধৰ কামত দুৰ্নীতি সংঘটিত হোৱা বুলি ভাবুকি দি কামত নিয়োজিত শ্ৰমিকৰ মহুৰি আয়নাল হকৰ ওচৰত ধন দাবী কৰিছিল স্থানীয় মাজৰটোপ গাঁৱৰ মনুৰুদ্দিন আৰু তেওঁৰ লগত থকা কেইজনমান ব্যক্তিয়ে। দাবী কৰা ধন নিদিয়াৰ বাবেই কালি মনুৰুদ্দিন আৰু তেওঁৰ লগত যোৱা এটা দলে বলপূৰ্বকভাৱে খহনীয়া প্ৰতিৰোধৰ কাম বন্ধ কৰিবলৈ চেষ্টা চলায়। ইয়াকে লৈ জিঅ'বেগৰ কাম কৰা শ্ৰমিক সকলৰ সৈতে তেওঁলোকৰ তৰ্কাতৰ্কি হয় আৰু অৱশেষত ই মাৰপিটত লিপ্ত হয়। মাৰপিটত কাম বন্ধ কৰিবলৈ যোৱা মনুৰুদ্দিন আহত হোৱাৰ বিপৰীতে জিঅ'বেগৰ কাম কৰা শ্ৰমিক ক্ৰমে নৌসাদ আলী আৰু ছফিকুল ইছলাম গুৰুতৰভাৱে আহত হয়। পিছত আহত তিনিগৰাকীক গৰৈমাৰী সামূহিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। ঘটনাক কেন্দ্ৰ কৰি অভিযোগ-প্ৰতি অভিযোগ আনি দুয়োপক্ষই গৰৈমাৰী আৰক্ষী থানাত পৃথকে এজাহাৰ দাখিল কৰে।

# জিলা আয়ুক্তৰ নেতৃত্বত টুনী নদীৰ পাৰত ব্যতিক্ৰমী ভোগালী বিহু উদ্‌যাপন

# ভোগালীত একাত্ম হ'ল মাজুলীবাসী; লোক-পৰম্পৰাৰে নতুন প্ৰজন্মক জড়িত কৰি মাজুলীত উদ্‌যাপিত ভোগালী বিহু

**অসম বাৰ্তা, উজনী মাজুলী, ১৫ জানুৱাৰী ঃ** ভোগালীৰ আনন্দ-উচাহত ৰাজ্যবাসী বিলীন হৈ পৰাৰ সমান্তৰালভাৱে সত্ৰ সংস্কৃতিৰ পীঠ স্থান মাজুলীতো ভোগালীৰ পাৰ ভগা উচাহ পৰিলক্ষিত হয়। উৰুকা নিশা পৰম্পৰা অনুসৰি ৰাইজে একোখন গাঁও তথা চুবুৰী একত্ৰিত হৈ হাঁহে-মাহে এসাঁজ খোৱাৰ সমান্তৰালভাৱে কালি বিহুৰ দিনা পুৱাই সকলোৱে গা-পা ধুই উৰুকাৰ দিনা সজা ভেলাঘৰ মেজিত জুই লগাই সমাজৰ অমংগল দূৰ কৰিবৰ বাবে প্ৰৰ্থনা জনায়। মেজিৰ জুইত মাতি মাহ, মগু, পিঠা, চাউল, ঘিঁউ আদি দি অগ্নিক সেৱা কৰে। সেই অনুসৰি মাজুলীৰ জিলা আয়ুক্তৰ নেতৃত্বত আৰু সমূহ মাজুলীবাসী ৰাইজৰ সহযোগত মাজুলীৰ কমলাবাৰীস্থিত টুনী নদীৰ পাৰত এক ব্যতিক্ৰমী আৰু আধ্যাত্মিক পৰিৱেশত ভোগালী বিহু উদ্‌যাপন কৰে। অসমৰ লোক-পৰম্পৰাসমূহ নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ লক্ষ্যৰে কালি পুৱা ১০ বজাত টুনী নদীৰ পাৰৰ মুকলি পৰিৱেশত পৰম্পৰাগত ৰীতি-নীতিৰে মেজি প্ৰজ্বলন কৰে। মেজি প্ৰজ্বলনৰ পাছতেই টুনীৰ পাৰত এক অনন্য সাংস্কৃতিক আৰু উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। শিশুসকলৰ বাবে আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সমাজৰ প্ৰতিটো স্তৰৰ লোকক সামৰি বিভিন্ন আমোদজনক খেল-ধেমালি অনুষ্ঠিত কৰে। উক্ত খেল-ধেমালিত শিশু, যুৱক-যুৱতীৰ পৰা আৰম্ভ কৰি মহিলা আৰু বয়োজ্যেষ্ঠসকলেও সমানে উৎসাহেৰে ভাগ লয়। বস্তা দৌৰ, চামুচেৰে মাৰ্বল দৌৰ আৰু ৰছী টনা আদি খেলসমূহত মাজুলীবাসীৰ লগতে দেশী-বিদেশী পৰ্যটকসকলেও অংশগ্ৰহণ কৰি বিহুৰ প্ৰকৃত আনন্দৰ সোৱাদ লয়। মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ লগতে তেখেতৰ সহধৰ্মিণীয়েও উক্ত পৰম্পৰাগত খেল-ধেমালিত ভাগ লয়। সমান্তৰালভাৱে ঢোল-পেঁপাৰ শব্দত বিহু নাচ আৰু বিহু গীতৰ লহৰে সমগ্ৰ পৰিৱেশ জীপাল কৰি তোলে। ইফালে কালি বিহুৰ দিনাই মাজুলীৰ ঠায়ে ঠায়ে গাঁও ভিত্তিত পৰম্পৰাগত খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সেই অনুসৰি উজনি মাজুলীৰ কঠমিয়া গাঁৱৰো ডেকা, মহিলাৰ পৰা বৃদ্ধলৈকে সকলোৱে মিলি কালি বিয়লি পৰম্পৰাগত ৰচী টনা, টেকেলি ভঙা, কাবাদী, হাহঁ ধৰা, কলগছ বগোৱা আদি খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি গাঁৱৰ সকলোৰে মাজত সম্প্ৰীতিৰ এনাজৰী ডাল সুদৃঢ় কৰাৰ চেষ্টা কৰে। ইফালে আউনীআটী সত্ৰৰ বৈষ্ণৱ সকলৰ মাজতো বিহুৰ দিনা পৰম্পৰাগত খেল-ধেমালি অনুষ্ঠিত কৰি বিহুৰ আনন্দত বিলীন হোৱা পৰিলক্ষিত হ'ল। গড়মূৰ সৰু সত্ৰ, গড়মূৰ সত্ৰ, কমলাবাৰী, নামনি মাজুলী আদিতো দিনযোৱা কাৰ্যসূচীৰে ভোগালী বিহু উদ্‌যাপন কৰে।

# সিদলসতীৰ জ্ঞানদীপ জাতীয় বিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, বিদ্যালয় সপ্তাহ, প্ৰাক্-ভোগালী আৰু সম্বৰ্ধনা অনুষ্ঠান



**অসম বাৰ্তা, উত্তৰ শালমাৰা, ১৬ জানুৱাৰী ঃ** যোৱা ৭ জানুৱাৰী, বুধবাৰে বঙাইগাঁও জিলাৰ সিদলসতীস্থ জ্ঞানদীপ জাতীয় বিদ্যালয়ৰ ২২ সংখ্যক প্ৰতিষ্ঠা দিৱস বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ অধ্যক্ষ কন্দৰ্প ৰায়ে আৰু অসম জাতীয় বিদ্যালয়, গুৱাহাটীৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ শিক্ষক জয়দ্ৰোথ মেধিয়ে। ইয়াৰ পিছতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কেক বিতৰণ কৰা হয়। ৮ জানুৱাৰী পৰা বিদ্যালয় সপ্তাহ আৰম্ভ হয়। বিদ্যালয় সপ্তাহ উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দৌৰ, মিউজিত চেয়াৰ, চকুত কাপোৰ বান্ধি কলহ ভঙোৱা, বিস্কুট খোৱা, হাই জাম্প, বেডমিণ্টন, কাবাডি আদি বিভিন্ন ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়। ইয়াৰোপৰি ভেশছন, আবৃত্তি, কুইজ, আকস্মিক বক্তৃতা, সংগীত প্ৰতিযোগিতা, একক আৰু দলীয় নৃত্য প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰী উপৰিও অভিভাৱকসকলৰ মাজতো খেল-ধেমালিত অনুষ্ঠিত হয়। ইয়াৰোপৰি যোৱা ১২ জানুৱাৰীত বিদ্যালয় প্ৰাঙ্গণত প্ৰাক্-ভোগালী উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে ভেলাঘৰৰ বাকৰিত ছাত্ৰীসকলৰ দ্বাৰা বিহু নৃত্য প্ৰদৰ্শন কৰা হয় লগতে বিভিন্ন ধৰণৰ পিঠাপোনাৰে ভোগালী বিহুৰ জলপানৰ ব্যৱস্থাও কৰা হয়। সিদিনাই ২০২৫ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়ৰ অধ্যক্ষই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে 'অসমীয়া প্ৰতিদিন' কাকতৰ সাংবাদিক ধৰম ৰঞ্জন ৰয় আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়। অনুষ্ঠানৰ শেষত ২০২৫ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক লৈ 'মনৰ কথা' নামৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আঁত ধৰে অভয়াপুৰী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তথা সাংবাদিক বিক্ৰম ৰঞ্জন ৰয়ে।

# ভোগালী বিহু উপলক্ষে নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ জ্যেষ্ঠজনক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, নগাঁও, ১৬ জানুৱাৰী ঃ** ভোগালী বিহুৰ প্ৰথম দিনা নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়াই আৰু জ্যেষ্ঠ সাংবাদিক নীলৰঞ্জন শৰ্মাই নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰনাথ গায়নৰ বাসগৃহত এখন ফুলাম গামোচাৰে ভোগালী বিহুৰ শুভেচ্ছা জনায়। তদুপৰি আজি পহিলা মাঘৰ দিনা নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ সভাপতি ডাঃ ঋষেশ্বৰ ঠেঙাল শইকীয়া, কাৰ্যকৰী সভাপতি গুৰুবচচন সিং, উপ-সভাপতি মুকুল চন্দ্ৰ বৰা, সদস্য অশোক ৰাম ভট্টাচাৰ্য্য প্ৰমুখ্যে এটি সজাতি দলে অসমীয়া সাহিত্য সন্মিলনীৰ প্ৰাক্তন সভাপতি প্ৰয়াত বিমল চন্দ্ৰ বৰাৰ সহধৰ্মিনী নিজৰা বৰা, তেওঁৰ জীয়াৰী চুমি বৰা প্ৰমুখ্যে পৰিয়াল বৰ্গক, প্ৰাক্তন সভাপতি প্ৰয়াত সুৰেন কুমাৰ বৰাৰ সহধৰ্মিনী দীপ্তি বৰা, জীয়াৰী, প্ৰশান্তি বৰা, নাতিনী নিধ্যানা প্ৰমুখ্যে পৰিয়াল বৰ্গক, উপ-সভাপতি ডাঃ কৃষ্ণ বৰাক নগাঁও জিলা অসমীয়া সাহিত্য সন্মিলনীৰ তৰফৰ পৰা ভোগালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে অসমীয়াৰ স্বাভিমান এখন কৈ ফুলাম গামোচাৰে আৰু লগতে তেওঁলোক সকলোৰে দীৰ্ঘায়ু কামনা কৰে।

### আৰচিচি ঘৰৰ দুৱাৰৰ তলা ভাঙি লৈ গ'ল নগদ ধন সহ ৭ লক্ষাধিক টকাৰ সোণৰ আ-অলংকাৰ

# গহপুৰৰ চেংমৰাৰ সদাব্যস্ত এলেকাত দিন দুপৰতে চুৰিকাণ্ড

**অসম বাৰ্তা, গহপুৰ, ১৬ জানুৱাৰী ঃ** জনসাধাৰণৰ সম্পত্তিৰ নিৰাপত্তা দিয়াত চূড়ান্তভাৱে ব্যৰ্থ হৈছে গহপুৰ আৰক্ষী। গহপুৰ আৰক্ষীৰ অকৰ্মণ্যতা আৰু সোপাটিলা নীতিৰ বাবে গহপুৰ সমজিলাৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিক ভাৱে সংঘটিত হ'বলৈ লৈছে চুৰিকাণ্ড। গহপুৰ আৰক্ষীয়ে চুৰিকাণ্ড সমূহৰ গোচৰ পঞ্জীয়ন কৰাৰ বাহিৰে চোৰ ধৰাত চূড়ান্তভাৱে ব্যৰ্থ হোৱাৰ বাবে আৰক্ষীৰ ওপৰত এতিয়া আস্থা আৰু বিশ্বাস নোহোৱা হৈছে গহপুৰৰ ভুক্তভোগী ৰাইজৰ। গহপুৰত অব্যাহত থকা এনেধৰণৰ চুৰিকাণ্ডৰ মাজতে আজি দিন দুপৰতে চেংমৰাৰ সদা ব্যস্ত এলেকাত সংঘটিত হয় এক ভয়ানক চুৰিকাণ্ড। গহপুৰ আৰক্ষী থানাৰ অধীনস্থ হাৱাজান আৰক্ষী চকীৰ এলেকাধীন চেংমৰা নিবাসী মাণিক গগৈৰ বাসগৃহত সংঘটিত হোৱা এই চুৰি কাণ্ডই গহপুৰ আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাৰ ফোঁপোলা স্বৰূপ আকৌ এবাৰ উন্মোচিত কৰি তুলিলে। জানিব পৰামত-মাণিক গগৈৰ শিক্ষয়িত্ৰী পত্নী আজি বিদ্যালয়লৈ যোৱাৰ পিছত মাণিক গগৈয়ো ঘৰৰ পৰা ওলাই গৈছিল কিবা কামত। যোৱাৰ সময়ত তেওঁলোকৰ আৰ চি চি ঘৰটোৰ দুৱাৰ খিৰিকী আটাইবোৰ বন্ধ কৰি গৈছিল তেওঁলোকে। তদুপৰি মুল দুৱাৰত ভালদৰে তলা মৰাও হৈছিল। আজি বিয়লি প্ৰায় ৩ বজাত দুয়ো ঘৰ আহি পাই দেখে যে তেওঁলোকৰ পিছফালৰ লোৰ দুৱাৰত মাৰি থৈ যোৱা তলাটো ভঙা অৱস্থাত আছে। ইয়াৰ পিছত ভিতৰলৈ সোমাই গৈ শোৱনি কোঠাৰ আলমাৰী, গডৰেজ আদি থানবান হৈ থকাত চোৰ সোমোৱা বুলি তেওঁলোক নিশ্চিত হয়। চুৰি চক্ৰটোৱে তেওঁলোকৰ শোৱনি কোঠাৰ আলমাৰিৰ ভিতৰৰ পৰা নগদ ১২ হেজাৰ ৬০০ টকাসহ ৭ লক্ষাধিক টকাৰ টকাৰ সোণৰ আ-অলংকাৰ লৈ যোৱা বুলি মাণিক গগৈয়ে জানিবলৈ দিছে। ঘটনাৰ খবৰ পোৱাৰ পিছত নিয়মমাফিক ভাৱে হাৱাজান আৰক্ষী চকীৰ আৰক্ষী মাণিক গগৈৰ ঘৰত উপস্থিত হৈ চুৰিকাণ্ডৰ বুজ লয়।

